रजिस्ट्री सं डी 221

Registered No.D 221
পঞ্জীয়ন নং ডি ২২১

सत्यमेव जयते

# भारत का राजपत्र
# THE GAZETTE OF INDIA
# ভাৰতৰ ৰাজপত্ৰ

असाधारण
**EXTRA ORDINARY**
অসাধাৰণ

भाग VI - अनुभाग 1
**PART VI - Section 1**
ভাগ ৬ - অনুভাগ ১

प्राधिकार से प्रकाशित
PUBLISHED BY AUTHORITY
প্ৰাধিকাৰৰ দ্বাৰা প্ৰকাশিত

**No. 1] NEW DELHI, MONDAY, SEPTEMBER 5, 2011/18 BHADRA, 1933 (Saka) [Vol : 5**
নং ১ ] নতুন দিল্লী, সোমবাৰ, ছেপ্তেম্বৰ ৫, ২০১১ / ১৮ ভাদ, ১৯৩৩ (শক) [খণ্ড ঃ ৫

Separate paging is given to this part in order that it may be filed as a separate compilation.

## বিধি আৰু ন্যায় মন্ত্ৰালয়
## (বিধান বিভাগ)

নতুন দিল্লী, ১৬ আগষ্ট, ২০১১/২৫ শাওণ ১৯৩৩ (শক)

(১) দি ইণ্ডিয়ান এভিডেঞ্চ এক্ট, ১৮৭২ (১৮৭২ ৰ ১)

নিম্নলিখিত অসমীয়া অনুবাদ এতদ্বাৰা ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে প্ৰকাশিত কৰা হৈছে আৰু প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি সমূহ) অধিনিয়ম, ১৯৭৩ (১৯৭৩ ৰ ৫০) ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত অসমীয়াত তাৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য কৰা হব ।

## MINISTRY OF LAW AND JUSTICE

**(Legislative Department)**

New Delhi, Dated the 16th August, 2011/25 Sawan, 1933 (SAKA)

The Translations in Assamese of the following, namely :-

1. The Indian Evidence Act, 1872 (1 of 1872),

is hereby published under the authority of the President and shall be deemed to be the authoritative texts thereof in Assamese under clause (a) of Section 2 of the Authoritative Texts (Central Laws) Act, 1973 (50 of 1973).

# ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২

## (১৮৭২ ৰ ১) [১]

[১৫ মাৰ্চ, ১৮৭২]

**প্ৰস্তাৱনা** – যিহেতু সাক্ষ্যৰ বিধিৰ একীকৰণ, পৰিভাষা আৰু সংশোধন কৰাটো সমীচীন, সেয়ে এতদ্বাৰা তলত দিয়া মতে অধিনিয়মিত কৰা হ'ল ঃ–

## ভাগ – ১

## তথ্যবোৰৰ প্ৰাসঙ্গিকতা

## অধ্যায় – ১

## প্ৰাৰম্ভিক

**১। সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভ** – এই অধিনিয়মখন ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২ বুলি অভিহিত হ'ব।

[২] **ইয়াৰ বিস্তাৰ** [৩][জম্মু আৰু কাশ্মীৰ ৰাজ্য বাহিৰেকে] সমগ্ৰ ভাৰতেতে হ'ব আৰু [৪][সেনা অধিনিয়ম, ৪৪ তথা ৪৫ ভিক্ট, অঃ৫৮ [৫][নৌ বাহিনী অনুশাসন, অধিনিয়ম (২৯ আৰু ৩০ ভিক্ট, অঃ ১০৯), বা [৬] [ X X X ] ভাৰতীয় নৌ বাহিনী (অনুশাসন) অধিনিয়ম, ১৯৩৪ (১৯৩৪ৰ ৩৪)[৭] [৮][ বা বিমান বাহিনী অধিনিয়ম] (৭ জঃ ৫, অঃ ৫১)ৰ অধীনত আহ্বায়িত সামৰিক ন্যায়ালয়ৰ বাহিৰে অন্য সামৰিক ন্যায়ালয়ক অন্তৰ্ভুক্ত কৰি যি কোনো ন্যায়ালয়ত বা ন্যায়ালয়ৰ সমক্ষত, সকলোবোৰ ন্যায়িক কাৰ্যবাহীতে প্ৰয়োগ হ'ব, কিন্তু কোনো ন্যায়ালয় বা পদাধিকাৰীক দিয়া শপত পত্ৰ, অথবা কোনো মধ্যস্থৰ সমক্ষত হোৱা কোনো কাৰ্যবাহীত প্ৰয়োগ নহ'ব ;

আৰু এইখন ১৮৭২ৰ পহিলা চেপ্তেম্বৰ তাৰিখৰ পৰা বলবৎ হ'ব।

**২। অধিনিয়মিতিসমূহৰ নিৰসন** [নিৰসন অধিনিয়ম, ১৯৩৮ (১৯৩৮ ৰ ১)ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত।]

**৩। নিৰ্বচন খণ্ড** – এই অধিনিয়মৰ তলত দিয়া শব্দাৱলী আৰু অভিব্যক্তি সমূহ, প্ৰসঙ্গত প্ৰতিকূল কোনো অভিপ্ৰায় প্ৰতীত নহ'লে, তলত দিয়া অৰ্থত ব্যৱহৃত হৈছে ঃ–

**"ন্যায়ালয়"** – "ন্যায়ালয়" শব্দই সকলো ন্যায়াধীশ আৰু দণ্ডাধীশ, আৰু মধ্যস্থসকলৰ বাহিৰেকে সাক্ষ্য গ্ৰহণৰ বাবে বিধি সম্মত ভাৱে প্ৰাধিকৃত সকলো ব্যক্তিকে অন্তৰ্ভুক্ত কৰে।

---

১। উদ্দেশ্য আৰু কাৰণসমূহৰ বিবৃতিৰ বাবে ভাৰতৰ ৰাজপত্ৰ, ১৮৬৮ পৃষ্ঠা ১৫৭৪ ; ৩১ মাৰ্চ, ১৮৭১ তাৰিখৰ বাছনি সমিতিৰ বচৰা বা প্ৰাথমিক প্ৰতিবেদনৰ বাবে ভাৰতৰ ৰাজপত্ৰ ১৮৭১, ৫ম ভাগ পৃষ্ঠা ২৭৩ চাওঁক আৰু ৩০ জানুৱাৰী, ১৮৭২ তাৰিখৰ বাছনি সমিতিৰ দ্বিতীয় প্ৰতিবেদনৰ বাবে ভাৰতৰ ৰাজপত্ৰ ১৮৭২, ৫ম ভাগ, পৃষ্ঠা ৩৪ চাওঁক, পৰিষদত হোৱা আলোচনাবোৰৰ বাবে ভাৰতৰ ৰাজপত্ৰ, ১৮৬৮, অনুপূৰক পৃষ্ঠা ১০৬০ আৰু ১২০৯, ভাৰতৰ ৰাজপত্ৰ, ১৮৭১, অতিৰিক্ত অনুপূৰক পৃষ্ঠা ৪২ তথা অনুপূৰক পৃঃ ১৬৪১ আৰু ভাৰতৰ ৰাজপত্ৰ, ১৮৭২, পৃষ্ঠা ১৩৬ আৰু ২৩০ চাওঁক।

২। এই অধিনিয়মবোৰৰ বিধি অধিনিয়ম, ১৯৪১ (১৯৪১ ৰ ৪)ৰ দ্বাৰা বেৰাৰ লৈ বিস্তাৰিত কৰা হৈছে আৰু সন্থাল পৰগনাত সন্থাল পৰগনা বন্দবস্তি বিনিয়ম, ১৮৭২ (১৮৭২ ৰ ৩), ধাৰা ৩ৰ দ্বাৰা ; আৰু পান্থ পিপলোডাত পান্থপিপলোডা বিধি বিনিয়ম, ১৯২৯ (১৯২৯ ৰ ১) ৰ দ্বাৰা আৰু খোণ্ডমাল জিলাত খোণ্ডমাল বিনিয়ম, ১৯৩৬ (১৯৩৬ ৰ ৪) ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা আৰু আঙ্গুল জিলাত আঙ্গুল বিধি বিনিয়ম, ১৯৩৬ (১৯৩৬ ৰ ৫), ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা বলবৎ হোৱা ঘোষিত কৰা হৈছে ; ইয়াক অনুসূচিত জিলাসমূহৰ বিধি, ১৮৭৪ (১৮৭৪ ৰ ১৪)ৰ ধাৰা ৩ৰ অধীনৰ অধিসূচনাৰ দ্বাৰাইও ; তলত দিয়া অনুসূচিত জিলাসমূহ যেনে – হাজৰিবাগ জিলা, লোহাৰদাগা, (এতিয়া ৰাচী জিলা, কলিকতা ৰাজপত্ৰ ১৮৯৯, ১ম খণ্ড ৪৪ পৃষ্ঠা চাওঁক) আৰু মানভূম আৰু পৰগনা ধলভূম আৰু সিংভূম জিলাৰ কোলহনত ভাৰতৰ ৰাজপত্ৰ ১৮৮১, ১ম ভাগ, পৃষ্ঠা ৫০৪ (লোহাৰ দাগা ৰাঁচী জিলাই সেই সময়ত পলামৌ জিলাক সামৰি লৈছিল ১৮৯৪ ত পৃথক কৰা হৈছে) ; আৰু আগ্ৰা প্ৰদেশৰ তৰাই – ভাৰত ৰাজপত্ৰ, ১৮৭৬, ১ম ভাগ পৃষ্ঠা ৫০৫, গুনজাম আৰু ভিজিগাপট্টম, ভাৰতৰ ৰাজপত্ৰ ১৮৯৯, ভাগ ১, পৃষ্ঠা ৭২০ চাওঁক – বলবৎ থকা বুলি ঘোষিত হৈছে।

এই অধিনিয়মখন ১৯৬৩ৰ বিনিয়ম নং ৬ৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা দাদৰা আৰু নগৰ হাভেলিলৈ, ১৯৩৬ৰ বিনিয়ম নং ৭ৰ ধাৰা ৩ আৰু অনুসূচী ১ৰ দ্বাৰা পণ্ডিচেৰীলৈ, ১৯৬৩ৰ বিনিয়ম নং ১১ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা গোৱা, দমন আৰু ডিউলৈ আৰু ১৯৬৫ৰ বিনিয়ম ৮ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা লাক্ষাদ্বীপ, মিনিকয় আৰু আমিনদিৱী দ্বীপপুঞ্জলৈকো বিস্তাৰিত হৈছে।

৩। ১৯৫১ৰ অধিনিয়ম ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা "ভাগ খ ৰাজ্যৰ বাহিৰেকে" ৰ ঠাইত প্ৰতিস্থাপিত।

৪। ১৯১৯ৰ অধিনিয়ম ১৮ৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা অন্তঃস্থাপিত। সেনা অধিনিয়ম (৪৪ আৰু ৪৫ ভিক্ট, অধ্যায়–৫৮)ৰ ধাৰা ১২৭ত চাওঁক।

৫। ১৯৩৪ৰ ৩৫ নং অধিনিয়মৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা অন্তঃস্থাপিত।

৬। "বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা যথা সংশোধিত সেই অধিনিয়ম" শব্দসমূহ লোপ কৰা হৈছে।

৭। এতিয়া নৌ সেনা অধিনিয়ম, ১৯৫৭ (১৯৫৭ৰ ৬৪) চাওঁক।

৮। ১৯২৭ৰ ১০ নং অধিনিয়মৰ, ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা অন্তঃস্থাপিত।

"তথ্য" – "তথ্য" ই নিম্নোক্তসমূহক বুজায় আৰু অন্তৰ্ভুক্ত কৰে –

(১) ইন্দ্ৰিয়ৰ দ্বাৰা বোধগম্য হব পৰা যি কোনো বস্তু, বস্তুৰ অৱস্থা বা বস্তুৰ সম্বন্ধে,

(২) যি কোনো মানসিক অৱস্থা যিটোৰ বাবে কোনো ব্যক্তি সচেতন।

দৃষ্টান্ত

(ক) কোনো নিৰ্দ্দিষ্ট স্থানত এটা নিৰ্দ্দিষ্ট ক্ৰমত কিছুমান নিৰ্দ্দিষ্ট বস্তু আছে – এইটো এটা তথ্য।

(খ) এজন মানুহে কিবা এটা দেখিছিল বা শুনিছিল এইটো এটা তথ্য।

(গ) এজন মানুহে কিছুমান নিৰ্দ্দিষ্ট শব্দ কৈছিল এইটো এটা তথ্য।

(ঘ) এজন মানুহে এটা নিৰ্দ্দিষ্ট অভিমত ধাৰণ কৰে, তেওঁৰ এটা নিৰ্দ্দিষ্ট উদ্দেশ্য আছে, তেওঁ সৰল বিশ্বাসত বা প্ৰৱঞ্চনা কৰি কাৰ্য্য কৰে, বা এটা নিৰ্দ্দিষ্ট শব্দ এটা নিৰ্দ্দিষ্ট ভাৱত ব্যৱহাৰ কৰে বা কোনো এটা বিনিৰ্দ্দিষ্ট সময়ত কোনো বিশেষ ধৰণৰ অনুভূতিৰ বিষয়ে সচেতন আছিল বা আছে, এইটো এটা তথ্য।

(ঙ) এজন মানুহৰ এটা বিশেষ সুনাম আছে এইটো এটা তথ্য।

**"প্ৰাসঙ্গিক"** – এটা তথ্য আন এটা তথ্যৰ প্ৰাসঙ্গিক বুলি কোৱা হয়, যেতিয়া তথ্যবোৰৰ প্ৰাসঙ্গিকতাৰ সম্পৰ্কত এই অধিনিয়মৰ উপবন্ধসমূহত উল্লিখিত প্ৰকাৰবোৰৰ কোনো এটা প্ৰকাৰে এটা তথ্য আনটোৰ সৈতে সংযুক্ত হয়।

**"বিবাদ্যক তথ্য"** বিবাদ্যক তথ্য অভিব্যক্তিয়ে নিম্নোক্তৰূপে বুজায় আৰু অন্তৰ্ভুক্ত কৰে – যি কোনো তথ্য যিটোৰ পৰা হয় স্বয়ং অথবা আন তথ্যৰ লগত সংযুক্ত হৈ কোনো বাদত বা কাৰ্য্যবাহীত দৃঢ়ভাৱে সমৰ্থিত বা অস্বীকৃত কোনো অধিকাৰ, দায়িত্ব বা অক্ষমতাৰ অস্তিত্ব বা অনস্তিত্ব প্ৰকৃতি বা বিস্তাৰ অৱশ্যম্ভাৱী ৰূপে হয়।

**স্পষ্টীকৰণ** – যেতিয়াই তৎসময় বলবৎ থকা কোনো বিধিৰ উপবন্ধসমূহৰ অধীনত, চিভিল প্ৰক্ৰিয়া সম্পৰ্কে কোনো ন্যায়ালয়ে কোনো বিবাদ্যক তথ্য অভিলিখিত কৰে, তেনেকুৱা বিবাদ্যকৰ উত্তৰত দৃঢ়ভাৱে সমৰ্থিত বা অস্বীকৃত হব লগা তথ্যটো এটা বিবাদ্যক তথ্য।

দৃষ্টান্ত

'খ'ৰ হত্যাৰ বাবে 'ক' অভিযুক্ত হৈছে।
তেওঁৰ বিচাৰত নিম্নোক্ত তথ্যবোৰ বিবাদ্যক হব পাৰে ঃ–
যে 'ক'ই 'খ'ৰ মৃত্যু ঘটাইছিল,
যে 'ক'ই 'খ'ৰ মৃত্যু ঘটাবলৈ অভিপ্ৰায় কৰিছিল।
যে 'ক'ই 'খ'ৰ পৰা গম্ভীৰ আৰু আচম্বিত প্ৰকোপন পাইছিল।
যিটো কাৰ্য্যই 'খ'ৰ মৃত্যু ঘটাইছিল, সেইটো কৰাৰ সময়ত বিকৃত মতিস্কৰ কাৰণে সেই কাৰ্য্যৰ প্ৰকৃতি জানিবলৈ 'ক' অসমৰ্থ আছিল।

**"দস্তাবেজ"** – "দস্তাবেজ" শব্দই আখৰ, অঙ্ক, বা চিহ্নৰ দ্বাৰা, বা সেইবোৰৰ এটাতকৈ অধিক উপায়েৰে কোনো পদাৰ্থৰ ওপৰত অভিব্যক্ত বা বৰ্ণিত কৰা এনে কোনো বিষয়ক বুজায় যিবোৰক সেই বিষয়টো অভিলিখিত কৰাৰ নিমিত্তে ব্যৱহৃত কৰাৰ অৰ্থে অভিপ্ৰায় কৰা হৈছিল বা ব্যৱহাৰ কৰিব পাৰি।

দৃষ্টান্ত

কোনো লিখন দস্তাবেজ।
ছপা কৰা, শিলামুদ্ৰিত কৰা বা আলোক চিহ্নিত কৰা শব্দাৱলী দস্তাবেজ।
কোনো মানচিত্ৰ বা নক্সা দস্তাবেজ।
এখন ধাতুৰ পাটত বা শিলত খোদিত লিখন দস্তাবেজ, কোনো ব্যঙ্গ চিত্ৰ এখন দস্তাবেজ।

"সাক্ষ্য" – "সাক্ষ্যই" নিম্নোক্তসমূহক বুজায় আৰু অন্তৰ্ভুক্ত কৰে –

(১) তদন্তাধীন তথ্যৰ বিষয় সম্পৰ্কত এনে সকলোবোৰ উক্তি, যিবোৰ ন্যায়ালয়ে ইয়াৰ সমক্ষত সাক্ষীৰ দ্বাৰা কৰিবলৈ অনুমতি দিয়ে বা কৰাটো অপেক্ষিত কৰে,
এনেকুৱা উক্তিবোৰক মৌখিক সাক্ষ্য বোলা হয় ;

[১][(২) ন্যায়ালয়ৰ পৰিদৰ্শনৰ বাবে উপস্থাপন কৰা ইলেকট্ৰ'নিক ৰেকৰ্ডক অন্তৰ্ভুক্ত কৰি সকলো দস্তাবেজ।] ;

---

১। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী IIৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

এনেকুৱা দস্তাৱেজক দস্তাৱেজী সাক্ষ্য বোলা হয়।

''প্ৰমাণিত'' – কোনো তথ্যক প্ৰমাণিত বুলি কোৱা হয়, যেতিয়া ন্যায়ালয়ে ইয়াৰ সমক্ষত থকা বিষয়বোৰ বিবেচনা কৰাৰ পাছত, হয় ইয়াৰ অস্তিত্ব থকা বুলি বিশ্বাস কৰে, অথবা ইয়াৰ অস্তিত্ব এনেকুৱা সম্ভাৱনীয় বুলি বিবেচনা কৰে যে বিশেষ বাদটোৰ পৰিস্থিতিৰ অধীনত প্ৰজ্ঞাবান ব্যক্তিয়ে ইয়াৰ অস্তিত্ব থকা বুলি ধৰি লৈ কাম কৰাটো উচিত।

''অপ্ৰমাণিত'' – কোনো তথ্যক অপ্ৰমাণিত বুলি কোৱা হয়, যেতিয়া ন্যায়ালয়ে ইয়াৰ সমক্ষত থকা বিষয়বোৰ বিবেচনা কৰাৰ পাছত, হয় ইয়াৰ অস্তিত্ব নথকা বুলি বিশ্বাস কৰে অথবা ইয়াৰ অস্তিত্ব নথকাটো এনেকুৱা সম্ভাৱনীয় বুলি বিবেচনা কৰে যে বিশেষ বাদটোৰ পৰিস্থিতিৰ অধীনত কোনো প্ৰজ্ঞাবান ব্যক্তিয়ে ইয়াৰ অস্তিত্ব নথকা বুলি ধৰি লৈ কাম কৰাটো উচিত।

''প্ৰমাণিত নোহোৱা'' – কোনো তথ্যক প্ৰমাণিত নোহোৱা বুলি কোৱা হয় যেতিয়া এইটো প্ৰমাণিত নহয় অথবা অপ্ৰমাণিতও নহয়।

''ভাৰত'' – [১] [ভাৰত মানে জম্মু আৰু কাশ্মীৰ ৰাজ্য ব্যতিৰেকে ভাৰতৰ ৰাজ্যক্ষেত্ৰক বুজায়।]

[২] [''প্ৰমানীকৰণ প্ৰাধিকৰণ'', [৩]''ইলেক্ট্ৰ'নিক চিগনেচাৰ'', ''ইলেক্ট্ৰ'নিক চিগনেচাৰ প্ৰমানপত্ৰ'', ''ইলেক্ট্ৰ'নিক প্ৰপত্ৰ'', ''ইলেক্ট্ৰ'নিক ৰেকৰ্ড'', ''তথ্য'', ''প্ৰতিভূত ইলেক্ট্ৰ'নিক ৰেকৰ্ড'', প্ৰতিভূত ডিজিটেল চিগনেচাৰ'', আৰু ''গ্ৰাহক'' পৰিভাষাৰ সংবাদ প্ৰযুক্তিবিজ্ঞান অধিনিয়ম, ২০০০ত সেইবোৰলৈ যথাক্ৰমে আৰোপিত কৰা দৰে অৰ্থ হব।]

৪। **''প্ৰাক্‌ধাৰণা কৰিব পাৰে''** – যেতিয়াই এই অধিনিয়মৰ দ্বাৰা এইটো উপবন্ধিত হয় যে ন্যায়ালয়ে কোনো তথ্যৰ প্ৰাক্‌ধাৰণা কৰিব পাৰে তেতিয়া যেতিয়ালৈকে আৰু যি পৰ্য্যন্ত তেনে তথ্য অপ্ৰমাণিত নহয় তেতিয়ালৈকে তাক প্ৰমাণিত বুলি ধৰি ল'ব পাৰে অথবা তাৰ ওপৰত প্ৰমাণ বিচাৰিব পাৰে ;

**''প্ৰাক্‌ধাৰণা কৰিব''** – যেতিয়াই এই অধিনিয়মৰ দ্বাৰা এইটো নিৰ্দ্দেশিত হয় যে ন্যায়ালয়ে কোনো তথ্যৰ প্ৰাক্‌ধাৰণা কৰিব তেতিয়া যেতিয়ালৈকে আৰু যি পৰ্য্যন্ত তেনে তথ্য অপ্ৰমাণিত নহয় তেতিয়ালৈকে তাক প্ৰমাণিত বুলি ধৰি লব।

**''নিশ্চায়ক প্ৰমাণ''** – যেতিয়া এই অধিনিয়মৰ দ্বাৰা এটা তথ্যক আন এটা তথ্যৰ নিশ্চায়ক প্ৰমাণ বুলি ঘোষিত কৰা হয় তেতিয়া ন্যায়ালয়ে এটা তথ্যৰ প্ৰমাণত আনটোকো প্ৰমাণিত বুলি ধৰি লব আৰু সেই তথ্যটো অপ্ৰমাণিত কৰাৰ উদ্দেশ্যে সাক্ষ্য দিবলৈ অনুমতি নিদিব।

## অধ্যায় – ২

## তথ্যবোৰৰ প্ৰাসঙ্গিকতাৰ বিষয়ে

৫। **বিবাদ্যক তথ্য আৰু প্ৰাসঙ্গিক তথ্যৰ সাক্ষ্য দিব পাৰে** – কোনো বাদ বা কাৰ্য্যবাহীত প্ৰতিটো বিবাদ্যক তথ্যৰ অস্তিত্ব বা অনস্তিত্বৰ বিষয়ে আৰু প্ৰাসঙ্গিক বুলি এতৎপশ্চাত ঘোষিত এনে আন তথ্যৰ বিষয়েহে, সাক্ষ্য দিব পাৰে আৰু কোনো অন্য বিষয়ে নহয়।

**স্পষ্টীকৰণ** – এই ধাৰাই কোনো ব্যক্তিক এনে কোনো তথ্যৰ সাক্ষ্য দিবৰ কাৰণে সক্ষম নকৰিব যিটো [৪]চিভিল প্ৰক্ৰিয়া সম্পৰ্কে তৎসময় বলবৎ থকা বিধিৰ কোনো উপবন্ধৰ দ্বাৰা প্ৰমাণ কৰিবলৈ তেওঁৰ হক্ ৰহিত কৰা হৈছে।

### দৃষ্টান্ত

(ক) 'খ' ৰ মৃত্যু ঘটাবৰ অভিপ্ৰায়েৰে তেওঁক লাঠীৰে কোবাই হত্যা কৰা বাবে 'ক' ৰ বিচাৰ হ'ল।

'ক' ৰ বিচাৰত তলত দিয়া তথ্যবোৰ বিবাদ্যক ঃ-

'ক' ই 'খ' ক লাঠীৰে কোবোৱাটো ;

তেনেকৈ কোবোৱাৰ দ্বাৰা 'ক' ই 'খ' ৰ মৃত্যু ঘটোৱা।

'খ' ৰ মৃত্যু ঘটাবলৈ 'ক' ৰ অভিপ্ৰায়।

(খ)এজন বাদীয়ে গোচৰটোৰ প্ৰথম শুনানীৰ দিনা তেওঁ নিৰ্ভৰ কৰা বন্ধপত্ৰখন লগত অনা নাই, আৰু সেইখন দাখিল দিবলৈ সাজু হৈ অহা নাই। [৪]চিভিল প্ৰক্ৰিয়া সংহিতাৰ দ্বাৰা বিহিত চৰ্তাৱলী অনুসৰি ব্যতিৰেকে এই ধাৰাটোৱে তেওঁক উক্ত কাৰ্য্যবাহীৰ পৰৱৰ্ত্তী কোনো পৰ্য্যায়ত সেই বন্ধপত্ৰখন উপস্থাপন কৰিবলৈ বা তাৰ অন্তৰ্বস্তুবোৰ প্ৰমাণ কৰিবলৈ সক্ষম নকৰে।

---

১। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা অন্তঃস্থাপিত কৰা 'ৰাজ্য' আৰু ৰাজ্যবোৰ'ৰ পৰিভাষাৰ স্থানত ১৯৫১ৰ ৩নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৬। **একেটা সংব্যৱহাৰৰ অংশীভূত তথ্যবোৰৰ প্ৰাসংগিকতা** – যিবোৰ তথ্য বিবাদ্যক নহয় অথচ বিবাদ্যক তথ্যৰ লগত একেটা সংব্যৱহাৰৰ অংশীভূতৰ দৰে সংযুক্ত হৈ থাকে, তেনে তথ্যবোৰ প্ৰাসংগিক, লাগিলে একে সময়তে আৰু একে স্থানতেই ঘটিত হওঁক বা বেলেগ সময়ত আৰু বেলেগ স্থানতেই ঘটিত হওঁক।

## দৃষ্টান্ত

(ক) 'খ' ক হত্যা কৰা বাবে 'ক' অভিযুক্ত হৈছে।

কোবোৱাৰ সময়ত অথবা সেই সংব্যৱহাৰৰ অংশীভূত হ'ব পৰাকৈ তাৰ অলপ পূৰ্বে বা পিছত 'ক' ই বা 'খ' ই বা ওচৰত থিয় হৈ থকা মানুহবোৰে যিহকে কৈছিল বা কৰিছিল সেয়া প্ৰাসংগিক তথ্য।

(খ) সম্পত্তি ধ্বংস কৰা, সৈন্য দলক আক্ৰমণ কৰা আৰু কাৰাগাৰ ভাঙি উন্মুক্ত কৰা এটা সশস্ত্ৰ বিদ্ৰোহত অংশ গ্ৰহণ কৰি [1][ভাৰত চৰকাৰ]ৰ বিৰুদ্ধে যুদ্ধ কৰাৰ কাৰণে 'ক' অভিযুক্ত হৈছে। 'ক' এই আটাইবোৰত উপস্থিত নাথাকিলেও যিহেতু এইবোৰ সাধাৰণ ভাবে একেটা সংব্যৱহাৰৰে অংশ গতিকে এইবোৰ তথ্য প্ৰাসংগিক।

(গ) 'ক' আৰু 'খ' ৰ মাজত বিনিময় হোৱা চিঠি পত্ৰৰ অংশীভূত এখন চিঠিত অন্তৰ্বিষ্ট অপবাদৰ বাবে 'ক' ই 'খ' ৰ ওপৰত বাদ তৰিলে। পক্ষদ্বয়ৰ মাজত বিষয়টোৰ ওপৰত বিনিময় হোৱা চিঠিবোৰ য'ৰ পৰা অপবাদটো উদ্ভৱ হৈছে আৰু এইটো অন্তৰ্বিষ্ট যিখন চিঠি ইয়াৰ অংশ বিশেষ, সেইবোৰত অপবাদটো নাথাকিলেও প্ৰাসংগিক তথ্য।

(ঘ) প্ৰশ্নটো হ'ল 'খ' ক যোগান ধৰিব দিয়া কিছুমান বস্তু 'ক' ক প্ৰদান কৰা হৈছিলনে নাই। বস্তুবোৰ কেইবাজনো মধ্যৱৰ্ত্তী ব্যক্তিক অনুক্ৰমে প্ৰদান কৰা হৈছিল। প্ৰত্যেকটো প্ৰদান কাৰ্য্যই একোটা প্ৰাসংগিক তথ্য।

৭। **যিবোৰ তথ্য বিবাদ্যক তথ্যৰ উপলক্ষ্য, কাৰণ বা পৰিণতি** – যিবোৰ তথ্য প্ৰাসংগিক তথ্য বা বিবাদ্যক তথ্যৰ অব্যৱহিত বা অন্য ধৰণে উপলক্ষ্য, কাৰণ বা পৰিণতি হয় অথবা যিবোৰে এনে বস্তুবোৰৰ অৱস্থা গঠন কৰে যিটোৰ অধীনত সেইবোৰ ঘটিছিল অথবা যিবোৰে সেইবোৰ ঘটোৱা বা সংব্যৱহাৰৰ সুবিধা দিছিল, তেনে তথ্যবোৰ প্ৰাসংগিক।

## দৃষ্টান্ত

(ক) প্ৰশ্নটো হ'ল 'ক' ই 'খ'ক লুণ্ঠন কৰিছিল নেকি ? লুণ্ঠনটো হোৱাৰ অলপ পূৰ্বে 'খ' ই লগত টকাবৈ এখন মেলালৈ গৈছিল আৰু তেওঁ অন্য ব্যক্তিক সেই টকাখিনি দেখুৱাইছিল বা তেওঁৰ লগত টকাখিনি থকা কথাটো উল্লেখ কৰিছিল। এই তথ্যখিনি প্ৰাসংগিক।

(খ) প্ৰশ্ন হ'ল 'ক' ই 'খ' ক হত্যা কৰিছিল নেকি ? যি ঠাইত হত্যাকাণ্ডটো সংঘটিত হৈছিল তাত বা তাৰ ওচৰে পাজৰে যুঁজবাগৰৰ ফলত মাটিত হোৱা চিহ্নবোৰ প্ৰাসংগিক তথ্য।

(গ) প্ৰশ্ন হ'ল 'ক' ই 'খ'ক বিহ দিছিল নেকি ? বিহৰ বাবে উৎপন্ন হোৱা বুলি কোৱা লক্ষণবোৰ পূৰ্বে 'খ' ৰ স্বাস্থ্যৰ অৱস্থা আৰু বিহ প্ৰয়োগত সুবিধাজনক হ'বৰ পৰা 'ক' ৰ অৱগত 'খ' ৰ কোনো অভ্যাস প্ৰাসংগিক তথ্য।

৮। **হেতু, প্ৰস্তুতি আৰু পূৰ্ব্বৱৰ্ত্তী বা পৰৱৰ্ত্তী আচৰণ** :– যি তথ্যই কোনো বিবাদ্যক তথ্য বা প্ৰাসংগিক তথ্যৰ কোনো হেতু বা প্ৰস্তুতি দৰ্শিত কৰে বা গঠিত কৰে তেনে তথ্য প্ৰাসংগিক।

কোনো বাদ বা কাৰ্য্যবাহীৰ কোনো পক্ষৰ, বা কোনো পক্ষৰ অভিকৰ্ত্তাৰ সেই বাদ বা কাৰ্য্যবাহীৰ প্ৰসংগত, বা তাত থকা কোনো বিবাদ্যক তথ্য বা তাৰ বাবে প্ৰাসংগিক তথ্যৰ সম্পৰ্কত কোনো আচৰণ আৰু কোনো কাৰ্য্যবাহীৰ বিষয়বস্তু হোৱা কোনো অপৰাধ যাৰ বিৰুদ্ধে থাকে, তেনে কোনো ব্যক্তিৰ আচৰণ প্ৰাসংগিক, যদি এনে আচৰণে কোনো বিবাদ্যক তথ্য বা প্ৰাসংগিক তথ্যক প্ৰভাৱান্বিত কৰে বা তাৰ দ্বাৰা আচৰণটো প্ৰভাৱান্বিত হব লাগে ই তাৰ পূৰ্ব্ববৰ্ত্তীয়ে হওঁক বা পৰবৰ্ত্তীয়ে হওঁক।

**স্পষ্টীকৰণ ১** – এই ধাৰাটোত থকা ''আচৰণ'' শব্দটোৱে উক্তিবোৰক অন্তৰ্ভুক্ত নকৰে, যদিহে সেই উক্তিবোৰ সেই উক্তিবোৰৰ বাহিৰে অন্য কাৰ্য্যবোৰৰ লগত নাথাকে আৰু তাক স্পষ্ট কৰি নিদিয়ে, কিন্তু এই স্পষ্টীকৰণটো এই অধিনিয়মৰ অন্য ধাৰাৰ অধীনৰ উক্তিবোৰৰ প্ৰাসংগিকতাৰ ওপৰত প্ৰভাৱ পেলাবৰ বাবে নহয়।

**স্পষ্টীকৰণ ২** – যেতিয়া কোনো ব্যক্তিৰ আচৰণ প্ৰাসংগিক হয়, তেতিয়া তেওঁৰ বাবে বা তেওঁৰ উপস্থিতিত আৰু তেওঁ শুনাকৈ কৰা এনে উক্তি যিয়ে এনে ধৰণৰ আচৰণৰ ওপৰত প্ৰভাৱ পেলায় তেনে উক্তি প্ৰাসংগিক।

---

১। 'মহাৰাণী' ৰ পৰিৱৰ্ত্তে বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

দৃষ্টান্ত

(ক) 'খ' ৰ হত্যাৰ বাবে 'ক' ৰ বিচাৰ কৰা হ'ল। 'ক' ই যে 'গ' ক হত্যা কৰিছিল, 'ক'ই 'গ'ক হত্যা কৰা বুলি 'খ'ই যে জানিছিল আৰু 'খ' ই যে তেওঁ জনা কথাটো জনাজাত কৰি দিব বুলি ভাবুকি দি বলেৰে 'ক' ৰ পৰা টকা আদায় কৰিবলৈ যত্ন কৰিছিল এই তথ্যবোৰ প্ৰাসঙ্গিক।

(খ) টকা আদায়ৰ বাবে বন্ধপত্ৰ এখনৰ ওপৰত 'ক' ই 'খ' ৰ ওপৰত বাদ তৰিছে। 'খ' ই বন্ধপত্ৰ কৰা কথাটো অস্বীকাৰ কৰিছে।

যিটো সময়ত বন্ধপত্ৰখন সম্পাদন কৰা বুলি অভিকথিত হৈছে সেই সময়ত কোনো এটা বিশেষ কাৰণত 'খ' ৰ টকাৰ আৱশ্যক হৈছিল এই তথ্য প্ৰাসঙ্গিক।

(গ) বিহৰ দ্বাৰা 'খ' ক হত্যা কৰাৰ বাবে 'ক' ৰ বিচাৰ হৈছে। যি বিহ 'খ'ক প্ৰয়োগ কৰা হৈছিল তদনুৰূপ বিহ 'গ' ৰ মৃত্যুৰ পূৰ্ব্বে ক ই সংগ্ৰহ কৰিছিল এই তথ্য প্ৰাসঙ্গিক।

(ঘ) প্ৰশ্নটো হ'ল কোনো এখন নিৰ্দ্দিষ্ট দস্তাবেজ 'ক' ৰ ইচ্ছাপত্ৰ হয়নে নহয় ?

অভিকথিত ইচ্ছাপত্ৰখনৰ তাৰিখৰ অনতিপূৰ্ব্বে অভিকথিত ইচ্ছাপত্ৰখনৰ উপবন্ধবোৰৰ সম্পৰ্কীয় বিষয়ৰ সম্পৰ্কে 'ক' ই যে অনুসন্ধান কৰিছিল, তেওঁ যে ইচ্ছাপত্ৰখন কৰাৰ বিষয়ে উকীলৰ লগত পৰামৰ্শ কৰিছিল আৰু যে তেওঁ অন্য ইচ্ছাপত্ৰৰ খচৰা প্ৰস্তুত কৰাইছিল, যিবোৰ তেওঁ অনুমোদন নকৰিলে এই তথ্যবোৰ প্ৰাসঙ্গিক।

(ঙ) কোনো অপৰাধত 'ক' অভিযুক্ত হৈছে। অপৰাধটো কৰাৰ পূৰ্ব্বে বা কৰাৰ সময়ত বা তাৰ পাছত 'ক' ই যে মামলাটোৰ তথ্যবোৰ তেওঁৰ অনুকূলজনক বুলি প্ৰত্যয় নিয়াব বিচৰা সাক্ষ্যৰ ব্যৱস্থা কৰিছিল, নাইবা সাক্ষ্য নষ্ট বা গোপন কৰিছিল অথবা সাক্ষী হ'ব পৰা ব্যক্তিৰ উপস্থিতিত বাধা দিছিল বা অনুপস্থিতি ঘটাইছিল, অথবা সেই সম্পৰ্কত মিছা সাক্ষ্য দিয়াৰ অৰ্থে লোকক উৎকোচ দিছিল এই তথ্যবোৰ প্ৰাসঙ্গিক।

(চ) প্ৰশ্নটো হ'ল 'ক' ই 'খ' ক লুণ্ঠন কৰিছিলনে ?

'খ' লুণ্ঠিত হোৱাৰ পিছত 'ক' ৰ উপস্থিতিত 'গ' ই কৈছিল 'খ' ক লুণ্ঠন কৰা মানুহজনক বিচাৰি পুলিচ আহি আছে, আৰু তাৰ অব্যৱহিত পিছতেই 'ক' পলাই গ'ল এই তথ্যটো প্ৰাসঙ্গিক।

(ছ) প্ৰশ্নটো হ'ল 'ক' ই 'খ' ক ১০,০০০ টকা দিব লগা আছে নেকি ?

'ক' ই যে 'গ' ক টকা ধাৰে খুজিছিল আৰু 'ঘ' ই যে 'ক' ৰ উপস্থিতিত আৰু শুনাকৈ 'গ' ক কৈছিল "মই তোমাক 'ক' ক বিশ্বাস নকৰিবলৈ কওঁ, কাৰণ তেওঁ 'খ' কো ১০,০০০ টকা দিব আছে" আৰু 'ক' ই যে কোনো উত্তৰ নিদিয়াকৈ গুচি আহিছিল এই তথ্যবোৰ প্ৰাসঙ্গিক তথ্য।

(জ) প্ৰশ্নটো হ'ল 'ক' ই কোনো অপৰাধ কৰিছিল নেকি ? অপৰাধীজনৰ বাবে এটা তদন্ত হ'ব ধৰিছে বুলি সতৰ্ক কৰি দিয়া এখন চিঠি পাই 'ক' পলাই গ'ল এই তথ্যটো আৰু চিঠিখনৰ অন্তৰ্বস্তুখিনি প্ৰাসঙ্গিক।

(ঝ) 'ক' এটা অপৰাধত অভিযুক্ত হৈছে। অভিকথিত অপৰাধটো সংঘটিত হোৱাৰ পিছত তেওঁ পলাই গৈছিল, বা সেই অপৰাধৰ দ্বাৰা অৰ্জিত সম্পত্তি বা সম্পত্তিৰ আগম তেওঁৰ দখলত আছিল বা তেওঁ যিবোৰ বস্তু এই অপৰাধটো কৰোতে ব্যৱহাৰ কৰিছিল বা কৰিব পৰা গ'লহেঁতেন সেই বস্তুবোৰ লুকুৱাবৰ প্ৰচেষ্টা কৰিছিল, এই তথ্যবোৰ প্ৰাসঙ্গিক।

(ঞ) প্ৰশ্নটো হ'ল 'ক' ক বলাৎকাৰ কৰা হৈছিল নেকি ?

অভিকথিত ধৰ্ষণৰ অলপ পিছতেই যে অপৰাধটো সম্পৰ্কে তেওঁ যে এটা গোচৰ দিছিল, যি পৰিস্থিতিৰ অধীনত আৰু যি শব্দাৱলীৰে তেওঁ গোচৰটো দিছিল সেই তথ্যবোৰ প্ৰাসঙ্গিক।

যদি কোনো গোচৰ নিদিয়াকৈয়ে তেওঁ ক'লেহেঁতেন যে তেওঁক বলাৎকাৰ কৰা হৈছে তেনেহলে আচৰণ হিচাবে এই তথ্যটো এই ধাৰাৰ অধীনত প্ৰাসঙ্গিক নহয়।

যদিও ই ধাৰা ৩২ৰ খণ্ড ১ৰ অধীনত মৃত্যুকালীন উক্তি হিচাবে, বা

ধাৰা ১৫৭ৰ অধীনত সম্পোষক সাক্ষ্য হিচাবে ই প্ৰাসঙ্গিক হ'ব পাৰে।

(ট) প্ৰশ্নটো হ'ল 'ক' ক লুণ্ঠিত কৰা হৈছিল নেকি ?

অভিকথিত লুণ্ঠনৰ অলপ পিছতেই অপৰাধটো সম্পৰ্কে তেওঁ যে এটা গোচৰ দিছিল, যি পৰিস্থিতিৰ অধীনত আৰু যি শব্দাৱলীৰে তেওঁ গোচৰটো দিছিল সেই তথ্যবোৰ প্ৰাসঙ্গিক।

তথ্যটো যে কোনো গোচৰ নিদিয়াকৈয়ে তেওঁ কৈছিল যে তেওঁ লুণ্ঠিত হৈছিল আচৰণ হিচাবে এই তথ্যটো প্ৰাসঙ্গিক নহয়।

যদিও ই ধাৰা ৩২ৰ খণ্ড (১)ৰ অধীনত মৃত্যুকালীন উক্তি হিচাবে, বা

ধাৰা ১৫৭ৰ অধীনত সম্পোষক সাক্ষ্য হিচাবে ই প্ৰাসঙ্গিক হ'ব পাৰে।

৯। প্ৰাসঙ্গিক তথ্যবোৰৰ স্পষ্টীকৰণ বা উপস্থাপনৰ বাবে প্ৰয়োজনীয় তথ্য –যিবোৰ তথ্য কোনো বিবাদ্যক তথ্য বা প্ৰাসঙ্গিক তথ্য স্পষ্ট কৰাৰ অৰ্থে বা উপস্থাপনৰ অৰ্থে প্ৰয়োজনীয় বা যিবোৰ তথ্যই বিবাদ্যক তথ্য বা প্ৰাসঙ্গিক তথ্যৰ দ্বাৰা দিয়া কোনো ইঙ্গিতৰ অনুমান সমৰ্থন কৰে বা খণ্ডন কৰে, অথবা কোনো বস্তু বা ব্যক্তিৰ পৰিচয় স্থাপন কৰে যিবোৰৰ পৰিচয় প্ৰাসঙ্গিক, অথবা এটা বিবাদ্যক তথ্য বা প্ৰাসঙ্গিক তথ্যৰ ঘটনা ঘটাৰ সময় বা স্থান নিৰূপণ কৰে, নাইবা তেনে এটা তথ্য সংব্যৱহৃত কৰা পক্ষবিলাকৰ সম্পৰ্ক দেখুৱায়, তেনেবোৰ তথ্য যতদূৰ সেই উদ্দেশ্যে আৱশ্যক, প্ৰাসঙ্গিক হয়।

## দৃষ্টান্ত

(ক) প্ৰশ্নটো হ'ল কোনো এখন নিৰ্দিষ্ট দস্তাৱেজ 'ক' ৰ ইচ্ছাপত্ৰ হয়নে নহয়।

অভিকথিত ইচ্ছাপত্ৰখনৰ তাৰিখত 'ক'ৰ সম্পত্তি আৰু তেওঁৰ পৰিয়ালৰ অৱস্থা প্ৰাসঙ্গিক তথ্য হ'ব পাৰে।

(খ) 'ক'ৰ প্ৰতি নিন্দনীয় আচৰণ আৰোপ কৰি অপবাদ লিখনৰ বাবে 'ক'ই 'খ'ৰ ওপৰত মোকৰ্দ্দমা কৰিলে, 'খ'ই অপবাদকৰ বুলি অভিকথিত কথাটো সঁচা বুলি প্ৰতিজ্ঞাত কৰিছে।

অপবাদ লিখন প্ৰকাশিত কৰাৰ সময়ত পক্ষবিলাকৰ সামাজিক প্ৰতিষ্ঠা আৰু সম্পৰ্কটো বিবাদ্যক তথ্যৰ প্ৰস্তাৱনা অৱতাৰণা হিচাবে প্ৰাসঙ্গিক তথ্য হ'ব পাৰে।

অভিকথিত অপবাদ লিখনৰ লগত অসংযুক্ত কোনো বিষয়ৰ বাবে 'ক' আৰু 'খ'ৰ মাজত লগা বিবাদৰ বিৱৰণবোৰ অপ্ৰাসঙ্গিক যদিও এই তথ্যটো প্ৰাসঙ্গিক হব পাৰে, যদিহে ই এনে এটা বিবাদ আছিল যি 'ক' আৰু 'খ'ৰ মাজৰ সম্বন্ধত প্ৰভাৱ পেলাইছিল।

(গ) এটা অপৰাধত 'ক' অভিযুক্ত হৈছে।

অপৰাধটো সংঘটিত হোৱাৰ অনতিপলমে 'ক'ই তেওঁৰ ঘৰৰ পৰা পলাই গৈছিল, এই তথ্যটো বিবাদ্যক তথ্যৰ পৰৱৰ্ত্তী আৰু তাৰ দ্বাৰা প্ৰভাৱিত আচৰণ হিচাবে ধাৰা ৮ৰ অধীনত প্ৰাসঙ্গিক।

তেওঁ ঘৰ এৰি যোৱাৰ সময়ত তেওঁ যোৱা ঠাইত তেওঁৰ আচম্বিত আৰু জৰুৰী কাম আছিল এই তথ্যটো তেওঁ হঠাৎ ঘৰ এৰি যোৱা তথ্যক স্পষ্ট কৰা হিচাবে প্ৰাসঙ্গিক।

কামটো যে আচম্বিত আৰু জৰুৰী আছিল ঠিক এইখিনি বুজাবলৈ যিমানখিনি প্ৰয়োজন তাৰ ব্যতিৰেকে তেওঁ ঘৰ এৰি যাব লগা হোৱা কামৰ বিৱৰণবোৰ প্ৰাসঙ্গিক নহয়।

(ঘ) 'ক'ৰ লগত হোৱা এটা সেৱা সংবিদা ভঙ্গ কৰিবলৈ 'গ'ক উৎপ্ৰেৰণা দিয়াৰ বাবে 'ক'ই 'খ'ৰ ওপৰত বাদ তৰিলে। 'গ'ই 'ক'ৰ সেৱা বাদ দি 'ক'ক কলে ''মই আপোনাক এৰিলো কাৰণ 'খ'ই ইয়াতকৈ ভাল প্ৰস্তাৱ মোক দিছে''। বিবাদ্যক তথ্য হিচাবে প্ৰাসঙ্গিক হোৱা 'গ'ৰ আচৰণ স্পষ্ট কৰাৰ বাবে কৰা এই উক্তিটো প্ৰাসঙ্গিক।

(ঙ) চুৰি কৰা বুলি অভিযুক্ত 'ক'ই চোৰাইমালখিনি 'খ'ক দিয়া আৰু 'খ'ই সেইবোৰ 'ক'ৰ ঘৈণীয়েকক দিয়া দেখা গ'ল। সেইবোৰ দিওঁতে 'খ'ই কলে 'ক'ই এইবোৰ আপোনাক লুকাই থ'ব কৈছে''। 'খ'ৰ উক্তিটো তেনে কোনো তথ্যৰ স্পষ্টীকাৰক বুলি প্ৰাসঙ্গিক যিটো এই সংব্যৱহাৰটোৰ কোনো অংশ।

(চ) হাঙ্গাঁমা কৰা বুলি 'ক'ৰ বিচাৰ হৈছে আৰু উশৃঙ্খল জনতাৰ লগত আগভাগ লৈ যোৱা বুলি প্ৰমাণিত হৈছে। সংব্যৱহাৰটোৰ প্ৰকৃতিৰ স্পষ্টকাৰীক হিচাবে উশৃঙ্খল জনতাৰ চিঞৰ বাখৰবোৰ প্ৰাসঙ্গিক।

১০। ষড়যন্ত্ৰকাৰীয়ে উমৈহতীয়া অভিসন্ধিৰ সন্দৰ্ভত কোৱা কথা বা কৰা কাম –যেতিয়া দুজন বা ততোধিক ব্যক্তিয়ে কোনো অপৰাধ বা অভিযোজ্য দোষ কৰিবলৈ একেলগে ষড়যন্ত্ৰ কৰিছে বুলি বিশ্বাস কৰিবলৈ যুক্তিযুক্ত কাৰণ থাকে তেনে ক্ষেত্ৰত তেওঁলোকৰ যিকোনো এজনে এনে ধৰণৰ উমৈহতীয়া অভিপ্ৰায় পোষণ কৰাৰ পিছত তেনেকুৱা ষড়যন্ত্ৰ কৰা বুলি বিশ্বাস কৰা প্ৰতিজন ব্যক্তিৰ বিৰুদ্ধে তথা লগতে সেই ষড়যন্ত্ৰটোৰ অস্তিত্ব প্ৰমাণ কৰাৰ অৰ্থে আৰু এনে কোনো ব্যক্তি যে তাত পক্ষ আছিল তাক দৰ্শাবৰ উদ্দেশ্যে তেওঁলোকৰ উমৈহতীয়া অভিপ্ৰায়ৰ সন্দৰ্ভত যি কোনো এনে ব্যক্তিৰ দ্বাৰা যিবিলাক কথিত, কৃত বা লিখিত হয় সেইবোৰ প্ৰাসঙ্গিক তথ্য।

## দৃষ্টান্ত

[১] [ ভাৰত চৰকাৰ ] ৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ কৰা এটা ষড়যন্ত্ৰত 'ক'ই যোগদান কৰিছিল বুলি বিশ্বাস কৰিবৰ যুক্তিযুক্ত কাৰণ আছে।

ষড়যন্ত্ৰটোৰ উদ্দেশ্যে 'খ' ই যে ইউৰোপত অস্ত্ৰ যোগাৰ কৰিছিল, একেধৰণৰ উদ্দেশ্যে 'গ' ই যে কলিকতাত টকা সংগ্ৰহ কৰিছিল, 'ঘ' ই যে ষড়যন্ত্ৰটোত যোগদান কৰিবলৈ লোকসকলক প্ৰণোদিত কৰাইছিল, 'ঙ' ই যে আগ্ৰাত সেই অভীষ্ট উদ্দেশ্যটো সমৰ্থন কৰি লিখনসমূহ প্ৰকাশ কৰিছিল আৰু 'চ'ই যে 'গ'ই কলিকতাত সংগ্ৰহ কৰা টকা দিল্লীৰ পৰা কাবুলত থকা 'ছ' লৈ পঠিয়াইছিল আৰু ষড়যন্ত্ৰটোৰ বিৱৰণটো দি 'জ' ই লিখা কোনো চিঠিৰ অন্তৰ্বস্তু এই আটাইবোৰ তথ্যৰ প্ৰত্যেকটোৱেই ষড়যন্ত্ৰটোৰ অস্তিত্ব প্ৰমাণ কৰিবলৈ আৰু তাত 'ক' ৰ সহ অপৰাধিতা প্ৰমাণ কৰিবলৈ

১১। কেতিয়া অন্যথা প্ৰাসঙ্গিক নোহোৱা তথ্য প্ৰাসঙ্গিক হয় – অন্যথা প্ৰাসঙ্গিক নোহোৱা তথ্যবোৰ প্ৰাসঙ্গিক হ'ব পাৰে –

(১) যদি সেইবিলাক বিবাদ্যক তথ্য বা প্ৰাসঙ্গিক তথ্যৰ লগত অসঙ্গত হয়।

(২) যদি সেইবোৰ নিজেই বা অন্য তথ্যৰ সংযোগত কোনো বিবাদ্যক তথ্য বা প্ৰাসঙ্গিক তথ্যৰ অস্তিত্ব বা অনস্তিত্ব অত্যন্ত সম্ভাব্য বা অসম্ভাব্য কৰি তোলে।

**দৃষ্টান্ত**

(ক) প্ৰশ্নটো হ'ল কোনো এক নিৰ্দ্দিষ্ট দিনত 'ক'ই কলিকতাত এটা অপৰাধ কৰিছিল নেকি ?

সেইদিনাখন যে 'ক' লাহোৰত আছিল এই তথ্যটো প্ৰাসঙ্গিক।

অপৰাধটো সংঘটিত হোৱাৰ ওচৰা ওচৰি সময়ত 'ক' ঘটনাটো সংঘটিত হোৱা ঠাইৰ পৰা ইমান দূৰৈত আছিল যে, তেওঁ যে তাক সংঘটিত কৰিছিল এইটো অসম্ভৱ নহলেও অত্যন্ত অসম্ভাব্য আছিল, এই তথ্যটো প্ৰাসঙ্গিক ।

(খ) প্ৰশ্নটো হ'ল 'ক'ই এটা অপৰাধ কৰিছিল নেকি ?

পৰিস্থিতিটো এনেকুৱা যে 'ক' 'খ' 'গ' 'ঘ'ৰ ভিতৰত যি কোনো এজনে অপৰাধটো নিশ্চয় কৰিছে। অন্য কোনেও যে অপৰাধটো কৰিব নোৱাৰে আৰু 'খ' 'গ' বা 'ঘ'ই যে সেইটো কৰা নাই সেইটো দেখুওঁৱা প্ৰত্যেকটো তথ্যই প্ৰাসঙ্গিক।

**১২। ক্ষতিপূৰণৰ বাবে কৰা বাদত ন্যায়ালয়ক ক্ষতিৰ পৰিমাণ নিৰূপণ কৰিবলৈ সমৰ্থবান কৰাৰ প্ৰৱণতা থকা তথ্যবোৰ প্ৰাসঙ্গিক** – যিবোৰ বাদত ক্ষতিপূৰণ দাবী কৰা হয়, তেনে বাদত ক্ষতিপূৰণ যি পৰিমাণে অধিনিৰ্ণীত হোৱা উচিত, সেইটো নিৰূপণ কৰিবলৈ ন্যায়ালয়ক সমৰ্থবান কৰিব পৰা যি কোনো তথ্য প্ৰাসঙ্গিক।

**১৩। যেতিয়া অধিকাৰ বা প্ৰথা প্ৰশ্নগত হয় তেনে তথ্যবোৰ প্ৰাসঙ্গিক** – য'ত প্ৰশ্নটো কোনো অধিকাৰ বা প্ৰথাৰ অস্তিত্বৰ বিষয়ে হয় নিম্নোক্ত তথ্যবোৰ প্ৰাসঙ্গিক, –

(ক) কোনো সংব্যৱহাৰ, যাৰ দ্বাৰা প্ৰশ্নগত অধিকাৰ বা প্ৰথা সৃষ্টি কৰা, দাবী কৰা, সালসলনি কৰা, স্বীকৃতি দিয়া, দৃঢ়তাৰে দাবী কৰা বা অস্বীকাৰ কৰা হৈছিল বা যিটো অস্তিত্বৰ লগত অসঙ্গত আছিল,

(খ) এনে বিশিষ্ট উদাহৰণবোৰ, যিবোৰত অধিকাৰ বা প্ৰথা দাবী কৰা হৈছিল, স্বীকৃতি দিয়া হৈছিল, বা প্ৰয়োগ কৰা হৈছিল, বা যিবোৰত ইয়াৰ প্ৰয়োগ বিবাদিত আছিল, দৃঢ়তাৰে দাবী কৰা হৈছিল বা তাৰ পৰা আতৰি যোৱা হৈছিল।

**দৃষ্টান্ত**

প্ৰশ্নটো হ'ল এটা মীন মহলত 'ক'ৰ অধিকাৰ আছে নে নাই ?

'ক'ৰ পূৰ্ব্বপুৰুষসকলক মীন মহলটো প্ৰদান কৰা এখন দলিল 'ক'ৰ পিতাকৰ দ্বাৰা মীনমহলটোৰ বন্ধক, পৰৱৰ্ত্তী কালত 'ক'ৰ পিতাকৰ দ্বাৰা সেই বন্ধকটোৰ লগত সঙ্গতি বিহীন ভাবে কৰা মীন মহলটোৰ অনুদান, বিশিষ্ট উদাহৰণবোৰ য'ত মীনমহলটোৰ ওপৰত 'ক'ৰ পিতাকে অধিকাৰ প্ৰয়োগ কৰিছিল, বা য'ত ওচৰ চুবুৰীয়াৰ দ্বাৰা তেনে অধিকাৰ প্ৰয়োগ বন্ধ কৰা হৈছিল, সেইবোৰ প্ৰাসঙ্গিক তথ্য।

**১৪। মন বা দেহৰ অৱস্থা বা দৈহিক অনুভূতিৰ অস্তিত্ব দেখুওঁৱা তথ্যবোৰ প্ৰাসঙ্গিক** – মনৰ অৱস্থাৰ অস্তিত্ব দেখুৱা তথ্যবোৰ যেনে অভিপ্ৰায়, জ্ঞান, সৰল বিশ্বাস, অৱহেলা, ঔদ্ধত্য, কোনো বিশিষ্ট ব্যক্তিৰ প্ৰতি থকা বিদ্বেষ বা শুভেচ্ছা, অথবা কোনো দেহৰ অৱস্থা বা দৈহিক অনুভূতিৰ অস্তিত্ব প্ৰাসঙ্গিক যেতিয়া এনে মনৰ বা দেহৰ অৱস্থা বা দৈহিক অনুভূতিৰ অস্তিত্ব বিবাদ্যক বা প্ৰাসঙ্গিক হয়।

[1][**স্পষ্টীকৰণ ১**– এটা প্ৰাসঙ্গিক মনৰ অৱস্থা দেখুওৱা হিচাবে প্ৰাসঙ্গিক হোৱা তথ্য এটাই মনৰ অৱস্থাটো, সাধাৰণ ভাবে নহয়, কিন্তু বিশিষ্ট প্ৰশ্নাধীন বিষয়ৰ সম্পৰ্কত থাকে বুলি দেখুৱাৰ লাগিব।

**স্পষ্টীকৰণ ২**– কিন্তু য'ত এটা অপৰাধত অভিযুক্ত এজন ব্যক্তিৰ বিচাৰত, সেই অভিযুক্ত ব্যক্তিজনে পূৰ্ব্বে কৰা এটা অপৰাধ এই ধাৰাটোৰ অৰ্থত প্ৰাসঙ্গিক হয়, তেতিয়া তেনে ব্যক্তিৰ পূৰ্ব্ব দোষী সাব্যস্তকৰণ প্ৰাসঙ্গিক তথ্য হ'ব।]

**দৃষ্টান্ত**

(ক) চুৰি কৰি অনা বুলি জানিও চোৰাইমাল ৰখা বাবে 'ক' অভিযুক্ত। এইটো প্ৰমাণিত হ'ল যে এটা বিশেষ চুৰি বস্তু তেওঁৰ দখলত আছিল।

সেই একে সময়তে, আন বহুতো চুৰি বস্তু যে তেওঁৰ দখলত আছিল এই তথ্যটো, তেওঁৰ দখলত থকা প্ৰত্যেকটো আৰু গোটেইখিনি বস্তুৰেই যে চুৰি বস্তু এই কথাটো তেওঁ জানিছিল বুলি দেখুৱাৰ বিচাৰত, প্ৰাসঙ্গিক তথ্য।

---

১। মূল স্পষ্টীকৰণৰ অনুকূলন পৰিৱৰ্ত্তে ১৮৯১ ৰ অধিনিয়ম ৩ ৰ ধাৰা ১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

[1][(খ) দিবৰ সময়ত জাল মুদ্ৰা বুলি জানিও আন এজন ব্যক্তিক প্ৰতাৰণামূলকভাবে জাল মুদ্ৰা দিয়াৰ বাবে 'ক' অভিযুক্ত হৈছে। সেইটো দিবৰ সময়ত 'ক'ই যে আন কেইবাটাও জাল মুদ্ৰা ৰাখিছিল এই তথ্যটো প্ৰাসঙ্গিক।

জাল মুদ্ৰা বুলি জানিও অন্য এজন ব্যক্তিক আচল বুলি কৈ জাল মুদ্ৰা দিয়াৰ বাবে পূৰ্ব্বেও 'ক' যে দণ্ডিত হৈছিল এই তথ্যটো প্ৰাসঙ্গিক।]

(গ) 'খ'ৰ কুকুৰটোৱে, যিটোক 'খ' য়ো হিংস্ৰ বুলি জানিছিল, কৰা এটা ক্ষতিৰ বাবে 'ক'ই 'খ'ৰ ওপৰত বাদ কৰিলে।

কুকুৰটোৱে যে পূৰ্ব্বেও 'ত' 'ম' আৰু 'ন' ক কামুৰিছিল তেওঁলোকে যে তাৰ বাবে 'খ'ক অভিযোগ দিছিল এই তথ্যবোৰ প্ৰাসঙ্গিক।

(ঘ) প্ৰশ্নটো হ'ল বিনিময় পত্ৰ এখনৰ প্ৰতিগ্ৰহীতা 'ক' ই প্ৰাপকৰ নামটো যে কাল্পনিক আছিল তাক জানিছিল নে নাই।

যদি প্ৰাপকজন প্ৰকৃত ব্যক্তিও হয় তেনেহ'লে সেই প্ৰাপকে তেওঁলৈ সেইবোৰ পঠিয়াই দিয়াৰ আগতেই সেই একে ধৰণে লিখিত বিনিময় পত্ৰ যে 'ক'ই প্ৰতি গ্ৰহণ কৰিছিল- এই তথ্যটো প্ৰাপকজন যে এজন কাল্পনিক ব্যক্তি বুলি জানে এই কথাটো দেখুওৱাৰ বাবে প্ৰাসঙ্গিক।

(ঙ) 'খ'ৰ সুনাম নষ্ট কৰাৰ অভিপ্ৰায়ে প্ৰকাশ কৰা এটা অপবাদৰ বাবে 'খ'ৰ মানহানি কৰা বুলি 'ক' অভিযুক্ত হ'ল।

'খ'ৰ প্ৰতি 'ক'ৰ বিদ্বেষ থকাটো দৰ্শাই 'ক'ই 'খ'ৰ সম্পৰ্কত পূৰ্ব্বে কৰা প্ৰকাশনসমূহ প্ৰাসঙ্গিক তথ্য যিহেতু প্ৰশ্নগত তথ্যটো বিশেষ প্ৰকাশৰ দ্বাৰা 'খ'ৰ সুনাম নষ্ট কৰিবলৈ 'ক'ৰ অভিপ্ৰায়টো সেইবোৰে প্ৰমাণ কৰে।

'ক' আৰু 'খ'ৰ মাজত যে পূৰ্ব্বৰ কোনো কাজিয়া নাছিল আৰু 'ক'ই যে তেওঁ শুনা মতেহে গোচৰ তৰা বিষয়টো দোহাৰিছিল এই তথ্যবোৰ 'ক'ই যে 'খ'ৰ সুনাম নষ্ট কৰিবলৈ অভিপ্ৰায় কৰা নাছিল সেইটো দেখুৱাবলৈ প্ৰাসঙ্গিক।

(চ) 'গ' শোধক্ষম মানুহ বুলি প্ৰতাৰণামূলক ভাবে 'ক'ই 'খ'ক নিবেদন কৰাত, দেউলীয়া 'গ'ক বিশ্বাস কৰিবলৈ উৎপ্ৰেৰিত হৈ 'খ'ই লোকচান ভৰিছিল। সেইবাবে 'ক'ৰ ওপৰত 'খ'ই বাদ কৰিলে।

যি সময়ত 'ক'ই 'গ'ক শোধক্ষম বুলি নিবেদন কৰিছিল, তেতিয়া 'গ'ক যে তেওঁৰ ওচৰচুবুৰীয়া বা তেওঁৰ লগত লেনদেন কৰা মানুহবোৰৰ দ্বাৰা শোধক্ষম বুলি ধৰি লোৱা হৈছিল এই তথ্য 'ক'ই সৰল বিশ্বাসত সেইদৰে কৈছিল তাক দৰ্শাবলৈ প্ৰাসঙ্গিক।

(ছ) যিটো ঘৰৰ মালিক 'ক' সেই ঘৰটোত ঠিকাদাৰ 'গ'ৰ আদেশ মতে 'খ'ই কৰা কামৰ মূল্যৰ বাবে 'খ'ই 'ক'ৰ ওপৰত বাদ কৰিছে।

'ক'ৰ জবাব হ'ল যে 'খ'ৰ সংবিদা 'গ'ৰ লগতহে আছিল। প্ৰশ্নগত কামটোৰ বাবে 'ক'ই যে 'গ'ক টকা দিছিল এই তথ্যটো 'ক'ই সৰল বিশ্বাসত 'গ'ক প্ৰশ্নগত কামটো পৰিচালনা কৰিব দিছিল যাতে 'গ'ই নিজৰ ববীয়াকৈ, আৰু 'ক'ৰ অভিকৰ্তা হিচাপে নহয়, 'খ'ৰ লগত সংবিদা কৰিব পাৰে, এইটো প্ৰমাণ কৰাৰ বাবে প্ৰাসঙ্গিক।

(জ) 'ক'ই যি সম্পত্তি পাইছিল তাক অসৎভাবে আত্মসাৎ কৰা বুলি 'ক' অভিযুক্ত হৈছে আৰু প্ৰশ্নটো হ'ল যে যেতিয়া তেওঁ ইয়াক বিনিয়োজন কৰে তেতিয়া তেওঁ সৰল বিশ্বাসত প্ৰকৃত মালিকজনক পোৱা নাযায় বুলি জানিছিল নে নাই।

'ক' থকা ঠাইত সম্পত্তিটো হেৰোৱা বুলি লোকসূচনা যে দিয়া হৈছিল এই তথ্যটো 'ক'ই যে সৰল বিশ্বাসত সম্পত্তিটোৰ প্ৰকৃত মালিকক পোৱা নাযাব বুলি ভবা নাছিল সেইটো দেখুওৱাৰ বাবে প্ৰাসঙ্গিক।

সূচনাখন যে সম্পত্তিটো হেৰোৱা শুনি আৰু তাৰ ওপৰত এটা মিছা দাবী কৰিবলৈ ইচ্ছা কৰি 'গ'ই প্ৰতাৰণামূলকভাবে দিছিল, সেই কথাটো যে 'ক'ই জানিছিল, বা বিশ্বাস কৰিবৰ কাৰণ আছিল, এই তথ্য প্ৰাসঙ্গিক যিহেতু এইটোৱে দৰ্শাই যে 'ক'ই সূচনাখনৰ কথা যে জানিছিল, এই তথ্যটোৱে 'ক'ৰ সৰল বিশ্বাসটো অপ্ৰমাণিত নকৰে।

(ঝ) হত্যা কৰাৰ অভিপ্ৰায়েৰে 'খ'লৈ গুলী চলোৱা বুলি 'ক'ৰ প্ৰতি আৰোপ কৰা হৈছে। 'ক'ৰ অভিপ্ৰায়টো দেখুৱাবৰ বাবে 'ক'ই যে পূৰ্ব্বেও 'খ'লৈ গুলীয়াইছিল এই তথ্যটো প্ৰমাণিত কৰিব পাৰে।

(ঞ) 'খ'লৈ ভাবুকি দি চিঠি দিয়াৰ বাবে 'ক'ৰ প্ৰতি আৰোপ কৰা হৈছে। 'ক'ৰ চিঠিবোৰৰ অভিপ্ৰায় দেখুৱাবৰ বাবে 'ক'ই 'খ'লৈ পূৰ্ব্বে ভাবুকি দি দিয়া চিঠিবোৰ প্ৰমাণ কৰিব পাৰে।

(ট) প্ৰশ্নটো হ'ল 'ক'ই তেওঁৰ ঘৈণীয়েক 'খ'ৰ প্ৰতি কৰা নিষ্ঠুৰতাৰ বাবে 'ক' দোষী হয়নে নহয়।

অভিকথিত নিষ্ঠুৰতাৰ অলপ আগত বা পিচত তেওঁলোকৰ ইজনে সিজনৰ প্ৰতি কৰা অনুভূতিৰ অভিব্যক্তিবোৰ প্ৰাসঙ্গিক তথ্য।

(ঠ) প্ৰশ্নটো হ'ল 'ক'ৰ মৃত্যু বিহৰ দ্বাৰা ঘটোৱা হৈছিল নেকি ?

---

১। মূল দৃষ্টান্ত (খ)ৰ পৰিৱৰ্ত্তে ১৮৯১ৰ অধিনিয়ম ৩ৰ ধাৰা ১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

তেওঁৰ অসুস্থতাৰ সময়চোৱাত তেওঁৰ লক্ষণবোৰৰ সম্পৰ্কে 'ক'ই কৰা উক্তিবোৰ প্ৰাসঙ্গিক তথ্য।

(ঙ) প্ৰশ্নটো হ'ল জীৱন বীমা এটা কৰাৰ সময়ত 'ক'ৰ স্বাস্থ্যৰ অৱস্থা কি আছিল।

প্ৰশ্নগত সময়ত বা তাৰ ওচৰা ওচৰি সময়ত তেওঁৰ স্বাস্থ্যৰ অৱস্থা সম্পৰ্কে 'ক'ই দিয়া উক্তিবোৰ প্ৰাসঙ্গিক তথ্য।

(চ) যুক্তিযুক্ত ভাবে ব্যৱহাৰৰ উপযোগী নোহোৱা গাড়ী এখন ভাড়ালৈ দিয়াৰ ফলত 'ক' আহত হৈছিল, 'ক'ই 'খ'ৰ ওপৰত অসাৱধানতাৰ বাবে বাদ কৰিছে।

সেই বিশেষ গাড়ীখনৰ ত্ৰুটিৰ প্ৰতি আন সময়তো যে 'খ'ৰ মনোযোগ আকৰ্ষিত কৰা হৈছিল– এই তথ্যবোৰ প্ৰাসঙ্গিক।

তেওঁ ভাৰাত দিয়া সেই গাড়ীবোৰৰ প্ৰতি 'খ'যে অভ্যাসগত ভাবে অসাৱধান এই তথ্যটো অপ্ৰাসঙ্গিক।

(ণ) ইচ্ছাপূৰ্ব্বক 'খ'ক গুলীয়াই হত্যা কৰা বাবে 'ক'ৰ বিচাৰ হৈছে।

আন সময়তো যে 'ক'ই 'খ'লৈ গুলী মাৰিছিল – এই তথ্যটো 'খ'ক গুলী কৰিবলৈ কৰা অভিপ্ৰায়টো দেখুওঁৱাৰ বাবে প্ৰাসঙ্গিক।

মানুহক হত্যা কৰাৰ উদ্দেশ্যে গুলী কৰাটো যে 'ক'ৰ অভ্যাস এই তথ্যটো অপ্ৰাসঙ্গিক।

(ত) এটা অপৰাধৰ বাবে 'ক'ৰ বিচাৰ কৰা হৈছে।

সেই বিশেষ অপৰাধটো কৰা অভিপ্ৰায়টো সূচাই তেওঁ কোৱা কথাখিনি প্ৰাসঙ্গিক।

সেই শ্ৰেণীৰ অপৰাধ কৰাৰ সাধাৰণ প্ৰবৃত্তিসূচক তেওঁ যে কিবা কৈছিল সেই তথ্যটো প্ৰাসঙ্গিক।

**১৫। কাৰ্য্যটো আকস্মিক নে অভিপ্ৰেত আছিল এনেকুৱা প্ৰশ্নৰ লগত যোগসূত্ৰ থকা তথ্যবোৰ** – যেতিয়া এটা প্ৰশ্ন হয় যে এটা কাৰ্য্য আকস্মিক নে অভিপ্ৰেত [1][ বা বিশেষ জ্ঞানেৰে বা অভিপ্ৰায়েৰে কৃত হৈছে ] তেতিয়া সেই কাৰ্য্য যে অনুৰূপ ঘটনাৱলীৰ অংশ আছিল যাৰ প্ৰত্যেকতে সেই কাৰ্য্য কৰা ব্যক্তিজন সংশ্লিষ্ট আছিল, সেই তথ্য প্ৰাসঙ্গিক।

**দৃষ্টান্ত**

(ক) ধন অভিপ্ৰাপ্ত কৰিবৰ কাৰণে তেওঁৰ নিজা ঘৰটো যিটোৰ বাবে বীমা কৰা হৈছিল সেইটো পুৰি পেলোৱাৰ বাবে 'ক'ৰ ওপৰত অভিযোগ কৰা হৈছে।

'ক'ই যে এটাৰ পিছত এটাকৈ কেইবাটাও ঘৰত বাস কৰিছিল, আৰু প্ৰত্যেকটো ঘৰৰেই যে তেওঁ বীমা কৰিছিল, 'খ'ৰ প্ৰত্যেকটো ঘৰতে জুই লাগিছিল আৰু জুই লগাৰ পিছতেই 'ক'ই যে বিভিন্ন বীমা কাৰ্য্যালয়ৰ পৰা টকা পাইছিল, এই তথ্যসমূহ জুই লগাটো যে আকস্মিক নাছিল এইটো দেখুৱাবলৈ বিচৰাৰ বাবে প্ৰাসঙ্গিক।

(খ) 'খ'ৰ ধৰুৱাবোৰৰ পৰা টকা লবলৈ 'ক'ক নিয়োজিত কৰা হৈছে। তেওঁৰ দ্বাৰা প্ৰাপ্ত ধনৰ পৰিমাণবোৰ দেখুৱাই এখন বহীত প্ৰবিষ্টি কৰাটো 'ক'ৰ কৰ্ত্তব্য। বিশেষ এবাৰত তেওঁ প্ৰকৃততে পোৱা ধনতকৈ কম লোৱা দেখুৱাই প্ৰবিষ্টি কৰে।

প্ৰশ্নটো হ'ল এই মিছা প্ৰবিষ্টিটো আকস্মিক আছিল নে অভিপ্ৰেত আছিল।

'ক'ৰ দ্বাৰা কৃত একেটা বহীৰ আন প্ৰবিষ্টিবোৰ যে মিছা আৰু যে মিছা প্ৰবিষ্টিবোৰ 'ক'ৰ অনুকূলে, এনে তথ্যবোৰ প্ৰাসঙ্গিক।

(গ) 'খ'ৰ প্ৰতাৰণামূলকভাৱে এটা জাল টকা প্ৰদান কৰা বাবে 'ক' অভিযুক্ত হৈছে।

প্ৰশ্নটো হৈছে টকাটোৰ প্ৰদানটো আকস্মিক ধৰণৰ আছিল নেকি, 'খ'ক টকা দিয়াৰ অলপ আগেয়ে বা অলপ পিছত 'ক'ই যে 'গ' 'ঘ' আৰু 'ঙ' কো জাল টকা প্ৰদান কৰিছিল এই তথ্যবোৰ 'খ'ক দিয়াটো যে আকস্মিক নাছিল এইটো দেখুওঁৱাৰ বাবে প্ৰাসঙ্গিক।

**১৬। কোনো কাৰ্য্য অনুক্ৰমৰ অস্তিত্ব কেতিয়া প্ৰাসঙ্গিক** – যেতিয়া এটা বিশেষ কাৰ্য্য কৰা হৈছিল নে নাই বুলি প্ৰশ্ন হয় যিটো কাৰ্য্যৰ অনুক্ৰমৰ অস্তিত্ব অনুসৰি এইটো স্বাভাৱিকতে কৰা হ'লহেঁতেন তেতিয়া এইটো এটা প্ৰাসঙ্গিক তথ্য।

**দৃষ্টান্ত**

(ক) প্ৰশ্নটো হ'ল কোনো এখন নিৰ্দ্দিষ্ট চিঠি পঠোৱা হৈছিলনে নাই।

ডাকঘৰলৈ নিবলগীয়া সকলোবোৰ চিঠি এক নিৰ্দ্দিষ্ট স্থানত থোৱাটো এটা যে কাৰ্য্যৰ সাধাৰণ অনুক্ৰম আৰু সেই নিৰ্দ্দিষ্ট চিঠিখনো যে সেই ঠাইত থোৱা হৈছিল এই তথ্যবোৰ প্ৰাসঙ্গিক।

---

১। ১৮৯১ৰ ৩নং অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

(খ) প্ৰশ্নটো হ'ল যে এখন বিশেষ চিঠি 'ক'ৰ ওচৰ পাইছিল নে নাই। এইখন যে সম্যক অনুক্ৰমত ডাকত দিয়া হৈছিল আৰু পুনঃ প্ৰেৰণ কেন্দ্ৰৰ জৰিয়তে তাক ফিৰাই দিয়া নাই, এই তথ্যবোৰ প্ৰাসঙ্গিক।

## স্বীকৃতি

১৭। **স্বীকৃতি পৰিভাষিত –** স্বীকৃতি হৈছে [১]মৌখিক বা দস্তাবেজী বা ইলেকট্ৰ'নিক প্ৰপত্ৰত সন্নিবিষ্ট হোৱা উক্তি, যিটোৱে কোনো এটা বিবাদ্যক তথ্য বা প্ৰাসঙ্গিক তথ্য সম্পৰ্কে কোনো অনুমানৰ ইঙ্গিত দিয়ে আৰু যিটো এনে ব্যক্তি সকলৰ যিকোনো এজনৰ দ্বাৰা আৰু এনে পৰিস্থিতিৰ অধীনত কৰা হয় যিবোৰ এতৎপশ্চাৎ উল্লিখিত।

১৮। **স্বীকৃতি কোনো কাৰ্য্যবাহীৰ পক্ষ বা তেওঁৰ অভিকৰ্ত্তাৰ দ্বাৰা –** সেই বিলাক উক্তি স্বীকৃতি যিবিলাক কোনো এটা কাৰ্য্যবাহীৰ কোনো পক্ষৰ দ্বাৰা, বা এনে কোনো পক্ষৰ অভিকৰ্ত্তাৰ দ্বাৰা, কৰা হয় যাক গোচৰটোৰ পৰিস্থিতিবোৰৰ অধীনত তেওঁক অভিব্যক্তভাবে বা বিবক্ষিতভাবে সেইবোৰ কৰিবলৈ প্ৰাধিকৃত কৰা বুলি ন্যায়ালয়ে মান্য কৰে।

**প্ৰতিনিধিমূলক ভূমিকাৰ বাদকাৰীৰ দ্বাৰা –** প্ৰতিনিধিমূলক ভূমিকাৰে যি বাদ কৰে বা যাৰ ওপৰত বাদ কৰা হয় সেই বাদৰ পক্ষসমূহৰ দ্বাৰা কৃত উক্তি সমূহ স্বীকৃতি নহয় যদিহে উক্তি কৰা পক্ষটোৱে যেতিয়া সেইবোৰ কৰিছিল তেনে ভূমিকা লোৱা নাছিল।

এনে ব্যক্তিসকলৰ দ্বাৰা কৰা উক্তিবোৰ স্বীকৃতি হয় –

(১) **বিষয়বস্তুৰ লগত স্বাৰ্থান্বিত পক্ষৰ দ্বাৰা –** যিবোৰ ব্যক্তিৰ কোনো কাৰ্য্যবাহীত বিষয়বস্তুৰ মালিকী বা আৰ্থিক স্বাৰ্থ আছে, আৰু যি সকলে তেওঁলোকৰ তেনে স্বাৰ্থান্বিত ব্যক্তিসকলৰ ভূমিকাৰে সেই উক্তিবোৰ কৰে, অথবা,

(২) **যাৰ পৰা স্বাৰ্থ ব্যুৎপন্ন হয়, তেনে ব্যক্তিৰ দ্বাৰা –** যি সকল ব্যক্তিৰ পৰা বাদটোৰ পক্ষবিলাকৰ বাদটোৰ বিষয়বস্তুত স্বাৰ্থৰ ব্যুৎপন্ন হয় তেনে ব্যক্তিসকলৰ দ্বাৰা কৰা উক্তিবোৰ যদি সেইবোৰ সেই ব্যক্তি সকলৰ স্বাৰ্থ চলি থকা সময়ৰ ভিতৰতে কৰা হয়।

১৯। **যিবোৰ ব্যক্তিৰ স্থিতি বাদৰ পক্ষৰ বিৰুদ্ধে বুলি প্ৰমাণ কৰিবলৈ লাগিব তেনে ব্যক্তি সকলৰ দ্বাৰা স্বীকৃতি –** বাদৰ যি কোনো পক্ষৰ বিৰুদ্ধে যিবোৰ ব্যক্তিৰ স্থিতি বা দায়িত্ব প্ৰমাণ কৰাটো আৱশ্যক তেনেবোৰ ব্যক্তিয়ে কৰা উক্তিবোৰ স্বীকৃতি, যদি তেওঁলোকৰ দ্বাৰা বা তেওঁলোকৰ বিৰুদ্ধে হোৱা এটা বাদত তেনে উক্তিবোৰ তেনে ব্যক্তিৰ বিৰুদ্ধে তেনে স্থিতি বা দায়িত্ব সম্পৰ্কে তেনে ব্যক্তিৰ বিৰুদ্ধে প্ৰাসঙ্গিক হ'লহেঁতেন আৰু যদি সেইবোৰ যি সময়ত কৰা হয়, সেই সময়ত তেনে উক্তি কৰা ব্যক্তিজনে তেনে স্থান দখল কৰি থাকে বা তেনে দায়িত্বাধীন হৈ থাকে।

## দৃষ্টান্ত

'ক'ই 'খ'ৰ হকে ভাড়া সংগ্ৰহ কৰে।

'গ'ই 'খ'ক দিবলগীয়া ভাড়া সংগ্ৰহ নকৰা বাবে 'খ'ই 'ক'ৰ ওপৰত বাদ কৰে।

'গ'ই 'খ'ক ভাড়া দিব থকাটো 'ক'ই অস্বীকাৰ কৰিছে। তেওঁ 'খ'ক ভাড়া দিবলগা আছিল বুলি 'গ'ই কৰা উক্তিটো এটা স্বীকৃতি, আৰু যদি 'ক'ই অস্বীকাৰ কৰে যে 'গ'ই 'খ'ক ভাড়া দিব আছে তেন্তে এইটো 'ক'ৰ বিৰুদ্ধে এটা প্ৰাসঙ্গিক তথ্য।

২০। **বাদৰ পক্ষৰ দ্বাৰা অভিব্যক্তভাবে নিৰ্দিষ্ট ব্যক্তিৰ দ্বাৰা স্বীকৃতি –** সেই উক্তিবোৰ যিবিলাক এনেকুৱা ব্যক্তিৰ দ্বাৰা কৰা হৈছে যাক বাদৰ কোনো পক্ষই বিবাদিত কোনো বিষয় সম্পৰ্কে সংবাদৰ বাবে অভিব্যক্তভাবে নিৰ্দিষ্ট কৰিছে, সেইবোৰ স্বীকৃতি।

## দৃষ্টান্ত

প্ৰশ্নটো হ'ল 'ক'ই 'খ'ক বিক্ৰী কৰা ঘোঁৰা এটা সুস্থ হয়নে নহয়। 'ক'ই 'খ'ক কলে " – 'গ'ক সোধাগৈ, 'গ'ই ইয়াৰ বিষয়ে সকলো জানে "। 'গ'ৰ উক্তিটো এটা স্বীকৃতি।

২১। **স্বীকৃতিকাৰী ব্যক্তিসকলৰ বিৰুদ্ধে আৰু তেওঁলোকৰ দ্বাৰা বা তেওঁলোকৰ হকে কৰা স্বীকৃতিৰ প্ৰমাণ –** স্বীকৃতিবোৰ প্ৰাসঙ্গিক, আৰু যি ব্যক্তি জনে স্বীকাৰ কৰে তেওঁৰ স্বাৰ্থৰ প্ৰতিনিধিৰ বিৰুদ্ধে প্ৰমাণিত হব পাৰে; কিন্তু তলত দিয়া ক্ষেত্ৰৰ ব্যতিৰেকে আন ক্ষেত্ৰত সেইবোৰ যি বা যাৰ হকে কৰা হয়, তেনে ব্যক্তিয়ে বা তেওঁৰ সেই স্বাৰ্থৰ প্ৰতিনিধিয়ে প্ৰমাণিত কৰিব নোৱাৰে :-

(১) স্বীকৃতিকাৰী ব্যক্তিজনৰ দ্বাৰা বা তেওঁৰ হকে এনে স্বীকৃতি প্ৰমাণ কৰিব পাৰি, যেতিয়া এইটো এনে প্ৰকৃতিৰ হয় যে যদি স্বীকৃতিকাৰী ব্যক্তিজন মৃত হ'লহেঁতেন তেনেহলে ধাৰা ৩২ৰ অধীনত তৃতীয় ব্যক্তি সকলৰ মাজত এইটো প্ৰাসঙ্গিক হ'লহেঁতেন।

---

১। ২০০০ ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা "মৌখিক বা দস্তাবেজী" শব্দৰ স্থানত প্ৰতিষ্ঠাপিত। (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

(২) স্বীকৃতিকাৰী ব্যক্তিজনৰ দ্বাৰা বা তেওঁৰ হকে স্বীকৃতি প্ৰমাণ কৰিব পাৰি, যেতিয়া ই প্ৰাসঙ্গিক বা বিবাদ্যক কোনো মানসিক বা শাৰীৰিক অৱস্থাৰ অস্তিত্বৰ, সেই সময়ত বা সেই সময়ৰ আগে পিছে যেতিয়া তেনে মানসিক বা শাৰীৰিক অৱস্থা আছিল, উক্তি সন্নিবিষ্ট কৰে, আৰু যদি সেই উক্তিটোৰ লগত উক্তি কৰোতাজনৰ আচৰণে সেইটোৰ অসত্যতা অসম্ভাব্য কৰে।

(৩) এটা স্বীকৃতি, যদি স্বীকৃতি হিচাবে হোৱাৰ বাহিৰে অন্যথা প্ৰাসঙ্গিক হয়, তেনেহলে তাক স্বীকৃতিকাৰীজনৰ দ্বাৰা বা তেওঁৰ হকে প্ৰমাণ কৰিব পাৰি।

### দৃষ্টান্ত

(ক) 'ক' আৰু 'খ'ৰ মাজৰ প্ৰশ্নটো হল, এখন নিৰ্দ্দিষ্ট দলিল জাল হয় নে নহয়। 'ক'ই দৃঢ়ভাবে কয় যে এইখন আচল দলিল আৰু 'খ'ই কয় যে এইখন জাল।

এই দলিলখন আচল বুলি 'খ'ই দিয়া এটা উক্তি 'ক'ই, আৰু দলিলখন জাল বুলি 'ক'ই দিয়া এটা উক্তি 'খ'ই প্ৰমাণ কৰিব পাৰে, কিন্তু 'ক'ই নিজে দলিলখন আচল বুলি দিয়া এটা উক্তি তেওঁ প্ৰমাণ ক্ৰিব নোৱাৰে বা 'খ'য়ো নিজে দলিলখন জাল বুলি তেওঁ দিয়া এটা উক্তি প্ৰমাণ কৰিব নোৱাৰে।

(খ) এখন জাহাজৰ কেপ্টেইন 'ক'ৰ জাহাজখন আতৰাই নিয়াৰ বাবে বিচাৰ কৰা হৈছে।

জাহাজখন যে প্ৰকৃত গতিপথৰ পৰা আতৰাই নিয়া হৈছিল এইটো দেখুৱাবলৈ সাক্ষ্য দিয়া হ'ল।

প্ৰতিদিনে তেওঁৰ দ্বাৰা কৃত বুলি অভিকথিত পৰ্য্যবেক্ষণবোৰ দেখুৱাই আৰু জাহাজখন যে প্ৰকৃত গতিপথৰ পৰা আতৰাই নিয়া হোৱা নাছিল, সেইটো বুজাই 'ক'ই তেওঁৰ কামৰ সাধাৰণ অনুক্ৰমত লগত ৰখা বহী এখন দাখিল কৰিলে। 'ক'ই এই উক্তিবোৰ প্ৰমাণ কৰিব পাৰে, কাৰণ তেওঁৰ যদি মৃত্যু হ'লহেঁতেন তেনেহলে ধাৰা ৩২ৰ খণ্ড (২)ৰ অধীনত সেইবোৰ তৃতীয় পক্ষবোৰৰ মাজত গ্ৰহনীয় হ'লহেঁতেন।

(গ) কলিকতাত তেওঁ কৰা এটা অপৰাধৰ বাবে 'ক' অভিযুক্ত হৈছে।

সেইদিনা তেওঁ নিজে লিখা আৰু লাহোৰত তাৰিখ দিয়া আৰু লাহোৰ ডাকঘৰৰ সেই দিনৰ চিহ্ন সম্বলিত এখন চিঠি দাখিল কৰিলে।

চিঠিখনৰ তাৰিখৰ ওপৰত দিয়া উক্তিটো গ্ৰহনীয়, কাৰণ যদি 'ক' মৃত হ'লহেঁতেন তেন্তে সেইখন ধাৰা ৩২ৰ খণ্ড (২)ৰ অধীনত গ্ৰহনীয় হ'লহেঁতেন।

(ঘ) চুৰি বস্তু বুলি জানিও চুৰি বস্তু ৰখা 'ক' অভিযুক্ত হ'ল। তেওঁ এইটো প্ৰমাণ কৰিবলৈ প্ৰস্তাৱ কৰিছে যে তেওঁ সেইবোৰৰ মূল্যতকৈ কমত বিক্ৰী কৰিবলৈ অস্বীকাৰ কৰিছিল।

'ক'ই এই উক্তিবোৰ প্ৰমাণ কৰিব পাৰে, যদিও সেইবোৰ স্বীকৃতি, কাৰণ সেইবোৰ বিবাদ্যক তথ্যৰ দ্বাৰা প্ৰভাৱিত হোৱা আচৰণৰ স্পষ্টীকাৰক।

(ঙ) জাল বুলি জানিও জাল মুদ্ৰা প্ৰতাৰণামূলকভাবে তেওঁৰ লগত ৰখা বাবে 'ক' অভিযুক্ত হৈছে।

তেওঁ এইটো প্ৰমাণ কৰিবলৈ বিচাৰিছে যে তেওঁ এজন নিপুণ ব্যক্তিক মুদ্ৰাটো পৰীক্ষা কৰিবলৈ কৈছিল কিয়নো এইটো জাল হয় নে নহয় তেওঁ সন্দেহ কৰিছিল আৰু সেই ব্যক্তিজনে এইটো পৰীক্ষা কৰিছিল আৰু আচল আছিল বুলি তেওঁক কৈছিল।

অন্তিম পূৰ্ব্ববৰ্ত্তী দৃষ্টান্তটোত দিয়া যুক্তিৰ বাবে 'ক' ই এই তথ্যটো প্ৰমাণ কৰিব পাৰে।

২২। **দস্তাৱেজৰ অৰ্ন্তবস্তু সম্পৰ্কে কৰা মৌখিক স্বীকৃতি কেতিয়া প্ৰাসঙ্গিক হয়** – দস্তাৱেজৰ অৰ্ন্তবস্তু প্ৰমাণ কৰিব খোজা কোনো পক্ষই ইয়াৰ পিছত থকা নিয়ম অনুসৰি এনে দস্তাৱেজৰ অৰ্ন্তবস্তুৰ বিষয়ে গৌণ সাক্ষ্য দিবলৈ তেওঁ হক্‌দাৰ বুলি নেদেখুওঁৱা পৰ্য্যন্ত, বা দাখিল কৰা দস্তাৱেজ এখনৰ অকৃত্ৰিমতাৰ বিষয়ে প্ৰশ্ন নুঠা পৰ্য্যন্ত এখন দস্তাৱেজৰ অৰ্ন্তবস্তুৰ বিষয়ে কৰা মৌখিক স্বীকৃতিবোৰ প্ৰাসঙ্গিক নহয়।

[১][২২ক। **ইলেকট্ৰ'নিক ৰেকৰ্ডৰ অৰ্ন্তবস্তু সম্পৰ্কে মৌখিক স্বীকৃতি কেতিয়া প্ৰাসঙ্গিক হয়** – দাখিল কৰা ইলেকট্ৰ'নিক ৰেকৰ্ড এটাৰ অকৃত্ৰিমতাৰ বিষয়ে প্ৰশ্ন নুঠা পৰ্য্যন্ত ইলেকট্ৰ'নিক ৰেকৰ্ডৰ অৰ্ন্তবস্তুৰ বিষয়ে কৰা মৌখিক স্বীকৃতিবোৰ প্ৰাসঙ্গিক নহয়।]

২৩। **চিভিল গোচৰত স্বীকৃতি কেতিয়া প্ৰাসঙ্গিক** – চিভিল গোচৰত কোনো স্বীকৃতি প্ৰাসঙ্গিক নহয়, যদিহে ইয়াক অভিব্যক্ত চৰ্তত কৰা হৈছে যে ইয়াৰ সাক্ষ্য দিয়া নহব বা এনে পৰিস্থিতিৰ অধীনত কৰা হৈছে যিবোৰৰ পৰা ন্যায়ালয়ে অনুমান কৰিব পাৰে যে পক্ষগণ এই কথাত সম্মত হৈছিল যে ইয়াৰ সাক্ষ্য দিয়া নহব।

**স্পষ্টীকৰণ** – ধাৰা ১২৬ৰ অধীনত কোনো ব্যাৰিষ্টাৰ, অধিবক্তা, ন্যায়বাদী বা উকীল এজনে যি বিষয়ত সাক্ষ্য দিবলৈ বাধ্য হব পাৰে এই ধাৰাৰ কোনো কথাই তেওঁলোকক তাৰ পৰা ৰেহাই দিয়া বুলি ধৰিব নালাগিব।

---

১। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২৪। **দাণ্ডিক কাৰ্য্যবাহীত উৎপ্ৰেৰণা, ভাবুকি প্ৰতিশ্ৰুতিৰ দ্বাৰা কৰোৱা স্বীকাৰোক্তি কেতিয়া অপ্ৰাসঙ্গিক হয়** – অভিযুক্ত ব্যক্তিৰ দ্বাৰা কৃত এনে কোনো স্বীকাৰোক্তি দাণ্ডিক কাৰ্য্যবাহীত অপ্ৰাসঙ্গিক হয় যদি সেই স্বীকাৰোক্তি কোনো প্ৰাধিকাৰ সম্পন্ন ব্যক্তিৰ পৰা অহা কোনো উৎপ্ৰেৰণা, ভাবুকি বা প্ৰতিশ্ৰুতিৰ [1]দ্বাৰা সেই অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে হোৱা অভিযোগৰ সম্পৰ্কত কৰোৱা হৈছে বুলি ন্যায়ালয়ৰ আগত প্ৰতীত হয় আৰু যিটোৱে ন্যায়ালয়ৰ অভিমত মতে অভিযুক্ত ব্যক্তিজনে এনে অনুমান কৰিবৰ বাবে যুক্তিযুক্ত বুলি প্ৰতীত হোৱা আধাৰ প্ৰদান কৰা বুলি পৰ্য্যাপ্ত হয় যে তেনে স্বীকাৰোক্তি কৰিলে তেওঁৰ বিৰুদ্ধে চলা কাৰ্য্যবাহীৰ সম্পৰ্কত তেওঁ কিবা সুবিধা পাব বা ঐহিক অমঙ্গলৰ পৰা হাত সাৰিব পাৰিব।

২৫। **আৰক্ষী পদাধিকাৰীৰ আগত কৰা স্বীকাৰোক্তি প্ৰমাণিত নহব** - কোনো [2] আৰক্ষী পদাধিকাৰীৰ আগত কৰা স্বীকাৰোক্তি কোনো অপৰাধত অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে প্ৰমাণিত নহব।

২৬। **আৰক্ষীৰ অভিৰক্ষাত থকোতে অভিযুক্তই কৰা স্বীকাৰোক্তি তেওঁৰ বিৰুদ্ধে প্ৰমাণিত নহব** – কোনো আৰক্ষী পদাধিকাৰীৰ অভিৰক্ষাত থাকোতে কোনো ব্যক্তিয়ে কৰা স্বীকাৰোক্তি তেনে ব্যক্তিৰ বিৰুদ্ধে প্ৰমাণিত নহব, যদিহে সেইটো [3] কোনো দণ্ডাধীশৰ
১৮৮২ ৰ ১০ সাক্ষাৎ উপস্থিতিত কৰা নহয়।

[4][**স্পষ্টীকৰণ** – এই ধাৰাটোত 'দণ্ডাধীশে' চেন্ট জৰ্জ ফৰ্টৰ প্ৰেচিডেন্সীত বা [5] [XXX] অন্য ঠাইত দণ্ডাধীশৰ কৃত্যসমূহ নিৰ্বহন কৰা গ্ৰাম প্ৰধানজনক অন্তৰ্ভুক্ত নকৰে, যদিহে তেনে প্ৰধানজন দণ্ড প্ৰক্ৰিয়া সংহিতা ১৮৮২,ৰ [6] ১৮৮২ৰ ১০অধীনত দণ্ডাধীশৰ ক্ষমতা প্ৰয়োগ কৰা দণ্ডাধীশ নহয়।]

২৭। **অভিযুক্তৰ পৰা পোৱা কিমানখিনি সংবাদ প্ৰমাণিত কৰিব পাৰি** – পৰন্তু, যেতিয়া আৰক্ষী পদাধিকাৰীৰ দ্বাৰা অভিৰক্ষাত থকা কোনো অপৰাধত অভিযুক্ত ব্যক্তিৰ পৰা পোৱা সংবাদৰ পৰিণাম স্বৰূপে উদঘাটিত বুলি কোনো তথ্যৰ অভিসাক্ষ্য দিয়া হয়, তেতিয়া তাৰ দ্বাৰা উদঘাটিত তথ্যটোৰ লগত স্পষ্টভাবে সম্পৰ্ক থকা ঠিক সিমানখিনি সংবাদ প্ৰমাণিত কৰিব পাৰি, লাগে ই স্বীকাৰোক্তি পৰ্য্যায়ৰ হওঁক বা নহওঁক।

২৮। **উৎপ্ৰেৰণা, ভাবুকি, বা প্ৰতিশ্ৰুতিৰ দ্বাৰা সৃষ্টি কৰা মনোভাৱ আতৰোৱাৰ পিছত কৰা স্বীকাৰোক্তি প্ৰাসঙ্গিক** – যদি ধাৰা ২৪ত নিৰ্দ্দিষ্ট তেনে কোনো স্বীকাৰোক্তি, তেনে কোনো উৎপ্ৰেৰণা, ভাবুকি, বা প্ৰতিশ্ৰুতিৰ দ্বাৰা সৃষ্টি কৰা মনোভাৱ, ন্যায়ালয়ৰ অভিমতত, সম্পূৰ্ণভাবে আঁতৰোৱাৰ পিছত কৰা হয়, তেন্তে সেইটো প্ৰাসঙ্গিক।

২৯। **স্বীকাৰোক্তি অন্যথা প্ৰাসঙ্গিক হলে গোপনীয়তা আদিৰ কাৰণে থকা প্ৰতিশ্ৰুতিৰ বাবে অপ্ৰাসঙ্গিক নহয়**– যদি এনে স্বীকাৰোক্তি অন্যথা প্ৰাসঙ্গিক হয়, মাত্ৰ এইটো কাৰণে যে গোপনীয়তাৰ প্ৰতিশ্ৰুতিৰ অধীনত তাক কৰা হৈছিল বা এইটো প্ৰাপ্ত কৰিবৰ উদ্দেশ্যে অভিযুক্ত ব্যক্তিজনৰ ওপৰত কৰা এটা প্ৰতাৰণাৰ পৰিণামত কৰা হৈছিল, বা যেতিয়া তেওঁ মাতাল হৈ আছিল, বা কাৰণ এইটো তেওঁ উত্তৰ দিয়াৰ আৱশ্যকতা নথকা তেনে প্ৰশ্নবোৰৰ উত্তৰত সেই প্ৰশ্নবোৰৰ ধৰণ যেনেকুৱাই নহওঁক, কৰা হৈছিল বা তেওঁ যে তেনে স্বীকাৰোক্তি কৰিবলৈ বাধ্য নহয় আৰু সেইটো সাক্ষ্য যে তেওঁৰ বিৰুদ্ধে দিয়া হ'ব পাৰে এইটো সাৱধান কৰি দিয়া হোৱা নাছিল সেইবোৰৰ বাবে তেনে স্বীকাৰোক্তি অপ্ৰাসঙ্গিক নহয়।

৩০। **স্বীকাৰোক্তিকাৰীক আৰু একেটা অপৰাধৰ বাবে যুটীয়াভাবে বিচাৰাধীন আনবোৰক প্ৰভাৱিত কৰিব পৰা প্ৰমাণিত স্বীকাৰোক্তিৰ বিবেচনা** – যেতিয়া এজনতকৈ অধিক ব্যক্তিৰ একেটা অপৰাধৰ বাবে একে লগে বিচাৰ হয়, আৰু এনে ব্যক্তিসকলৰ কোনো এজনৰ দ্বাৰা তেওঁ নিজৰ আৰু এনে ব্যক্তিসকলৰ আন কিছুমানক প্ৰভাৱিত কৰাকৈ কৰা কোনো স্বীকাৰোক্তি প্ৰমাণিত হয়, তেতিয়া ন্যায়ালয়ে এনে অন্য ব্যক্তিসকলৰ বিৰুদ্ধে তথা স্বীকাৰোক্তি কৰা ব্যক্তিজনৰ বিৰুদ্ধে এনে স্বীকাৰোক্তি বিবেচনাত লব বা গ্ৰহণ কৰিব পাৰে।

[7]**স্পষ্টীকৰণ** – এই ধাৰাটোত ব্যৱহৃত 'অপৰাধ' শব্দটোৱে অপৰাধটো কৰিবলৈ অপপ্ৰেৰণা বা প্ৰয়াস কৰাকো অন্তৰ্ভুক্ত কৰে।

## দৃষ্টান্ত

(ক) 'গ'ক হত্যা কৰা বাবে 'ক' আৰু 'খ'ৰ একেলগে বিচাৰ হৈছে। এইটো প্ৰমাণিত হ'ল যে 'ক'ই কৈছিল '' 'খ' আৰু মই 'গ'ক হত্যা কৰিছিলো'' 'ন্যায়ালয়ে' এই স্বীকাৰোক্তিটোৰ প্ৰভাৱ 'খ'ৰ বিৰুদ্ধে বিবেচনা কৰিব পাৰে।

---

১। এনে উৎপ্ৰেৰণা ইত্যাদি প্ৰতিষেধৰ বাবে দণ্ড প্ৰক্ৰিয়া সংহিতা ১৮৯৮, (১৮৯৮ ৰ ৫) ধাৰা ৩৪৩ চাওঁক।
২। কোনো গোচৰত তদন্ত কৰা এজন আৰক্ষী পদাধিকাৰীৰ প্ৰতি কৰা উক্তিবোৰ সম্পৰ্কে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৯৮ ৰ (১৮৯৮ ৰ ৫) ধাৰা ১৬২ চাওঁক।
৩। এই ধাৰাটোৰ প্ৰয়োজনৰ বাবে অপমৰণ অন্বেষকক দণ্ডাধীশ বুলি ঘোষণা কৰা হৈছে, অপমৰণ অন্বেষক অধিনিয়ম, ১৮৭১ (১৮৭১ ৰ ৪) ২০ ধাৰা চাওঁক।
৪। ১৮৯১ চনৰ ৩নং অধিনিয়ম ৩ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।
৫। ''বা ব্ৰহ্মদেশত'' এই শব্দবোৰ বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা লোপ কৰা হৈছে।
৬। এতিয়া দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৯৮ (১৮৯৮ ৰ ৫) চাওঁক।
৭। ১৮৯১ চনৰ ৩ নং অধিনিয়মৰ ৪ ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

(খ) 'গ'ক হত্যা কৰা বাবে 'ক'ৰ ওপৰত বিচাৰ চলিছে। 'গ'ক যে 'ক' আৰু 'খ'ৰ দ্বাৰা হত্যা কৰা হৈছিল আৰু 'খ'ই যে কৈছিল " 'ক' আৰু মই 'গ'ক হত্যা কৰিছিলো" এইটো দেখুৱাবলৈ সাক্ষ্য আছে।

এই উক্তিটো 'ক'ৰ বিৰুদ্ধে যোৱা বুলি ন্যায়ালয়ে বিবেচনাত নলবও পাৰে যিহেতু 'খ'ক যুটীয়াভাবে বিচাৰ কৰা হোৱা নাই।

৩১। **স্বীকৃতিবোৰ নিশ্চায়ক প্ৰমাণ নহয়, কিন্তু মুখবন্ধ কৰিব পাৰে** – স্বীকৃতিবোৰ স্বীকৃত বিষয়বোৰৰ নিশ্চায়ক প্ৰমাণ নহয়, কিন্তু এতৎপশ্চ্যাত অন্তৰ্বিষ্ট উপবন্ধবোৰৰ অধীনত মুখবন্ধন হিচাবে কাৰ্য্যকৰী হ'ব পাৰে।

## সাক্ষী হিচাবে যাক আহ্বান কৰিব নোৱাৰি তেনে ব্যক্তিসকলৰ উক্তি

৩২। **যি মৃত বা যাক বিচাৰি পাব নোৱাৰি, ইত্যাদি, ব্যক্তিৰ দ্বাৰা দিয়া প্ৰাসঙ্গিক তথ্যৰ উক্তি কোনবোৰ ক্ষেত্ৰত প্ৰাসঙ্গিক** – যি মৃত বা যাক বিচাৰি পাব নোৱাৰি, বা সাক্ষ্য দিয়াৰ বাবে যি অসমৰ্থ হৈছে, বা কিছু পৰিমাণৰ বিলম্ব বা ব্যয় নোহোৱাকৈ যাক উপস্থিত কৰাব নোৱাৰি, যিটো গোচৰটোৰ পৰিস্থিতিত অযুক্তিকৰ বুলি ন্যায়ালয় প্ৰতীত হয়, তেনে ব্যক্তিৰ দ্বাৰা কৰা প্ৰাসঙ্গিক তথ্যৰ লিখিত বা মৌখিক উক্তিবোৰ, নিম্নলিখিত ক্ষেত্ৰবোৰত স্বয়ং প্ৰাসঙ্গিক ঃ-

(১) **যেতিয়া ই মৃত্যুৰ কাৰণ সম্পৰ্কীয় হয়** – যেতিয়া এজন ব্যক্তিয়ে তেওঁৰ মৃত্যুৰ কাৰণ সম্পৰ্কে বা যি সংব্যৱহাৰৰ পৰিনতি স্বৰূপে তেওঁৰ মৃত্যু ঘটিছিল সেই সংব্যৱহাৰৰ পৰিস্থিতিৰ বিষয়ে উক্তি কৰে, এনে ক্ষেত্ৰবিলাকত য'ত সেই ব্যক্তিজনৰ মৃত্যুৰ কাৰণৰ প্ৰশ্ন উঠে।

এনে উক্তিবোৰ প্ৰাসঙ্গিক হয় যেতিয়া উক্তিবোৰ কৰিছিল সেই সময়ত, যিজন ব্যক্তিয়ে সেই উক্তিবোৰ কৰিছিল তেওঁ মৃত্যুৰ প্ৰতীক্ষণত থাকক বা নাথাকক, আৰু তেওঁৰ মৃত্যুৰ সম্বন্ধে প্ৰশ্ন উঠা কাৰ্য্যবাহীটো যেনেকুৱা প্ৰকৃতিৰেই নহওঁক লাগে।

(২) **অথবা কাৰ্য্যৰ অনুক্ৰমত কৰা হয়** – যেতিয়া উক্তিটো এনে ব্যক্তিৰ দ্বাৰা সাধাৰণ কাৰ্য্যৰ অনুক্ৰমত কৰা হৈছিল, আৰু বিশেষতঃ যেতিয়া ই সাধাৰণ কাৰ্য্যৰ অনুক্ৰমত ৰখা বা বৃত্তিক কৰ্ত্তব্যৰ নিৰ্বহনত ৰখা বহীত তেওঁৰ দ্বাৰা কৰা কোনো প্ৰবিষ্টি বা স্মাৰকলিপি সন্নিবিষ্ট থাকে, বা তেওঁৰ দ্বাৰা স্বাক্ষৰিত কোনো ধন, মাল, প্ৰতিভূতি বা যিকোনো ধৰণৰ সম্পত্তি প্ৰাপ্তিৰ অভিস্বীকৃতিৰ বিষয়ে বা তেওঁৰ দ্বাৰা লিখিত বা স্বাক্ষৰিত বাণিজ্যত ব্যৱহৃত কোনো দস্তাৱেজৰ বিষয়ে বা কোনো পত্ৰৰ তাৰিখৰ বিষয়ে বা তেওঁৰ দ্বাৰা স্বাভাবিকতে দিনাঙ্কিত, লিখিত, বা স্বাক্ষৰিত অন্য দস্তাৱেজৰ বিষয়ে ৰখা বহীবোৰত তেওঁৰ দ্বাৰা কৰা প্ৰবিষ্টি বা স্মাৰকলিপি সন্নিবিষ্ট থাকে।

(৩) **অথবা উক্তিকাৰীৰ স্বাৰ্থৰ বিৰুদ্ধে হয়** – যেতিয়া উক্তিটো উক্তিকাৰীৰ আৰ্থিক বা মালিকী স্বত্ব সম্পৰ্কীয় স্বাৰ্থৰ বিৰুদ্ধে হয় বা যেতিয়া, সঁচা হলে, তাৰ বাবে তেওঁৰ বিৰুদ্ধে দাণ্ডিক অভিযোজন বা ক্ষতিপূৰণৰ বাদ আনিব পৰা যায় বা আনিব পৰা গ'লহেঁতেন।

(৪) **অথবা সাৰ্ব্বজনিক অধিকাৰ বা প্ৰথা বা সাধাৰণ স্বাৰ্থৰ বিষয়ে অভিমত দিয়ে** –যেতিয়া উক্তিটোৱে সাৰ্ব্বজনিকৰ অধিকাৰ বা প্ৰথা বা সাৰ্ব্বজনিক বা সাধাৰণ স্বাৰ্থৰ বিষয়ে এনে কোনো ব্যক্তিৰ অভিমত দিয়ে, যিটোৰ অস্তিত্বৰ বিষয়ে, যদি এইটো থাকিলেহেঁতেন তেওঁ অৱগত হোৱাটো সম্ভৱপৰ হ'লহেঁতেন আৰু যেতিয়া তেনে অধিকাৰ বা প্ৰথা বা বিষয়ৰ বিতৰ্ক উত্তৱ হোৱাৰ আগতে সেই উক্তিটো কৰা হৈছিল।

(৫) **অথবা সম্বন্ধৰ অস্তিত্ব সম্পৰ্কীয় হয়** –যেতিয়া উক্তিটো ব্যক্তি সকলৰ মাজত [১][ ৰক্ত, বিবাহ বা দত্তক গ্ৰহণৰ দ্বাৰা] হোৱা সম্বন্ধৰ অস্তিত্ব বিষয়ৰ হয়, যাৰ [১][ ৰক্ত, বিবাহ বা দত্তক গ্ৰহণৰ দ্বাৰা ] হোৱা সম্বন্ধৰ বিষয়ে জানিবলৈ উক্তি কৰা ব্যক্তিজনৰ বিশেষ উপায় আছিল, আৰু যেতিয়া বিবাদীয় প্ৰশ্নটো উত্থাপিত হোৱাৰ পূৰ্ব্বে উক্তিটো কৰা হৈছিল।

(৬) **অথবা পাৰিবাৰিক কাৰ্য্যাৱলী সম্পৰ্কে ইচ্ছাপত্ৰ বা দলিলৰ সম্পৰ্কত হয়** – যেতিয়া উক্তিটো মৃত ব্যক্তিসকলৰ মাজত ৰক্ত, বিবাহ বা দত্তক গ্ৰহণৰ দ্বাৰা হোৱা সম্বন্ধৰ অস্তিত্ব বিষয়ক হয়, আৰু মৃত ব্যক্তিৰ পৰিয়ালৰ কাৰ্য্যাৱলীৰ বিষয়ে কৰা কোনো ইচ্ছাপত্ৰ বা দলিলত বা পুৰুষ নামাত, বা সমাধি পাথৰত, বা পৰিয়ালৰ অঙ্কিত চিত্ৰত বা সাধাৰণতে এনেধৰণৰ উক্তিবোৰ কৰিব পৰা অন্য বস্তুত কৰা হয়, আৰু যেতিয়া এনে ধৰণৰ উক্তি বিবাদীয় প্ৰশ্নটো উত্থাপিত হোৱাৰ আগতে কৰা হৈছিল।

(৭) **অথবা ধাৰা ১৩ৰ (ক) খণ্ডত উল্লিখিত সংব্যৱহাৰ সম্পৰ্কীয় দস্তাৱেজত কৰা হয়** – যেতিয়া উক্তিটো ধাৰা ১৩ৰ খণ্ড (ক)ত উল্লিখিত সংব্যৱহাৰ সম্পৰ্কীয় কোনো দলিল, ইচ্ছাপত্ৰ বা অন্য দস্তাৱেজত অন্তৰ্বিষ্ট থাকে।

(৮) **অথবা কেইবাজনো ব্যক্তিৰ দ্বাৰা কৰা আৰু প্ৰশ্নগত বিষয়টোৰ লগত প্ৰাসঙ্গিক অনুভূতি প্ৰকাশ কৰে** – যেতিয়া উক্তিটো কেইবাজনো ব্যক্তিৰ দ্বাৰা কৰা হৈছিল, আৰু প্ৰশ্নগত বিষয়টোৰ লগত প্ৰাসঙ্গিক তেওঁলোকৰ ফালৰ অনুভূতি বা মনোভাৱ প্ৰকাশ কৰিছিল।

### দৃষ্টান্ত

(ক) প্ৰশ্নটো হৈছে 'ক'ক 'খ'ই হত্যা কৰিছিল নেকি ? অথবা 'ক'ৰ মৃত্যু হৈছিল এক সংব্যৱহাৰৰ অনুক্ৰমত প্ৰাপ্ত আঘাতত, যিটোত তাইক বলাৎকাৰ কৰা হৈছিল। প্ৰশ্নটো হৈছে তাইক 'খ'ৰ দ্বাৰা বলাৎকাৰ কৰা হৈছিল নেকি ? অথবা

প্ৰশ্নটো হৈছে 'ক'ক 'খ'ৰ দ্বাৰা এনে পৰিস্থিতিত বধ কৰা হৈছিল নেকি, যে 'ক'ৰ বিধৱাৰ দ্বাৰা 'খ'ৰ বিৰুদ্ধে বাদ অনা হব পাৰে।

---

১। ১৮৭২ ৰ ১৮ অধিনিয়মৰ ধাৰা ২ৰ দ্বাৰা অন্তঃস্থাপিত।

'ক'ৰ দ্বাৰা তেওঁৰ মৃত্যুৰ কাৰণ সম্পৰ্কে কৰা উক্তিসমূহ যিবোৰ যথাক্ৰমে বিবেচনাধীন হত্যা, ধৰ্ষণ আৰু অনুযোজ্য দোষৰ উল্লেখ কৰি কৰা হৈছে সেইবোৰ প্ৰাসঙ্গিক তথ্য।

(খ) প্ৰশ্নটো হৈছে 'ক'ৰ জন্ম তাৰিখটোৰ বিষয়ে এজন মৃত শল্য চিকিৎসকৰ কাৰ্য্যানুক্ৰমত নিয়মিত ভাবে ৰখা দিনপঞ্জীৰ প্ৰবিষ্টি এটা, য'ত বৰ্ণনা কৰা হৈছে যে এটা নিৰ্দ্দিষ্ট দিনত তেওঁ 'ক'ৰ মাকক চাইছিল, আৰু তেওঁৰ এটা পুত্ৰ সন্তান প্ৰসৱ কৰাইছিল, সেইটো এটা প্ৰাসঙ্গিক তথ্য।

(গ) প্ৰশ্নটো হৈছে এটা নিৰ্দ্দিষ্ট দিনত 'ক' কলিকতাত আছিলনেকি ? কাৰ্য্যৰ অনুক্ৰমত নিয়মিত ভাবে ৰখা এজন মৃত চলিচিটৰৰ দিনপঞ্জীৰ এটা উক্তি য'ত বৰ্ণনা কৰা হৈছে যে এটা নিৰ্দ্দিষ্ট দিনত চলিচিটৰজনে কলিকতাৰ কোনো এক উল্লিখিত স্থানত 'ক'ক এটা বিনিৰ্দ্দিষ্ট কাৰ্য্যৰ বিষয়ে তেওঁৰ লগত আলোচনা কৰিবলৈ লগ ধৰিছিল, সেইটো এটা প্ৰাসঙ্গিক তথ্য।

(ঘ) প্ৰশ্নটো হৈছে এটা নিৰ্দ্দিষ্ট দিনত এখন জাহাজ বোম্বাই পোতাশ্ৰয়ৰ পৰা ৰাওনা হৈছিলনেকি ? জাহাজখন ভাড়া লোৱা এটা সদাগৰী প্ৰতিষ্ঠানৰ এজন মৃত সদস্যই এটা নিৰ্দ্দিষ্ট দিনত বোম্বাই পোতাশ্ৰয়ৰ পৰা জাহাজখন ৰাওনা হৈছিল বুলি উল্লেখ কৰি তেওঁলোকৰ লণ্ডনস্থ সম্পৰ্কৰক্ষীলৈ, যালৈ মাল প্ৰেৰিত কৰা হৈছিল, লিখা চিঠিখন এটা প্ৰাসঙ্গিক তথ্য।

(ঙ) প্ৰশ্নটো হৈছে কোনো এডোখৰ মাটিৰ বাবে 'ক'ক খাজনা দিয়া হৈছিলনেকি ? 'ক'ৰ এজন মৃত অভিকৰ্ত্তাই তেওঁ 'ক'ৰ হৈ খাজনা গ্ৰহণ কৰিছিল আৰু 'ক'ৰ আদেশত সেই খাজনা ৰাখিছিল বুলি 'ক' লৈ লিখা চিঠিখন প্ৰাসঙ্গিক তথ্য।

(চ) প্ৰশ্নটো হৈছে 'ক' আৰু 'খ' বিধিগত ভাবে বিবাহিত আছিলনেকি ? এজন মৃত পাদুৰীয়ে, তেওঁ এনেকুৱা পৰিস্থিতিৰ অধীনত সিহঁতৰ বিবাহ সম্পন্ন কৰাইছিল যে, উৎসৱটো এটা অপৰাধ হ'লহেঁতেন বুলি কৰা উক্তিটো প্ৰাসঙ্গিক।

(ছ) প্ৰশ্নটো হৈছে, এজন ব্যক্তি 'ক'ই যাক বিচাৰি পাব নোৱাৰি, এটা নিৰ্দ্দিষ্ট দিনত এখন চিঠি লিখিছিল নেকি ? তেওঁৰ দ্বাৰা লিখা চিঠিত যে সেই দিনৰ দিনাঙ্কিত আছিল, সেই তথ্যটো প্ৰাসঙ্গিক।

(জ) প্ৰশ্নটো হৈছে, কোনো এখন জাহাজ ডুবাৰ কাৰণটো কি আছিল ? কেপ্টেইনজনৰ দ্বাৰা যাক উপস্থিত কৰাব নোৱাৰি, কৰা প্ৰতিবাদটো এটা প্ৰাসঙ্গিক তথ্য।

(ঝ) প্ৰশ্নটো হৈছে কোনো এটা নিৰ্দ্দিষ্ট ৰাস্তা সাৰ্ব্বজনিক পথ নেকি ? গাওঁখনৰ মৃত গাওঁবুঢ়া 'ক'ই ৰাস্তাটো সাৰ্ব্বজনিক পথ বুলি কৰা উক্তি, এটা প্ৰাসঙ্গিক তথ্য।

(ঞ) প্ৰশ্নটো হৈছে, কোনো এক নিৰ্দ্দিষ্ট দিনত এখন বিশেষ বজাৰত শস্যৰ দাম কি আছিল ? সাধাৰণভাবে ব্যৱসায়ৰ অনুক্ৰমত এজন মৃত বনিয়াই কৰা দামৰ উক্তিটো এটা প্ৰাসঙ্গিক তথ্য।

(ট) প্ৰশ্নটো হৈছে, মৃত 'ক', 'খ'ৰ পিতৃ আছিল নেকি ? 'খ' তেওঁৰ পুত্ৰ বুলি 'ক'ই কৰা উক্তিটো এটা প্ৰাসঙ্গিক তথ্য।

(ঠ) প্ৰশ্নটো হৈছে, 'ক'ৰ জন্ম তাৰিখটো কি আছিল ? 'ক'ৰ মৃত পিতৃয়ে 'ক' এটা নিৰ্দ্দিষ্ট দিনত জন্মাৰ কথা ঘোষণা কৰি বন্ধুলৈ দিয়া এখন চিঠি প্ৰাসঙ্গিক তথ্য।

(ড) প্ৰশ্নটো হৈছে 'ক' আৰু 'খ'ৰ বিয়া হৈছিলনেকি, আৰু যদি হৈছিল, কেতিয়া ? 'খ'ৰ মৃত পিতৃ 'গ'ই তেওঁৰ জীয়েকৰ 'ক'ৰ লগত এটা নিৰ্দ্দিষ্ট দিনত বিয়া হোৱা বুলি এখন স্মাৰক বহীত কৰা প্ৰবিষ্টিটো এটা প্ৰাসঙ্গিক তথ্য।

(ঢ) এখন দোকানৰ খিৰিকীত অভিদৰ্শিত কোনো অঙ্কিত ব্যঙ্গচিত্ৰত অভিব্যক্ত অপবাদ লিখনৰ বাবে 'ক'ই 'খ'ৰ ওপৰত এটা গোচৰ তৰিছে। প্ৰশ্নটো হৈছে, ব্যঙ্গচিত্ৰৰ সাদৃশ্য আৰু তাৰ অপবাদমূলক চৰিত্ৰৰ সম্পৰ্কত। দৰ্শকৰ কোনো দলে সেই বিষয়ত কৰা মন্তব্য প্ৰমাণিত কৰিব পাৰে।

৩৩। **কোনো সাক্ষ্যত কথিত তথ্যৰ সত্যতা পৰৱৰ্ত্তী কাৰ্য্যবাহীত প্ৰমাণ কৰিবৰ বাবে সেই সাক্ষ্যৰ প্ৰাসঙ্গিকতা** – কোনো এজন সাক্ষীয়ে এটা ন্যায়িক কাৰ্য্যবাহীত, অথবা বিধিৰ দ্বাৰা সাক্ষ্য লবলৈ প্ৰাধিকৃত কোনো ব্যক্তিৰ আগত দিয়া সাক্ষ্য, এটা পৰৱৰ্ত্তী কাৰ্য্যবাহীত অথবা সেই একেটা ন্যায়িক কাৰ্য্যবাহীৰ, পিচৰ পৰ্য্যায়ত তেওঁ তাত কোৱা তথ্যৰ সত্যতা প্ৰমাণ কৰাৰ প্ৰয়োজনাৰ্থে প্ৰাসঙ্গিক হয়, যেতিয়া সাক্ষীজনৰ মৃত্যু হয় অথবা তেওঁক বিচাৰি পাব নোৱাৰি অথবা তেওঁ সাক্ষ্য দিবলৈ অসমৰ্থ অথবা প্ৰতিপক্ষৰ দ্বাৰা তেওঁক আতৰাই ৰখা হয় অথবা যদি কিছু পৰিমাণৰ বিলম্ব বা ব্যয় বিনা যিটো বৃত্তটোৰ পৰিস্থিতিত ন্যায়ালয়ে অযুক্তিকৰ বুলি বিবেচনা কৰে, তেওঁৰ উপস্থিতি পাব নোৱাৰি ঃ

পৰন্তু সেইটো তেতিয়া হব যেতিয়া –

কাৰ্য্যবাহীটো একে পক্ষগণৰ বা তেওঁলোকৰ স্বাৰ্থৰ প্ৰতিনিধি বিলাকৰ মাজত হৈছিল ;

প্ৰথম কাৰ্য্যবাহীত প্ৰতিপক্ষই জেৰা কৰাৰ অধিকাৰ আৰু সুবিধা পাইছিল ;

বিবাদ্যক প্ৰশ্নটো প্ৰথমটোত দ্বিতীয় কাৰ্য্যবাহীটোৰ দৰে সাৰতঃ একেই আছিল।

**স্পষ্টীকৰণ** – দাণ্ডিক বিচাৰ বা তদন্ত এই ধাৰাৰ অৰ্থৰ ভিতৰত অভিযোজক আৰু অভিযুক্তৰ মাজত হোৱা কাৰ্য্যবাহী বুলি গণ্য হব।

## বিশেষ পৰিস্থিতিৰ অধীনত কৰা উক্তিবোৰ

৩৪। [১] [ এখন ইলেকট্ৰ'নিক প্ৰপত্ৰত অনুৰক্ষণ কৰাবোৰক অন্তৰ্ভুক্ত কৰি হিচাপৰ বহীৰ প্ৰবিষ্টিবোৰ ] কেতিয়া প্ৰাসঙ্গিক – হিচাপৰ বহীত ব্যৱসায়ৰ অনুক্ৰমত ৰখা প্ৰবিষ্টিবোৰ প্ৰাসঙ্গিক, যেতিয়াই সেইবোৰত ন্যায়ালয়ে তদন্ত কৰিব লগা বিষয়টো উল্লেখ থাকে, কিন্তু কোনো ব্যক্তিক দায়বদ্ধ কৰিবলৈ অকলে এনে উক্তিবোৰ পৰ্য্যাপ্ত সাক্ষ্য নহব।

### দৃষ্টান্ত

১০০০ টকাৰ বাবে 'ক'ই 'খ'ৰ ওপৰত বাদ কৰিছে আৰু তেওঁৰ হিচাপৰ বহীত সেই টকাখিনিৰ বাবে 'খ' যে তেওঁৰ ওচৰত ঋণী সেইটো দেখুওৱা প্ৰবিষ্টিবোৰ দেখুৱাইছে। এই প্ৰবিষ্টিবোৰ প্ৰাসঙ্গিক, কিন্তু অন্য সাক্ষ্য নোহোৱাকৈ থকাটো প্ৰমাণ কৰিবলৈ ই পৰ্য্যাপ্ত সাক্ষ্য নহয়।

৩৫। **কৰ্ত্তব্য সম্পাদন কৰোতে লোক** [২][**ৰেকৰ্ড বা ইলেকট্ৰ'নিক ৰেকৰ্ডৰ** ] **প্ৰবিষ্টিবোৰৰ প্ৰাসঙ্গিকতা** – কোনো লোক বা অন্যান্য চৰকাৰী বহী, পঞ্জী বা [২][ৰেকৰ্ড বা ইলেকট্ৰ'নিক ৰেকৰ্ড ] ত কোনো এটা বিবাদ্যক তথ্য বা প্ৰাসঙ্গিক তথ্যৰ বৰ্ণনা কৰি আৰু লোক সেৱকৰ দ্বাৰা তেওঁ পদীয় কৰ্ত্তব্য নিৰ্বহন কৰা, বা আন কোনো ব্যক্তিৰ দ্বাৰা, যি দেশত এনে বহী বা অভিলেখ ৰখা হৈছে সেই দেশৰ বিধিৰ দ্বাৰা বিশেষভাবে নিৰ্দ্দেশিত কৰ্ত্তব্য পালন কৰোতে কৰা প্ৰবিষ্টি স্বয়ং প্ৰাসঙ্গিক।

৩৬। **মেপ, চাৰ্ট আৰু নক্সাত থকা উক্তিবোৰৰ প্ৰাসঙ্গিকতা** – সাধাৰণতে সাৰ্বজনিক বিক্ৰীৰ বাবে প্ৰস্থাপিত প্ৰকাশিত মেপ বা চাৰ্টত বা [৩] [ কেন্দ্ৰীয় চৰকাৰৰ বা কোনো ৰাজ্য চৰকাৰৰ ] প্ৰাধিকাৰৰ অধীনত তৈয়াৰ কৰা মেপ বা নক্সাত, তেনে মেপ, চাৰ্ট বা নক্সাত স্বাভাবিকতে প্ৰতিৰূপিত বা বৰ্ণিত বস্তুবোৰৰ বিষয়ে, বিবাদ্যক তথ্য বা প্ৰাসঙ্গিক তথ্যৰ উক্তি কৰিলে সেইবোৰ স্বয়ং প্ৰাসঙ্গিক তথ্য।

৩৭। **কোনো অধিনিয়ম বা অধিসূচনাত অন্তৰ্বিষ্ট সাৰ্বজনিক প্ৰকৃতিৰ তথ্যৰ উক্তিৰ প্ৰাসঙ্গিকতা** – যেতিয়া ন্যায়ালয়ে কোনো সাৰ্বজনিক প্ৰকৃতিৰ তথ্যৰ অস্তিত্বৰ বিষয়ত এটা অভিমত গঠন কৰিব লগা হয় তেতিয়া [৪][ বৃটিছ যুক্তৰাজ্যৰ ] সংসদৰ কোনো অধিনিয়মত বা কোনো [৫] [ কেন্দ্ৰীয় অধিনিয়ম ] প্ৰাসঙ্গিক অধিনিয়ম বা [৬] ৰাজ্যৰ অধিনিয়মত বা চৰকাৰী ৰাজপত্ৰত প্ৰকাশিত কোনো চৰকাৰী অধিসূচনা বা ইংলণ্ডৰ ৰাজপ্ৰতিনিধিৰ দ্বাৰা জাৰি কৰা অধিসূচনাত বা লণ্ডন গেজেট বা মহামান্য বৃটিচ সম্ৰাটৰ কোনো ডমিনিয়ন, উপনিবেশ, বা দখলাধীন ক্ষেত্ৰ চৰকাৰী ৰাজপত্ৰ বুলি তাৎপৰ্য্যিত যিকোনো মুদ্ৰিত পত্ৰত অন্তৰ্বিষ্ট পৰিবৰ্ণনাত কৰা ইয়াৰ কোনো উক্তি প্ৰাসঙ্গিক তথ্য।

৭[ X X X X]

৩৮। **বিধি পুস্তকত অন্তৰ্বিষ্ট কোনো বিধি সম্পৰ্কীয় উক্তিবোৰৰ প্ৰাসঙ্গিকতা** – যেতিয়া ন্যায়ালয়ে কোনো দেশৰ বিধিৰ বিষয়ে এটা অভিমত গঠন কৰিবলগীয়া হয়, তেতিয়া তেনে দেশৰ চৰকাৰৰ প্ৰাধিকাৰৰ অধীনত মুদ্ৰিত বা প্ৰকাশিত হোৱা বুলি তাৎপৰ্য্যিত আৰু এনে কোনো বিধি অন্তৰ্ভুক্ত থকা কোনো পুস্তকত অন্তৰ্বিষ্ট এনে বিধি বিষয়ৰ কোনো উক্তি আৰু তেনে দেশৰ ন্যায়ালয়ৰ বিনিৰ্ণয় ৰিপোৰ্ট বুলি তাৎপৰ্য্যিত কোনো পুস্তকত অন্তৰ্বিষ্ট তেনে বিনিৰ্ণয়ৰ ৰিপোৰ্ট প্ৰাসঙ্গিক।

---

১। ২০০০ ৰ অধিনিয়মৰ ২১ ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা ''হিচাবৰ বহীৰ প্ৰবিষ্টি'' স্থানত প্ৰতিষ্ঠাপিত (১৭-১০-২০০০ ৰ পৰা প্ৰভাৱী হোৱাকৈ।

২। উক্ত অধিনিয়মৰ একে ধাৰা আৰু অনুসূচীৰ দ্বাৰা ৰেকৰ্ডৰ স্থানত প্ৰতিষ্ঠাপিত।

৩। বিধি অনুকূলন আদেশ, ১৯৪৮ ৰ দ্বাৰা ''বৃটিছ ভাৰতৰ চৰকাৰ'' ৰ স্থানত প্ৰতিষ্ঠাপিত।

৪। বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা অন্তঃস্থাপিত।

৫। ''সপৰিষদ গৱৰ্ণৰ জেনেৰেলৰ বা মাদ্ৰাজ, অথবা বোম্বাইৰ সপৰিষদ গৱৰ্ণৰৰ বা বঙ্গৰ সপৰিষদ লেফটেনেন্ট গৱৰ্ণৰৰ অধিনিয়ম বা ভাৰতৰ ৰাজপত্ৰত প্ৰকাশিত হব লগা চৰকাৰৰ অধিসূচনা বা কোনো স্থানীয় চৰকাৰৰ ৰাজপত্ৰত বা লণ্ডন ৰাজপত্ৰ অথবা মহাৰানীৰ কোনো উপনিবেশ বা অধিকাৰাধীন ক্ষেত্ৰত চৰকাৰী ৰাজপত্ৰ বুলি তাৎপৰ্য্যিত কোনো মুদ্ৰিত পত্ৰ প্ৰাসঙ্গিক তথ্য'' এই পদ সমূহ সংশোধন অনুক্ৰমত ১৯১৪ ৰ অধিনিয়ম, ১০ বিধি অনুকূলন আদেশ, ১৯৩৭, বিধি অনুকূলন আদেশ ১৯৪৮ আৰু বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা ক্ৰমান্বয়ে সংশোধিত হৈ উপৰোক্ত পাঠত পৰিগত হৈছে।

৬। ১৯৫১ ৰ অধিনিয়ম ৩, ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা ''ভাগ''ক ৰাজ্য বা ভাগ -'গ' ৰাজ্যৰ বিধান মণ্ডলৰ অধিনিয়মৰ স্থানত প্ৰতিষ্ঠাপিত।

৭। শেষৰ দফাটো ১৯১৪ চনৰ ১০ নং অধিনিয়মৰ দ্বাৰা লোপ কৰা হৈছে।

## এটা উক্তিৰ কিমানখিনি প্ৰমাণ কৰিব লাগিব

[1][৩৯। যেতিয়া কোনো উক্তি, কথোপকথন, দস্তাবেজ, ইলেকট্ৰ'নিক ৰেকৰ্ড, পুস্তক বা কোনো এলানি চিঠি বা কাগজ পত্ৰৰ অংশীভূত হয় তেতিয়া কি সাক্ষ্য দিব লাগিব – কোনো উক্তি যিটোৰ সাক্ষ্য দিয়া হৈছে সেইটো যেতিয়া কোনো দীঘলীয়া উক্তিৰ বা কোনো কথোপকথনৰ অংশীভূত বা এখন অকলে থকা দস্তাবেজৰ অংশীভূত হয়, বা কোনো দস্তাবেজত অন্তৰ্বিষ্ট থাকে বা কোনো ইলেকট্ৰ'নিক ৰেকৰ্ডৰ ভাগত অন্তৰ্বিষ্ট থাকে যিখন কোনো পুস্তক, বা এলানি সংযোজিত চিঠি বা কাগজপত্ৰৰ অংশীভূত হয়, তেতিয়া সেই বিশেষ বাদটোৰ পৰিস্থিতিত উক্তিটোৰ প্ৰকৃতি আৰু প্ৰভাৱ আৰু যিবোৰ পৰিস্থিতিত দিয়া হৈছিল সেই সকলোবোৰ সম্পূৰ্ণকৈ বুজিবৰ বাবে ন্যায়ালয়ে সেই উক্তিৰ যিমানখিনি কথোপকথন দস্তাবেজ, ইলেকট্ৰ'নিক ৰেকৰ্ড, পুস্তক, অথবা চিঠি বা কাজগপত্ৰলানিৰ প্ৰয়োজনীয় বুলি বিবেচনা কৰে, ঠিক সিমানখিনিহে সাক্ষ্য দিব লাগিব, তাৰ অধিক নহয়। ]

## ন্যায়ালয়ৰ নিৰ্ণয় কেতিয়া প্ৰাসঙ্গিক

৪০। **দ্বিতীয় বাদ বা বিচাৰ বাৰণাৰ্থে পূৰ্ব্বৰ নিৰ্ণয়বোৰ প্ৰাসঙ্গিক** – কোনো বাদৰ নিৰ্ণয়, আদেশ বা ডিক্ৰীৰ যি অস্তিত্বই বিধিৰ দ্বাৰা কোনো ন্যায়ালয়ক কোনো বাদৰ সংজ্ঞান লোৱাৰ পৰা বা বিচাৰ কৰাৰ পৰা বাৰণ কৰে, সেইটো প্ৰাসঙ্গিক তথ্য যেতিয়া এনে ন্যায়ালয়ে এনে বাদৰ সংজ্ঞান লোৱা বা বিচাৰ কৰা উচিত হব নে নহব এই বিষয়ে প্ৰশ্ন উঠে।

৪১। **প্ৰবেট আদি বিষয়ক অধিকাৰিতাৰ কোনো কোনো নিৰ্ণয়ৰ প্ৰাসঙ্গিকতা** – প্ৰবেট, বৈবাহিক, নৌ অধিকৰণ বা দেউলীয়া বিষয়ক অধিকাৰিতাৰ প্ৰয়োগত কোনো সক্ষম ন্যায়ালয়ে দিয়া কোনো চূড়ান্ত নিৰ্ণয়, আদেশ বা ডিক্ৰী যিকোনো ব্যক্তিক কোনো বৈধিক সত্তা প্ৰদান কৰে, বা তেওঁৰ পৰা হৰণ কৰে, বা যি কোনো ব্যক্তিক কোনো এনে সত্তাৰ হক্‌দাৰ বুলি বা কোনো বিনিৰ্দ্দিষ্ট বস্তুৰ হক্‌দাৰ বুলি, কোনো বিনিৰ্দ্দিষ্ট ব্যক্তিৰ বিৰুদ্ধে নহয়, সম্পূৰ্ণ ৰূপে ঘোষণা কৰে সেইটো প্ৰাসঙ্গিক হয় যেতিয়া এনে বৈধিক সত্তাৰ অস্তিত্ব বা এনে কোনো ব্যক্তিৰ এনে কোনো বস্তুৰ ওপৰত হক্ প্ৰাসঙ্গিক হয়।

এনেকুৱা নিৰ্ণয়, আদেশ বা ডিক্ৰী ইয়াৰ নিশ্চায়ক প্ৰমাণ হব যে –

যেতিয়া এনে নিৰ্ণয়, আদেশ বা ডিক্ৰী প্ৰৱৰ্ত্তিত হৈছিল তাৰ দ্বাৰা প্ৰদান কৰা বৈধিক সত্তা সেই সময়ত প্ৰোদ্ভূত হৈছিল ;

কোনো বৈধিক সত্তা যিটোৰ বাবে এনে কোনো ব্যক্তি হক্‌দাৰ হয় বুলি ই ঘোষণা কৰে, সেই ব্যক্তিৰ প্ৰতি যেতিয়া এনে নিৰ্ণয় [2][আদেশ বা ডিক্ৰীয়ে ] তেনে ব্যক্তিৰ প্ৰতি প্ৰোদভূত হোৱা বুলি ঘোষণা কৰে সেই সময়ত প্ৰোদভূত হৈছিল ;

কোনো বৈধিক সত্তা যিটো ই কোনো এনে ব্যক্তিৰ পৰা হৰণ কৰে সেইটো সেই নিৰ্ণয় [2][ আদেশ বা ডিক্ৰী ] যে অন্ত হৈছিল বা হোৱা উচিত বুলি ঘোষণা কৰিছিল সেই সময়ত সেইটো অন্ত হৈছিল ;

আৰু কোনো বস্তু যিটোৰ প্ৰতি কোনো ব্যক্তি তেনেদৰে হক্‌দাৰ হোৱা বুলি ই ঘোষণা কৰে সেইটো সেই সময়ত সেই ব্যক্তিৰ সম্পত্তি আছিল যিটো এনে নিৰ্ণয় [2][ আদেশ বা ডিক্ৰী ] যে এইটো তেওঁৰ সম্পত্তি আছিল বা তেওঁৰ থকা উচিত বুলি ঘোষণা কৰে।

৪২। **ধাৰা ৪১ ত উল্লিখিতবোৰৰ বাহিৰে আন নিৰ্ণয়, আদেশ বা ডিক্ৰীবোৰত প্ৰাসঙ্গিকতা আৰু প্ৰভাৱ** – ধাৰা ৪১ত উল্লিখিতবোৰৰ বাহিৰে আন নিৰ্ণয়, আদেশ বা ডিক্ৰীবোৰ প্ৰাসঙ্গিক হয় যদি সেইবোৰ তদন্তটো প্ৰাসঙ্গিক কোনো সাৰ্বজনিক প্ৰকৃতিৰ বিষয় সম্বন্ধীয় হয় ; কিন্তু এনে নিৰ্ণয়, আদেশ বা ডিক্ৰী এনে বিলাক কথাৰ নিশ্চায়ক প্ৰমাণ নহয় যি বিলাকৰ বিষয়ে তাত বিবৃত কৰে।

### দৃষ্টান্ত

'ক' ই তেওঁৰ মাটিত অনধিকাৰ প্ৰবেশ কৰাৰ বাবে 'খ' ৰ ওপৰত গোচৰ তৰে। 'খ' ই সেই মাটিৰ ওপৰত এটা সাৰ্বজনিক পথাধিকাৰৰ অস্তিত্বৰ বিষয়ে অভিকথন কৰে যিটো 'ক' ই অস্বীকাৰ কৰে।

'ক' ই 'গ' ৰ ওপৰত সেই মাটিত অনধিকাৰ প্ৰবেশ কৰা বুলি কৰা গোচৰত, যিটো 'গ' ই সেই একে পথাধিকাৰৰ অস্তিত্বটো অভিকথন কৰিছিল, বিবাদীৰ অনুকূলে থকা ডিক্ৰীটো প্ৰাসঙ্গিক কিন্তু এইটো নিশ্চায়ক প্ৰমাণ নহয় যে পথাধিকাৰ আছে।

৪৩। ধাৰা ৪০ পৰা ৪২ লৈকে উল্লিখিতবোৰৰ বাহিৰে অন্য নিৰ্ণয় আদি কেতিয়া প্ৰাসঙ্গিক – ধাৰা সমূহ ৪০, ৪১ আৰু ৪২ ত উল্লিখিতবোৰৰ বাহিৰে অন্য নিৰ্ণয়, আদেশ বা ডিক্ৰীবোৰ অপ্ৰাসঙ্গিক, যদিহে তেনেকুৱা নিৰ্ণয়, আদেশ বা ডিক্ৰীৰ অস্তিত্বটো কোনো বিবাদাক তথ্য নহয় বা এই অধিনিয়মৰ অন্য কোনো উপবন্ধৰ অধীনত প্ৰাসঙ্গিক নহয়।

### দৃষ্টান্ত

(ক) 'ক' আৰু 'খ' ই তেওঁলোকৰ প্ৰত্যেকৰে ওপৰত প্ৰতিফলন কৰা এটা অপবাদৰ বাবে পৃথক পৃথককৈ 'গ' ৰ ওপৰত গোচৰ তৰিলে, 'গ' ই প্ৰত্যেকটো গোচৰতে কলে যে অপবাদজনক বুলি অভিকথিত বিষয়টো সত্য আৰু পৰিস্থিতিবোৰ এনে যে প্ৰত্যেকটো গোচৰতে সম্ভৱতঃ এইটো সত্য, বা কোনোটোৱেই সত্য নহয়।

---

১। ২০০০ ৰ অধিনিয়মৰ ২১ৰ ধাৰা ৯২ আৰু অনুসূচীৰ IIৰ দ্বাৰা ধাৰা ৩৯ৰ স্থানত প্ৰতিষ্ঠাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।
২। ১৮৭২ ৰ ১৮ অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত।

'গ' ই তেওঁৰ ঔচিত্য প্ৰতিষ্ঠা কৰিবলৈ অপাৰগ হোৱাৰ কাৰণে 'গ' ৰ বিৰুদ্ধে ক্ষতিৰ বাবে 'ক' ই এটা ডিক্ৰী পালে। এই তথ্যটো 'খ' আৰু 'গ' ৰ মাজত অপ্ৰাসঙ্গিক।

(খ) 'ক' ৰ স্ত্ৰী 'গ' ৰ সৈতে ব্যভিচাৰ কৰাৰ বাবে 'ক' ই 'খ'ক অভিযোজন কৰে।

'গ' যে 'ক' ৰ স্ত্ৰী সেইটো 'খ' ই নুই কৰিলে, কিন্তু ন্যায়ালয়ে ব্যভিচাৰৰ বাবে 'খ' ক দোষী সাব্যস্ত কৰিলে।

পিচত 'ক' ৰ জীৱন কালতে 'খ' ক বিয়া কৰাত দ্বিবিবাহৰ বাবে 'গ'ক অভিযোজিত কৰা হ'ল। 'গ' ই কয় যে তেওঁ কেতিয়াও 'ক' ৰ স্ত্ৰী নাছিল।

'খ' ৰ বিৰুদ্ধে দিয়া নিৰ্ণয়টো 'গ' ৰ বিৰুদ্ধে অপ্ৰাসঙ্গিক।

(গ) 'ক' ই তেওঁৰ পৰা গৰু এজনী চুৰি কৰা বাবে 'খ' ক অভিযোজন কৰে। 'খ' দোষী সাব্যস্ত হ'ল।

'ক' ই তাৰ পিছত যিজনী গৰু 'খ' ই দোষী সাব্যস্ত হোৱাৰ আগেয়ে তেওঁক বিক্ৰী কৰিছিল, সেই গৰুজনীৰ বাবে 'গ' ৰ ওপৰত বাদ তৰিলে।

'খ' ৰ বিৰুদ্ধে দিয়া নিৰ্ণয়টো 'ক' আৰু 'গ' ৰ মাজত অপ্ৰাসঙ্গিক।

(ঘ) 'খ' ৰ বিৰুদ্ধে 'ক' ই মাটিৰ দখলৰ বাবে এটা ডিক্ৰী লাভ কৰিলে পৰিণামত 'খ' ৰ পুতেক 'গ' ই 'ক' ক হত্যা কৰে।

অপৰাধৰ হেতু দেখুওৱা বাবে নিৰ্ণয়টোৰ অস্তিত্ব প্ৰাসঙ্গিক।

[১] [(ঙ) চুৰিৰ বাবে আৰু পূৰ্ব্বেও চুৰি অপৰাধত দোষী সাব্যস্ত হোৱা বুলি 'ক' অভিযুক্ত হৈছে –

পূৰ্ব্বৰ দোষী সাব্যস্ত হোৱাটো বিবাদাক তথ্য হিচাবে প্ৰাসঙ্গিক।

(চ) 'খ' ৰ হত্যাৰ বাবে 'ক' ৰ বিচাৰ হৈছে। এই তথ্যটো যে 'খ' ই 'ক' ক অপমান কৰাৰ বাবে অভিযোজিত কৰিছিল আৰু যে 'ক' দোষী সাব্যস্ত আৰু দণ্ডিত হৈছিল ধাৰা ৮ ৰ অধীনত বিবাদাক তথ্যৰ হেতু দেখুৱাবৰ বাবে প্ৰাসঙ্গিক।

৪৪। **নিৰ্ণয় লাভ কৰোতে কৰা প্ৰতাৰণা বা দুৰভিসন্ধি বা ন্যায়ালয়ৰ অক্ষমতা প্ৰমাণ কৰিব পাৰি** – বাদ বা অন্য কাৰ্য্যবাহীৰ যি কোনো পক্ষই যি কোনো নিৰ্ণয়, আদেশ বা ডিক্ৰী যিটো ধাৰা ৪০, ৪১ বা ৪২ ৰ অধীনত প্ৰাসঙ্গিক আৰু প্ৰতিপক্ষৰ দ্বাৰা প্ৰমাণিত হৈছে, সেইটো প্ৰদান কৰিবলৈ সক্ষম নোহোৱা কোনো ন্যায়ালয়ৰ দ্বাৰা প্ৰদত্ত হৈছিল বা প্ৰতাৰণা বা দুৰভিসন্ধিৰ দ্বাৰা লাভ কৰা হৈছিল বুলি দেখুৱাব পাৰে।

## তৃতীয় ব্যক্তিসকলৰ অভিমতবোৰ কেতিয়া প্ৰাসঙ্গিক

৪৫। **বিশেষজ্ঞসকলৰ অভিমতবোৰ** – যেতিয়া ন্যায়ালয়ে বিদেশী বিধি বা বিজ্ঞান বা কলাৰ, কোনো বিষয়ৰ ওপৰত, বা হস্তলিপিৰ [২][ বা আঙুলিৰ চাপ] ৰ অভিন্নতাৰ বিষয়ে কোনো অভিমত গঢ়িব লগা হয় তেতিয়া তেনে বিদেশী বিধি, বিজ্ঞান বা কলাত, [৩] [ বা হস্তলিপি [২][ বা আঙুলিৰ চাপ] ৰ অভিন্নতা বিষয়ক প্ৰশ্নবোৰত ] বিশেষভাবে পাৰদৰ্শিতা থকা ব্যক্তিৰ অভিমতবোৰ প্ৰাসঙ্গিক তথ্য।

এনে ব্যক্তি সকলক বিশেষজ্ঞ বোলা হয়।

### দৃষ্টান্ত

(ক) প্ৰশ্ন হৈছে 'ক' ৰ মৃত্যু বিহৰ দ্বাৰা ঘটোৱা হৈছিল নেকি ?

যি বিহৰ দ্বাৰা 'ক' ৰ মৃত্যু হৈছে বুলি ধৰি লোৱা হৈছে সেই বিহে জন্মোৱা লক্ষণবোৰৰ বিষয়ে বিশেষজ্ঞই দিয়া অভিমতবোৰ প্ৰাসঙ্গিক।

(খ) প্ৰশ্ন হৈছে 'ক' ই কোনো এটা কাৰ্য্য কৰাৰ সময়ত মানসিক অসুস্থতাৰ বাবে সেই কাৰ্য্যৰ প্ৰকৃতি বা যিটো তেওঁ কৰি আছিল সেইটো দোষণীয় বা বিধিৰ প্ৰতিকূলে আছিল বুলি তেওঁ জানিবলৈ অসমৰ্থ আছিল নেকি ?

'ক'ৰ দ্বাৰা প্ৰদৰ্শিত লক্ষণবোৰ সাধাৰণতে মানসিক অসুস্থতাৰ নিদৰ্শন হয়নে নহয় আৰু তেনেকুৱা মানসিক অসুস্থতাই মানুহক তেওঁলোকে কৰা কামৰ প্ৰকৃতি বা তেওঁলোকে যি কৰিছে সেইটো দোষণীয় বা বিধিৰ প্ৰতিকূল হয় বুলি জানিবলৈ অসমৰ্থ কৰে নে নাই এই প্ৰশ্নটোৰ ওপৰত দিয়া বিশেষজ্ঞৰ অভিমতবোৰ প্ৰাসঙ্গিক।

---

১। ১৮৯১ ৰ অধিনিয়ম সংখ্যা ৩ ৰ ধাৰা ৫ ৰ দ্বাৰা অন্তঃস্থাপিত।

২। ১৮৯৯ ৰ অধিনিয়ম সংখ্যা ৫ ৰ ধাৰা ৩ ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ১৮৭২ ৰ অধিনিয়ম সংখ্যা ১৮-ৰ ধাৰা ৪ৰ দ্বাৰা অন্তঃস্থাপিত।

(গ) প্ৰশ্ন হৈছে, কোনো এখন নিৰ্দ্দিষ্ট দস্তাবেজ 'ক' ৰ দ্বাৰা লিখিত হৈছিল নেকি ? অন্য এখন দস্তাবেজ দাখিল কৰা হৈছে যিখন 'ক' ৰ দ্বাৰা লিখিত বুলি প্ৰমাণিত বা স্বীকৃত হৈছে।

দুয়োখন দস্তাবেজ একেজন ব্যক্তি বা বিভিন্ন ব্যক্তিৰ দ্বাৰা লিখিত হয় নে নহয় এই প্ৰশ্নটোৰ ওপৰত দিয়া বিশেষজ্ঞৰ অভিমতবোৰ প্ৰাসঙ্গিক।

১[৪৫ক। **ইলেকট্ৰ'নিক সাক্ষ্যৰ পৰীক্ষকৰ অভিমত** – যেতিয়া এটা কাৰ্য্যবাহীত ন্যায়ালয়ে কোনো কম্পিউটাৰ সম্পদ্য বা কোনো আন ইলেকট্ৰ'নিক বা ডিজিটেল প্ৰপত্ৰত সংপ্ৰেৰিত বা সংগৃহীত কোনো তথ্য সম্পৰ্কীয় কোনো বিষয়ৰ ওপৰত এটা অভিমত গঠন কৰে, তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ৰ ধাৰা ৭৯ কত নিৰ্দেশিত ইলেকট্ৰ'নিক সাক্ষ্যৰ পৰীক্ষকৰ অভিমতটো প্ৰাসঙ্গিক তথ্য হয়। ২০০০ৰ ২১

**স্পষ্টীকৰণ** – এই ধাৰাৰ প্ৰয়োজনাৰ্থে, ইলেকট্ৰ'নিক সাক্ষ্যৰ পৰীক্ষকজন এজন দক্ষ ব্যক্তি হব।]

৪৬। **বিশেষজ্ঞসকলৰ অভিমতৰ লগত যোগসূত্ৰ থকা তথ্যবোৰ** – তথ্যবোৰ অন্যথা প্ৰাসঙ্গিক নহলেও প্ৰাসঙ্গিক হয় যদি সেইবোৰে বিশেষজ্ঞ সকলৰ অভিমতবোৰ সমৰ্থন কৰে বা সেইবোৰৰ লগত অসঙ্গত হয়, যেতিয়া তেনেকুৱা অভিমতবোৰ প্ৰাসঙ্গিক হয়।

**দৃষ্টান্ত**

(ক) প্ৰশ্ন হৈছে 'ক' ৰ মৃত্যু এটা নিৰ্দ্দিষ্ট বিহৰ দ্বাৰা সংঘটিত হৈছিল নেকি ?

অন্য ব্যক্তিসকলে যি সকলক সেই বিহেৰে বিহ দিয়া হৈছিল, প্ৰদৰ্শন কৰা নিৰ্দ্দিষ্ট লক্ষণবোৰ, যিবোৰ বিশেষজ্ঞ সকলে সেই বিহৰ লক্ষণ হয় বুলি প্ৰতিজ্ঞাত কৰে বা প্ৰত্যাখ্যান কৰে সেই তথ্যটো প্ৰাসঙ্গিক।

(খ) প্ৰশ্ন হৈছে কোনো এটা পোতাশ্ৰয় এখন নিৰ্দ্দিষ্ট সামুদ্ৰিক প্ৰাচীৰৰ দ্বাৰা বাধা প্ৰাপ্ত হৈছিল নেকি ?

একেদৰে অৱস্থিত আন পোতাশ্ৰয়বোৰত, য'ত তেনে সামুদ্ৰিক প্ৰাচীৰ নাছিল, প্ৰায় সেই একে সময়তে যে বাধা প্ৰাপ্ত হবলৈ আৰম্ভ হৈছিল এই তথ্যটো প্ৰাসঙ্গিক।

৪৭। **হস্তলিপি সম্পৰ্কে অভিমত কেতিয়া প্ৰাসঙ্গিক** – যেতিয়া ন্যায়ালয়ে কোনো এজন ব্যক্তিৰ বিষয়ে যাৰ দ্বাৰা কোনো এখন দস্তাবেজ লিখিত বা স্বাক্ষৰিত হৈছিল নে নাই বুলি এটা অভিমত গঢ়িব লগা হয়, তেতিয়া যাৰ দ্বাৰা সেইখন লিখিত বা স্বাক্ষৰিত বুলি ধাৰণা কৰা হৈছে, তেনে ব্যক্তিৰ হস্তলিপিৰ সৈতে পৰিচিত কোনো ব্যক্তিয়ে সেইখন সেই ব্যক্তিজনৰ দ্বাৰা লিখিত বা স্বাক্ষৰিত হৈছিল বা হোৱা নাছিল বুলি দিয়া অভিমতটো এটা প্ৰাসঙ্গিক তথ্য।

**স্পষ্টীকৰণ** – কোনো ব্যক্তিক কোনো এজন ব্যক্তিৰ হস্তলিপিৰ সৈতে পৰিচিত বুলি কোৱা হয়, যেতিয়া তেওঁ সেই ব্যক্তিজনে লিখা দেখিছে বা তেওঁ নিজে বা তেওঁৰ প্ৰাধিকাৰৰ অধীনত লিখিত আৰু সেই ব্যক্তিজনলৈ সম্বোধিত দস্তাবেজৰ প্ৰত্যুত্তৰত, সেই ব্যক্তিৰ দ্বাৰা লিখিত বুলি তাৎপৰ্যিত দস্তাবেজ পাইছে বা যেতিয়া ব্যৱসায়ৰ সাধাৰণ অনুক্ৰমত, সেই ব্যক্তিৰ দ্বাৰা লিখিত বুলি তাৎপৰ্য্যিত দস্তাবেজ স্বাভাৱিকতে তেওঁৰ ওচৰত উপস্থাপিত কৰা হয়।

**দৃষ্টান্ত**

প্ৰশ্ন হৈছে প্ৰদত্ত চিঠি এখন লণ্ডনৰ সদাগৰ 'ক' ৰ হস্তলিপিৰ হয়নে নহয়। 'খ' এজন কলিকতাৰ সদাগৰ, যি 'ক' লৈ সম্বোধন কৰি কিছুমান চিঠি লিখিছিল আৰু তেওঁ লিখা বুলি তাৎপৰ্য্যিত চিঠিবোৰ পাইছিল। 'খ' ৰ কেৰাণী 'গ' যাৰ কৰ্ত্তব্য আছিল 'খ' ৰ যোগাযোগবোৰ পৰীক্ষা কৰা আৰু নথিভুক্ত কৰা। 'খ' ৰ দালাল 'ঘ' যালৈ 'ক' ৰ দ্বাৰা লিখিত বুলি তাৎপৰ্য্যিত চিঠিবোৰ 'খ' ই তেওঁক তাৰ ওপৰত পৰামৰ্শ দিয়াৰ উদ্দেশ্যে স্বাভাৱিকতে উপস্থাপিত কৰিছিল।

যদিও 'খ' 'গ' বা 'ঘ' ই কেতিয়াও 'ক' ই লিখা দেখা নাছিল তথাপি চিঠিখন 'ক' ৰ হস্তলিপিৰনে এই প্ৰশ্নটোৰ ওপৰত 'খ' 'গ' আৰু 'ঘ' ৰ অভিমতবোৰ প্ৰাসঙ্গিক।

২[৪৭ক। **৩[ইলেকট্ৰ'নিক চিগনেচাৰ] সম্পৰ্কে অভিমত কেতিয়া প্ৰাসঙ্গিক** – যেতিয়া ন্যায়ালয়ে কোনো ব্যক্তিৰ ৩[ইলেকট্ৰ'নিক চিগনেচাৰ]ৰ বিষয়ে এটা অভিমত দিব লগা হয়, ৩[ইলেকট্ৰ'নিক চিগনেচাৰ প্ৰমাণ পত্ৰ] জাৰি কৰা প্ৰমানীকৰণ প্ৰাধিকাৰীৰ অভিমতটো এটা প্ৰাসঙ্গিক তথ্য।

৪৮। **অধিকাৰ বা প্ৰথাৰ অস্তিত্ব সম্পৰ্কীয় অভিমত, কেতিয়া প্ৰাসঙ্গিক** – যেতিয়া ন্যায়ালয়ে কোনো সাধাৰণ প্ৰথা বা অধিকাৰৰ অস্তিত্বৰ বিষয়ে এটা অভিমত গঢ়িব লগা হয়, তেতিয়া তেনেকুৱা প্ৰথা বা অধিকাৰৰ অস্তিত্ব যদি আছিল তাৰ বিষয়ে যি জনাটো সম্ভৱ হ'লহেঁতেন, তেনে ব্যক্তি সকলৰ অভিমতবোৰ প্ৰাসঙ্গিক।

**স্পষ্টীকৰণ** – সাধাৰণ প্ৰথা বা অধিকাৰ এই অভিব্যক্তিয়ে ব্যক্তি সকলৰ যিকোনো বৃহৎ শ্ৰেণীৰ উমৈহতীয়া প্ৰথা বা অধিকাৰবোৰক অন্তৰ্ভুক্ত কৰিছে।

---

১। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ (২০০৯ৰ ১০)ৰ ধাৰা ৫২ৰ দ্বাৰা অন্তঃস্থাপিত।
২। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।
২। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

**দৃষ্টান্ত**

এখন বিশেষ গাৱৰ গাওঁবাসী সকলৰ এটা বিশেষ নাদৰ পানী ব্যৱহাৰ কৰিবলৈ থকা অধিকাৰটো এই ধাৰাৰ অৰ্থৰ অন্তৰ্গত এটা সাধাৰণ অধিকাৰ।

৪৯। **ৰীতি-নীতি, ধৰ্ম্মমত আদিৰ সম্পৰ্কে দিয়া অভিমত কেতিয়া প্ৰাসঙ্গিক** – যেতিয়া ন্যায়ালয়ে যি কোনো জনগোষ্ঠী বা পৰিয়ালৰ ৰীতি-নীতি আৰু ধৰ্ম্মৰ নিয়ম সম্পৰ্কে, যি কোনো ধৰ্ম্ম সম্পৰ্কীয় বা দাতব্য প্ৰতিষ্ঠানৰ সংগঠন আৰু প্ৰশাসন সম্পৰ্কে, বা কিছুমান বিশেষ জিলাত বা বাইজৰ বিশেষ শ্ৰেণীৰ দ্বাৰা ব্যৱহৃত শব্দ বা পদবোৰৰ অৰ্থ সম্পৰ্কে, অভিমত গঢ়িব লগা হয় তেতিয়া তাৰ বিষয়ে জনাৰ বিশেষ উপায় থকা ব্যক্তিসকলৰ অভিমতবোৰ প্ৰাসঙ্গিক তথ্য।

৫০। **সম্বন্ধৰ বিষয়ে অভিমত কেতিয়া প্ৰাসঙ্গিক** – যেতিয়া ন্যায়ালয়ে এজন ব্যক্তিৰ অন্য এজনৰ লগত থকা সম্বন্ধ সম্পৰ্কে, এটা অভিমত গঢ়িব লগা হয় তেতিয়া সেই পৰিয়ালৰ এজন সদস্য হিচাপে বা অন্যথা সেই বিষয়ে জনাৰ বিশেষ উপায় থকা ব্যক্তিসকলে আচৰণৰ দ্বাৰা অভিব্যক্ত কৰা তেনে সম্বন্ধৰ অস্তিত্বৰ বিষয়ে কৰা অভিমতটো প্ৰাসঙ্গিক তথ্যঃ

**পৰন্তু**, ভাৰতীয় বিবাহ বিচ্ছেদ অধিনিয়ম, ১৮৬৯(১৮৬৯ৰ ৪)ৰ কাৰ্য্যবাহীবোৰত বা ভাৰতীয় দণ্ড সংহিতা, ১৮৬০ (১৮৬০ৰ ৪৫)ৰ ধাৰা ৪৯৪, ৪৯৫, ৪৯৭ বা ৪৯৮ৰ অধীনত কৰা অভিযোজনবোৰত কোনো বিবাহ প্ৰমাণ কৰিবলৈ এনে অভিমত পৰ্য্যাপ্ত নহ’ব।

**দৃষ্টান্ত**

(ক) প্ৰশ্ন হৈছে ‘ক’ আৰু ‘খ’ বিবাহিত হয়নে নহয় ? তেওঁলোকক যে তেওঁলোকৰ বন্ধু-বান্ধৱ সকলে প্ৰায় স্বামী-স্ত্ৰী হিচাপে গ্ৰহণ কৰিছিল আৰু আচৰণ কৰিছিল এই তথ্যটো প্ৰাসঙ্গিক।

(খ) প্ৰশ্ন হৈছে ‘ক’ ‘খ’ৰ বৈধ সন্তান আছিল নে নাই ? এই তথ্যটো যে ‘ক’ক সদায় তেনেদৰে পৰিয়ালৰ সদস্য সকলে আচৰণ কৰিছিল, এইটো প্ৰাসঙ্গিক।

৫১। **অভিমতৰ ভিত্তিবোৰ কেতিয়া প্ৰাসঙ্গিক** – যেতিয়া কোনো জীৱিত ব্যক্তিৰ অভিমত প্ৰাসঙ্গিক হয় তেতিয়া যি ভিত্তিবোৰৰ ওপৰত অভিমতটো প্ৰতিষ্ঠিত সেইবোৰো প্ৰাসঙ্গিক।

**দৃষ্টান্ত**

এজন বিশেষজ্ঞই তেওঁৰ অভিমত গঢ়াৰ উদ্দেশ্যে কৰা পৰীক্ষাবোৰৰ বিৱৰণ দিব পাৰে।

## চৰিত্ৰ কেতিয়া প্ৰাসঙ্গিক

৫২। **চিভিল গোচৰত অধ্যাৰোপিত আচৰণ প্ৰমাণ কৰিবলৈ চৰিত্ৰ অপ্ৰাসঙ্গিক** – চিভিল গোচৰত, সংশ্লিষ্ট কোনো ব্যক্তিৰ চৰিত্ৰটো তেওঁৰ প্ৰতি অধ্যাৰোপিত কোনো আচৰণ সম্ভাব্য বা অসম্ভাব্য কৰিব পৰা তথ্যটো য’তদূৰ এনে চৰিত্ৰ তথ্যবোৰৰ পৰা অন্যথা প্ৰাসঙ্গিক বুলি প্ৰতীত হয়, তাৰ ব্যতিৰেকে অপ্ৰাসঙ্গিক।

৫৩। **দাণ্ডিক গোচৰত পূৰ্ব্বৰ সু-চৰিত্ৰ প্ৰাসঙ্গিক** – দাণ্ডিক কাৰ্য্যবাহীত, অভিযুক্ত ব্যক্তিজন যে সু-চৰিত্ৰৰ এই তথ্যটো প্ৰাসঙ্গিক।

[১][৫৪। **প্ৰত্যুত্তৰৰ ব্যতিৰেকে পূৰ্ব্বৰ কু-চৰিত্ৰ প্ৰাসঙ্গিক নহয়** – দাণ্ডিক কাৰ্য্যবাহীত অভিযুক্ত ব্যক্তিজন যে কু-চৰিত্ৰৰ এই তথ্যটো অপ্ৰাসঙ্গিক যদিহে এই বুলি দিয়া নহয় যে তেওঁ সু-চৰিত্ৰৰ, যি ক্ষেত্ৰত চৰিত্ৰ প্ৰাসঙ্গিক হয়।

**স্পষ্টীকৰণ** ১ –এই ধাৰাটো সেই গোচৰবোৰত প্ৰয়োগ নহয় য’ত কোনো ব্যক্তিৰ কু-চৰিত্ৰ স্বয়ং এটা বিবাদ্যক তথ্য হয়।

**স্পষ্টীকৰণ** ২–পূৰ্ব্বৰ দোষী সাব্যস্তকৰণ এটা কু-চৰিত্ৰৰ সাক্ষ্য হিচাপে প্ৰাসঙ্গিক।]

৫৫। **ক্ষতিৰ প্ৰভাৱ পেলাব পৰা চৰিত্ৰ** – চিভিল গোচৰত, কোনো এজন ব্যক্তিৰ চৰিত্ৰটো এনে, যি তেওঁ পাব লগা ক্ষতিপূৰণৰ পৰিমাণত প্ৰভাৱ ঘটায়, তেনে তথ্যটো প্ৰাসঙ্গিক।

**স্পষ্টীকৰণ**ঃ- ৫২, ৫৩, ৫৪ আৰু ৫৫, এই ধাৰাবোৰত “চৰিত্ৰ” শব্দটোৱে খ্যাতি আৰু স্বভাৱ উভয়কে অন্তৰ্ভুক্ত কৰে, কিন্তু [২] [ ধাৰা ৫৪ত যথা উপবন্ধিতৰ ব্যতিৰেকে ] কেৱল সাধাৰণ খ্যাতি আৰু সাধাৰণ স্বভাৱৰ বিষয়েহে সাক্ষ্য দিব পাৰে, আৰু যিটোৰ দ্বাৰা ক্ষতি বা স্বভাৱ দেখুৱাইছিল তেনে বিশেষ কাৰ্য্যৰ নহয়।

---

১। ১৮৯১ৰ অধিনিয়ম ৩ ৰ ধাৰা ৬ৰ দ্বাৰা মূল ধাৰাৰ স্থানত প্ৰতিষ্ঠাপিত।

২। ১৮৯১ চনৰ অধিনিয়ম ৩ৰ ধাৰা ৭ দ্বাৰা অন্তঃস্থাপিত।

ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২

ভাগ –২

**প্ৰমাণ সম্পৰ্কে**

অধ্যায় –৩

## যিবোৰ তথ্য প্ৰমাণ কৰাৰ আৱশ্যক নাই

৫৬। **ন্যায়িক ভাবে অৱেক্ষণীয় তথ্য প্ৰমাণ কৰাৰ আৱশ্যক নাই** – কোনো তথ্য যিটো ন্যায়ালয়ে ন্যায়িক অৱেক্ষণ লব সেইটো প্ৰমাণ কৰাৰ আৱশ্যক নাই।

৫৭। **যিবোৰ তথ্যৰ ন্যায়ালয়ে ন্যায়িক অৱেক্ষণ লব লাগিব** –নিম্নোক্ত তথ্যবোৰৰ প্ৰতি ন্যায়ালয়ে ন্যায়িক অৱেক্ষণ লব ঃ-

[১][(১) ভাৰতৰ ৰাজ্যক্ষেত্ৰত বলবৎ থকা সকলোবোৰ বিধি ; ]

(২)[২][যুক্ত ৰাজ্যৰ ] সংসদৰ দ্বাৰা পাৰিত হোৱা বা এতৎপশ্চাৎ পাৰিত হব লগা সকলো লোক অধিনিয়ম আৰু [২][যুক্তৰাজ্যৰ ] সংসদৰ দ্বাৰা ন্যায়িক ভাবে অৱেক্ষণ কৰিবলৈ নিৰ্দ্দেশিত সকলো স্থানীয় আৰু স্বকীয় অধিনিয়ম ;

(৩) [৩][ ভাৰতীয় ] সেনা, [৪][নৌ সেনা বা বায়ু সেনাৰ ] বাবে যুদ্ধৰ নিয়মাৱলী ;

(৪)[৫] [ যুক্তৰাজ্যৰ সংসদৰ, ভাৰতৰ সংবিধান সভা, সংসদৰ তথা কোনো প্ৰদেশ বা ৰাজ্যবোৰত তৎসময় বলবৎ থকা যি কোনো বিধিৰ অধীনত স্থাপিত বিধান মণ্ডলীবোৰৰ কাৰ্য্যবাহীৰ অনুক্ৰমত ; ]

(৫) গ্ৰেটবৃটেইন আৰু আয়াৰলেণ্ড যুক্তৰাজ্যৰ তৎসময় সম্ৰাটৰ সিংহাসনাৰোহন আৰু ৰাজহস্তাক্ষৰ;

(৬) সকলোবোৰ চাবমোহৰ, যিবোৰৰ ইংলেণ্ডৰ ন্যায়ালয় বিলাকে ন্যায়িক অৱেক্ষণ লয় [৬][ভাৰত ] ৰ ভিতৰত সকলোবোৰ [৭][ন্যায়ালয়ৰ] আৰু [৮][কেন্দ্ৰীয় চৰকাৰৰ বা ক্ৰাউন প্ৰতিনিধিৰ] দ্বাৰা স্থাপিত [৬] [ভাৰত]ৰ বাহিৰৰ সকলোবোৰ ন্যায়ালয়ৰ চাবমোহৰবোৰ নৌ অধিকৰণ আৰু সমুদ্ৰীয় অধিকাৰিতা থকা ন্যায়ালয়বোৰৰ আৰু ন'টাৰী পাব্লিকৰ চাবমোহৰবোৰ আৰু এনে সকলোবোৰ চাবমোহৰ যিবোৰ, [৯] [সংবিধান বা যুক্তৰাজ্যৰ সংসদৰ কোনো অধিনিয়ম] বা [৬] [ভাৰত]ত বিধিৰ বল থকা কোনো অধিনিয়ম বা বিনিয়মৰ দ্বাৰা কোনো ব্যক্তিক ব্যৱহাৰ কৰিবলৈ প্ৰাধিকৃত কৰা হয় ;

(৭) কোনো ৰাজ্যত কোনো লোক–পদত তৎসময় অধিষ্ঠিত হৈ থকা ব্যক্তিসকলৰ পদ আৰোহন, নাম, উপাধি, কৃত্য আৰু স্বাক্ষৰবোৰ, যদি এনে পদত তেওঁলোকৰ নিযুক্তিৰ তথ্যটো কোনো [১০][চৰকাৰী ৰাজপত্ৰ]ত অধিসূচিত কৰা হয় ;

---

১। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা পূৰ্ব্বৰৰ্ত্তী দফা ১ৰ স্থানত প্ৰতিষ্ঠাপিত।

২। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা 'হাৰ মেজেষ্টী'ৰ স্থানত প্ৰতিষ্ঠাপিত।

৪। ১৯২৭ৰ অধিনিয়ম ১০ৰ ধাৰা ২ আৰু অনুসূচী ১ৰ দ্বাৰা ''বা নৌ সেনাৰ'' স্থানত প্ৰতিষ্ঠাপিত।

৫। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা পূৰ্ব্বৰৰ্ত্তী দফা ৪ৰ স্থানত প্ৰতিষ্ঠাপিত।

৬। ১৯৫১ৰ অধিনিয়ম ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা 'ৰাজ্যবোৰ'ৰ স্থানত প্ৰতিষ্ঠাপিত।

৭। ভাৰতীয় স্বতন্ত্ৰতা 'কেন্দ্ৰীয় অধিনিয়ম তথা অধ্যাদেশ অনুকূলন' আদেশ, ১৯৪৮ৰ দ্বাৰা ''বৃটিছ ভাৰতৰ ন্যায়ালয়বোৰ'' স্থানত প্ৰতিষ্ঠাপিত।

৮। ''ভাৰত শাসন'' (ভাৰতীয় বিধি অনুকূলন) আদেশ, ১৯৩৭ৰ দ্বাৰা ''স-পৰিষদ গৱৰ্ণৰ জেনেৰেল বা স-পৰিষদ স্থানীয় চৰকাৰ'' স্থানত প্ৰতিষ্ঠাপিত।

৯। বিধি অনুকূল আদেশ, ১৯৫০ৰ দ্বাৰা ''পাৰ্লিয়ামেণ্টৰ কোনো অধিনিয়মৰ বা অন্য স্থানত প্ৰতিষ্ঠাপিত''।

১০। ভাৰত শাসন (ভাৰতীয় বিধি অনুকূলন) আদেশ, ১৯৩৭ৰ দ্বাৰা ভাৰতৰ ৰাজপত্ৰ বা কোনো স্থানীয় চৰকাৰৰ স্থানত প্ৰতিষ্ঠাপিত।

(৮) [১][ ভাৰত চৰকাৰ]ৰ দ্বাৰা স্বীকৃত প্ৰত্যেক ৰাজ্য বা সাৰ্বভৌমৰাষ্ট্ৰৰ অস্তিত্ব, উপাধি আৰু ৰাষ্ট্ৰীয় পতাকা ;

(৯) সময়ৰ বিভাজনবোৰ আৰু পৃথিবীৰ ভৌগোলিক বিভাজনবোৰ তথা চৰকাৰী ৰাজপত্ৰত অধিসূচিত লোক উৎসৱ, উপবাস আৰু অৱকাশৰ দিনবোৰ ;

(১০) [১][ ভাৰত চৰকাৰ]ৰ আধিপত্যাধীনত থকা ৰাজ্যক্ষেত্ৰবোৰ ;

(১১) [১][ ভাৰত চৰকাৰ ] আৰু অন্য যিকোনো ৰাষ্ট্ৰ, বা ব্যক্তিবোৰৰ নিকায়ৰ মাজত সংঘৰ্ষৰ প্ৰাৰম্ভ, ধাৰাবাহিকতা আৰু অৱসান ;

(১২) ন্যায়ালয়ৰ সদস্য আৰু পদাধিকাৰীসকলৰ আৰু তেওঁলোকৰ উপপদীয় আৰু অধীনস্থ পদ্যাধিকাৰী সকলৰ আৰু সহকাৰীসকলৰ আৰু ন্যায়ালয়ৰ আদেশিকা জাৰি কৰা কামত নিযুক্ত সকলো পদাধিকাৰী আৰু সকলো অধিবক্তা, এৰ্টনী, প্ৰোক্তাৰ, উকীল, প্লীডাৰ আৰু বিধিৰ দ্বাৰা ন্যায়ালয়ৰ আগত উপস্থিত হবলৈ আৰু কাম কৰিবলৈ প্ৰাধিকৃত অন্য ব্যক্তিসকলৰ নামবোৰ ;

(১৩) [২][ স্থলত বা সাগৰত ] পথৰ নিয়মবোৰ। এই আটাইবোৰ ক্ষেত্ৰত, আৰু লোক-ইতিহাস, সাহিত্য, বিজ্ঞান বা কলাৰ সকলোবোৰ বিষয়তে, ন্যায়ালয়ে নিজৰ সহায়ৰ বাবে সমুচিত গ্ৰন্থবোৰৰ বা প্ৰসঙ্গ নিৰ্দ্দেশ দস্তাৱেজবোৰৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে।

যদি কোনো ব্যক্তিয়ে ন্যায়ালয়ক তথ্যৰ ন্যায়িক অৱেক্ষণ লবলৈ কয়, যেতিয়ালৈকে বা যি পৰ্যন্ত তেনে ব্যক্তিয়ে সেইটো কৰিবৰ বাবে সমৰ্থবান কৰিবলৈ ন্যায়ালয়ে আৱশ্যকীয় বুলি বিবেচনা কৰা তেনে গ্ৰন্থ বা দস্তাৱেজ উপস্থাপন নকৰে, ন্যায়ালয়ে সেইটো কৰিবলৈ অস্বীকাৰ কৰিব পাৰে।

৫৮। **স্বীকৃত তথ্যবোৰ প্ৰমাণ কৰাৰ আৱশ্যক নাহ** – কোনো তথ্য যিটো কোনো কাৰ্য্যবাহীৰ পক্ষবিলাকে বা তেওঁলোকৰ অভিকৰ্তাই শুনানীৰ সময়ত স্বীকাৰ কৰিবলৈ সন্মত হয় বা যিটো শুনানীৰ আগেয়ে তেওঁলোকে নিজ হাতে লেখা দি স্বীকাৰ কৰে, বা যিটো, সেই সময়ত বলবৎ থকা অভিবচন সম্পৰ্কীয় নিয়ম মতে স্বীকৃত বুলি গণ্য হয় তেনে তথ্যবোৰ প্ৰমাণ কৰাৰ আৱশ্যক নকৰে ঃ

পৰন্তু ন্যায়ালয়ে নিজ বিবেকানুসাৰে, স্বীকৃত তথ্যটো তেনে স্বীকৃতিৰ বাদেও অন্যথা প্ৰমাণিত কৰাটো অপেক্ষিত কৰিব পাৰে।

## অধ্যায় – ৪

## মৌখিক সাক্ষ্যৰ বিষয়ে

৫৯। **মৌখিক সাক্ষ্যৰ দ্বাৰা তথ্যবোৰৰ প্ৰমাণ** – [৩][ দস্তাৱেজৰ অন্তৰ্বস্তু বা ইলেকট্ৰ'নিক ৰেকৰ্ড ] ব্যতিৰেকে সকলো তথ্যকে মৌখিক সাক্ষ্যৰে প্ৰমাণ কৰিব পাৰি।

৬০। **মৌখিক সাক্ষ্য প্ৰত্যক্ষ হ'বই লাগিব** –যিয়েই নহওক সকলো ক্ষেত্ৰতেই, মৌখিক সাক্ষ্য প্ৰত্যক্ষ হ'বই লাগিব ; অৰ্থাৎ –

যদি ই কোনো তথ্যৰ নিৰ্দ্দেশ কৰে যিটো দেখিব পৰা গ'লহেতেঁন, তেন্তে এইটো এনে কোনো সাক্ষীৰ সাক্ষ্য হব লাগিব, যি কয় যে তেওঁ এইটো দেখিছিল ;

যদি ই কোনো তথ্যৰ নিৰ্দ্দেশ কৰে, যিটো শুনিব পৰা গ'লহেতেঁন, তেন্তে এইটো এনে কোনো সাক্ষীৰ সাক্ষ্য হব লাগিব যি কয় যে তেওঁ এইটো শুনিছিল ;

যদি ই কোনো তথ্যৰ নিৰ্দ্দেশ কৰে, যিটো আন কোনো ইন্দ্ৰিয়ৰ দ্বাৰা বা অন্য কোনো ৰীতিৰ বোধগম্য হ'লহেতেঁন, তেন্তে এনে কোনো সাক্ষীৰ সাক্ষ্য হব লাগিব, যি কয় যে তেওঁৰ এইটো সেই ইন্দ্ৰিয়ৰে বা সেই ৰীতিৰ বোধগম্য হৈছিল ;

যদি ই কোনো অভিমতৰ বা ভিত্তিসমূহৰ নিৰ্দ্দেশ কৰে, যিবোৰ ভিত্তিত সেই অভিমত পোষণ কৰা হৈছিল তাৰ নিৰ্দ্দেশ কৰে তেন্তে এইটো তেনে ব্যক্তিৰ সাক্ষ্য হব লাগিব যি সেই ভিত্তিসমূহৰ আধাৰত সেই অভিমত পোষণ কৰে ঃ

পৰন্তু সাধাৰণতে বিক্ৰীৰ বাবে প্ৰস্তাৱিত কোনো গ্ৰন্থত প্ৰকাশ হোৱা বিশেষজ্ঞসকলৰ অভিমতবোৰ, আৰু যিবোৰ ভিত্তিৰ আধাৰত এনেবোৰ অভিমত পোষণ কৰা হৈছিল সেইবোৰ, তেনে গ্ৰন্থবোৰ দাখিল কৰি প্ৰমাণ কৰিব পাৰি যদি গ্ৰন্থকাৰজনৰ মৃত্যু হয় বা তেওঁক বিচাৰ পাব নোৱাৰি, বা তেওঁ সাক্ষ্যদানৰ বাবে অক্ষম হয়, বা কিছু পৰিমাণৰ বিলম্ব আৰু ব্যয় বিনা সাক্ষী হিচাপে মাতিব নোৱাৰি যিটো ন্যায়ালয়ে অযুক্তিকৰ বুলি মান্য কৰে ঃ

উপৰন্তু কোনো দস্তাৱেজৰ বাহিৰে যদি মৌখিক সাক্ষ্যই কোনো বাস্তৱ পদাৰ্থৰ অস্তিত্ব বা অৱস্থাৰ বিষয়ে নিৰ্দ্দেশ কৰে, তেতিয়া ন্যায়ালয়ে যদি এইটো উপযুক্ত বুলি ভাবে, তেন্তে পৰিদৰ্শনৰ বাবে তেনেকুৱা বাস্তৱ পদাৰ্থটো দাখিল কৰাটো অপেক্ষা কৰিব পাৰে।

---

১। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা 'বৃটিছ ক্ৰাউন'ৰ স্থানত প্ৰতিষ্ঠাপিত।

২। ১৮৭২ৰ অধিনিয়ম সংখ্যা ১৮ৰ ধাৰা ৫ৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা ''দস্তাৱেজৰ অন্তৰ্বস্তুৰ'' স্থানত প্ৰতিষ্ঠাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

ভাৰতীয় সাক্ষ্য অধিনিয়ম, ১৮৭২

অধ্যায় – ৫

দস্তাৱেজী সাক্ষ্যৰ বিষয়ে

৬১। **দস্তাৱেজবোৰৰ অন্তৰ্বস্তুৰ প্ৰমাণ** – দস্তাৱেজবোৰৰ অন্তৰ্বস্তুৰ প্ৰাথমিক বা দ্বিতীয়ক সাক্ষ্যৰে প্ৰমাণ কৰিব পাৰি।

৬২। **প্ৰাথমিক সাক্ষ্য** – প্ৰাথমিক সাক্ষ্য মানে ন্যায়ালয়ৰ পৰিদৰ্শনৰ বাবে দাখিল কৰা স্বয়ং দস্তাৱেজবোৰ।

**স্পষ্টীকৰণ** ১– যেতিয়া কোনো এক দস্তাৱেজ কেইবাটাও ভাগত নিষ্পাদিত হয়, তেতিয়া দস্তাৱেজখনৰ প্ৰত্যেকটো ভাগেই প্ৰাথমিক সাক্ষ্য ;

যেতিয়া দস্তাৱেজখন প্ৰতিৰূপত নিষ্পাদিত হয়, প্ৰত্যেকটো প্ৰতিৰূপ পক্ষবিলাকৰ কেৱল এজন বা কেইজনমানৰ দ্বাৰা নিষ্পাদিত হয়, তেনেক্ষেত্ৰত তাৰ প্ৰত্যেকটো প্ৰতিৰূপ নিষ্পাদনকাৰী পক্ষসমূহৰ বিৰুদ্ধে প্ৰাথমিক সাক্ষ্য।

**স্পষ্টীকৰণ** ২– মুদ্ৰণ, লিথোগ্ৰাফী বা আলোক চিত্ৰত কৰাৰ দৰে য'ত কেইবাখনো দস্তাৱেজৰ আটাইকেইখনেই একেটা সমৰূপ প্ৰক্ৰিয়াৰে কৰা হয়, প্ৰত্যেকখনেই বাকী কেইখনৰ অন্তৰ্বস্তুবোৰৰ প্ৰাথমিক সাক্ষ্য হয় কিন্তু য'ত সেইবোৰ সকলো একেখন মূলৰ প্ৰতিলিপি হয়, তেতিয়া সেইবোৰ সেই মূলখনৰ অন্তৰ্বস্তুৰ প্ৰাথমিক সাক্ষ্য নহয়।

**দৃষ্টান্ত**

একেখন মূলৰ পৰা একে সময়তে মুদ্ৰিত কিছুমান প্লেকাৰ্ড এজন ব্যক্তিৰ দখলত থকা বুলি দেখুওৱা হৈছে। প্লেকাৰ্ডবোৰৰ যি কোনো এখনেই অন্য যি কোনো এখনৰ অন্তৰ্বস্তুৰ প্ৰাথমিক সাক্ষ্য, কিন্তু সেইবোৰৰ কোনোখনেই মূলখনৰ অন্তৰ্বস্তুৰ প্ৰাথমিক সাক্ষ্য নহয়।

৬৩। **দ্বিতীয়ক সাক্ষ্য** – দ্বিতীয়ক সাক্ষ্যই নিম্নোক্তসমূহক বুজায় আৰু অন্তৰ্ভুক্ত কৰে –

(১) এতৎপশ্চাৎ অন্তৰ্বিষ্ট উপবন্ধবোৰৰ মতে দিয়া প্ৰমাণিত প্ৰতিলিপিবোৰ ;

(২) যান্ত্ৰিক প্ৰক্ৰিয়াৰে মূলৰ পৰা কৰা প্ৰতিলিপিবোৰ, যিবোৰে স্বয়ং প্ৰতিলিপিৰ শুদ্ধতা সুনিশ্চিত কৰে আৰু তেনে প্ৰতিলিপিৰ লগত মিলাই লোৱা প্ৰতিলিপিবোৰ ;

(৩) মূলৰ পৰা কৰা আৰু মূলৰ লগত মিলাই লৈ কৰা প্ৰতিলিপিবোৰ ;

(৪) যি নিষ্পাদন কৰা নাছিল তেনে পক্ষবিলাকৰ বিৰুদ্ধে দস্তাৱেজবোৰৰ প্ৰতিৰূপ ;

(৫) যি নিজেই দেখিছে তেনে কোনো ব্যক্তিয়ে দস্তাৱেজৰ অন্তৰ্বস্তুৰ বিষয়ে দিয়া মৌখিক বিৱৰণবোৰ।

**দৃষ্টান্ত**

(ক) কোনো মূলৰ আলোক চিত্ৰ ইয়াৰ অন্তৰ্বস্তুৰ দ্বিতীয়ক সাক্ষ্য, যদিও সেই দুটা মিলোৱা নাই, যদি এইটো প্ৰমাণিত হয় যে আলোক চিত্ৰিত বস্তুটো মূল আছিল।

(খ) যদি এইটো দেখুওৱা হয় যে প্ৰতিলিপি কৰা যন্ত্ৰটোৰ দ্বাৰা কৰা প্ৰতিলিপিখন মূলখনৰ পৰা কৰা হৈছিল, তেন্তে এটা প্ৰতিলিপি কৰা যন্ত্ৰৰ দ্বাৰা কৰা চিঠি এখনৰ প্ৰতিলিপিৰ লগত মিলাই চোৱা এখন প্ৰতিলিপি চিঠিখনৰ অন্তৰ্বস্তুৰ দ্বিতীয়ক সাক্ষ্য।

(গ) এখন প্ৰতিলিপিৰ পৰা প্ৰতিলেখন কৰা, কিন্তু পিছত মূলখনৰ লগত মিলাই চোৱা, কোনো এটা প্ৰতিলিপি দ্বিতীয়ক সাক্ষ্য, কিন্তু এনেদৰে মিলাই নোচোৱা প্ৰতিলিপিখন মূলখনৰ দ্বিতীয়ক সাক্ষ্য নহয় যদিও য'ৰ পৰা ইয়াক প্ৰতিলেখন কৰা হৈছিল সেই প্ৰতিলিপিখন মূলখনৰ সৈতে মিলোৱা হৈছিল।

(ঘ) মূলখনৰ লগত মিলোৱা প্ৰতিলিপি এখনৰ মৌখিক বিৱৰণ নতুবা মূলখনৰ কোনো আলোক চিত্ৰ বা যান্ত্ৰিক প্ৰতিলিপি সম্পৰ্কে কোনো মৌখিক বিৱৰণ কোনোটোৱেই মূলখনৰ দ্বিতীয়ক সাক্ষ্য নহয়।

৬৪। **প্ৰাথমিক সাক্ষ্যৰ দ্বাৰা দস্তাৱেজৰ প্ৰমাণ** – দস্তাৱেজবোৰ এতৎপশ্চাৎ উল্লিখিত ক্ষেত্ৰবোৰৰ ব্যতিৰেকে প্ৰাথমিক সাক্ষ্যৰ দ্বাৰা প্ৰমাণ কৰিব লাগিব।

৬৫। **যিবোৰ ক্ষেত্ৰত দস্তাৱেজবোৰৰ সম্পৰ্কে দ্বিতীয়ক সাক্ষ্য দিব পাৰি** – নিম্নোক্ত বিষয়বোৰত কোনো দস্তাৱেজৰ অস্তিত্বৰ, অৱস্থা বা অন্তৰ্বস্তুৰ বিষয়ে দ্বিতীয়ক সাক্ষ্য দিব পাৰি –

(ক) যেতিয়া এইটো দৰ্শিত হয় বা প্ৰতীত হয় যে মূল দস্তাৱেজ এনে ব্যক্তিৰ অভিৰক্ষণত বা ক্ষমতাধীনত আছে –

যাৰ বিৰুদ্ধে দস্তাৱেজখন প্ৰমাণিত কৰিবলৈ বিচৰা হৈছে তেনে ব্যক্তিৰ, বা

ন্যায়ালয়ৰ আদেশিকাই ঢুকি নোপোৱা, বা এনে আদেশিকাৰ অধীনত নোহোৱা কোনো ব্যক্তিৰ, বা

সেইখন দাখিল কৰিবলৈ বিধি মতে বাধ্য, আৰু যেতিয়া, ধাৰা ৬৬ত উল্লিখিত সূচনাৰ পিছত তেনে ব্যক্তিয়ে সেইখন দাখিল নকৰে তেনে ব্যক্তিৰ ;

(খ) যেতিয়া মূলধনৰ অস্তিত্ব, অৱস্থা বা অন্তৰ্বস্তুৰ, যাৰ বিৰুদ্ধে সেইখন প্ৰমাণিত হৈছে তেওঁ বা তেওঁৰ স্বাৰ্থৰ প্ৰতিনিধিৰ দ্বাৰা লিখিতভাৱে স্বীকৃত বুলি প্ৰমাণ কৰা হৈছে ;

(গ) যেতিয়া মূলখন নষ্ট হৈছে বা হেৰাই গৈছে, বা যেতিয়া তাৰ অন্তৰ্বস্তুৰ বিষয়ে সাক্ষ্য দিয়া পক্ষটোৱে তেওঁৰ নিজা ত্ৰুটি বা অৱহেলাৰ কাৰণে উদ্ভৱ নোহোৱা অন্য যি কোনো কাৰণৰ বাবে যুক্তিযুক্ত সময়ত সেইখন দাখিল কৰিব নোৱাৰে ;

(ঘ) যেতিয়া মূলখন এনে প্ৰকৃতিৰ হয় যে তাক সহজে স্থানান্তৰ কৰিব নোৱাৰি ;

(ঙ) যেতিয়া মূলধন ধাৰা ৭৪ৰ অৰ্থৰ অন্তৰ্গত এখন লোক দস্তাৱেজ হয় ;

(চ) যেতিয়া মূলখন এনে এখন দস্তাৱেজ যিখনৰ প্ৰমাণিত প্ৰতিলিপি এই অধিনিয়মৰ দ্বাৰা বা [1][ ভাৰতত ] বলবৎ থকা অন্য যি কোনো বিধিৰ দ্বাৰা সাক্ষ্যদানত দাখিল কৰিবলৈ অনুজ্ঞাত হয় ;

(ছ) যেতিয়া মূল দস্তাৱেজসমূহ অসংখ্য হিচাপেৰে বা অন্য দস্তাৱেজেৰে গঠিত হয়, যিবোৰ সুবিধাজনকভাবে ন্যায়ালয়ত পৰীক্ষা কৰিব নোৱাৰি আৰু প্ৰমাণিত হব লগা তথ্যটো গোটেই সংগ্ৰহটোৰ সাধাৰণ ফলাফল হয়।

(ক), (গ) আৰু (ঘ) ক্ষেত্ৰকেইটাত, দস্তাৱেজৰ অন্তৰ্বস্তুৰ বিষয়ে দ্বিতীয়ক সাক্ষ্য গ্ৰহণীয় হব।

(খ) ৰ ক্ষেত্ৰত, লিখিত স্বীকৃতিটো গ্ৰহণীয়।

(ঙ) বা (চ)ৰ ক্ষেত্ৰত, দস্তাৱেজৰ প্ৰমাণিত প্ৰতিলিপি গ্ৰহণীয়, কিন্তু অন্য কোনো ধৰণৰ সাক্ষ্য গ্ৰহণীয় নহয়।

(ছ)ৰ ক্ষেত্ৰত, যি সেইবোৰ পৰীক্ষা কৰিছে আৰু যি তেনেবোৰ দস্তাৱেজ পৰীক্ষা কৰাত পাৰদৰ্শী তেনে যিকোনো ব্যক্তিৰ দ্বাৰা দস্তাৱেজবোৰৰ সাধাৰণ ফলাফলৰ বিষয়ে সাক্ষ্য দিব পাৰে।

[2][**৬৫ক। ইলেকট্ৰ'নিক ৰেকৰ্ড সম্পৰ্কে সাক্ষ্যৰ বিষয়ে বিশেষ উপৰন্ধাৱলী** – ইলেকট্ৰ'নিক ৰেকৰ্ডৰ অন্তৰ্বস্তু, ধাৰা ৬৫ খৰ উপৰন্ধাৱলীৰ অনুসৰণত প্ৰমাণিত হব পাৰে।

**৬৫খ। (১) ইলেকট্ৰ'নিক ৰেকৰ্ডৰ স্বীকাৰ্য্যতা** –এই অধিনিয়মত কোনো কথা থকা স্বত্বেও, এটা ইলেকট্ৰ'নিক ৰেকৰ্ডত থকা তথ্যকো, যিটো বাতৰি কাকতত ছপা হৈছে, এটা কম্পিউটাৰৰ দ্বাৰা উৎপাদিত (ইয়াত ইয়াৰ পিছত কম্পিউটাৰৰ উৎপাদনৰ দৰে নিৰ্দ্দেশিত) কোনো দৃষ্টি বিষয়ক বা চুম্বকীয় মাধ্যমত জমা কৰা হৈছে, ৰেকৰ্ড কৰা বা প্ৰতিলিপি কৰা হৈছে, দস্তাৱেজ বুলি গন্য কৰা হব যদিহে এই ধাৰাত উল্লিখিত চৰ্ত্তাৱলীয়ে তথ্য আৰু প্ৰশ্নগত কম্পিউটাৰ সম্পৰ্কে সন্তুষ্ট হয় আৰু ইয়াত বৰ্নিত কোনো মূল বা কোনো তথ্যৰ সাক্ষ্যৰূপে যাৰ প্ৰত্যক্ষ সাক্ষ্য গ্ৰহণীয় হ'লহেতেঁন, মূলৰ অতিৰিক্ত প্ৰমাণ বা উপস্থাপন বিনা, কোনো কাৰ্য্যবাহীত গ্ৰহণ যোগ্য নহব।

(২) এটা কম্পিউটাৰৰ উৎপাদন সম্বন্ধে উপ-ধাৰা (১)ত নিৰ্দ্দেশিত চৰ্ত্তাৱলী নিম্নলিখিতসমূহ হব অৰ্থাৎ ঃ-

(ক) তথ্য অন্তৰ্বিষ্ট কম্পিউটাৰৰ নিৰ্গম কম্পিউটাৰৰ ব্যৱহাৰৰ ওপৰত বিধিপূৰ্ণ নিয়ন্ত্ৰন থকা কোনো ব্যক্তিৰ দ্বাৰা সেই সময়ছোৱাত নিয়মিতভাবে চলোৱা কোনো কাৰ্যাকলাপৰ প্ৰয়োজনাৰ্থে তথ্য সঞ্চয় কৰিবলৈ বা প্ৰক্ৰিয়া কৰিবলৈ নিয়মিতভাবে ব্যৱহৃত হোৱা সময়ছোৱাত কম্পিউটাৰৰ দ্বাৰা উৎপাদিত হৈছিল ;

(খ) উক্ত সময়ছোৱাত ইলেকট্ৰ'নিক ৰেকৰ্ডত অন্তৰ্বিষ্ট বস্তুৰ বা এনেদৰে আহৰণ কৰা অন্তৰ্বিষ্ট তথ্যৰ বস্তু উক্ত কাৰ্য্যকলাপৰ সাধাৰণ ক্ৰমত নিয়মিতভাৱে কম্পিউটাৰক যোগান ধৰা হয় ;

(গ) উক্ত সময়ছোৱাৰ সমগ্ৰ তাত্ত্বিক ভাগত কম্পিউটাৰ সমুচিত ভাবে প্ৰৱৰ্ত্তন হৈছিল বা, যদি হোৱা নাছিল তেতিয়া কোনো সময়ছোৱাৰ সম্বন্ধত য'ত ই সমুচিত ভাবে প্ৰৱৰ্ত্তন হোৱা নাছিল বা সময়ছোৱাৰ সেই ভাগৰ কালত প্ৰৱৰ্ত্তন হোৱা নাছিল, তেন্তে ইলেকট্ৰ'নিক ৰেকৰ্ড বা ইয়াৰ অন্তৰ্বস্তুৰ শুদ্ধতা সম্পৰ্কে প্ৰভাৱিত কৰা নাছিল ; আৰু

(ঘ) ইলেকট্ৰ'নিক ৰেকৰ্ডত অন্তৰ্বিষ্ট তথ্য, উক্ত কাৰ্য্যকলাপৰ সাধাৰণ ক্ৰমত কম্পিউটাৰলৈ যোগান ধৰা এনে তথ্যৰ পৰা পুনৰ উৎপাদন কৰে বা আহৰণ কৰে।

---

১। ১৯৫১ৰ অধিনিয়ম ৩ ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা 'ৰাজ্য সমূহৰ' স্থানত প্ৰতিষ্ঠাপিত।

২। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

(৩) য'ত কোনো সময়ছোৱাৰ ওপৰত উপ-ধাৰা (২)ৰ খণ্ড (ক)ত উল্লিখিত দৰে সেই সময়ছোৱাত নিয়মিতভাৱে কাৰ্য্যকৰী হোৱা কোনো কাৰ্য্যকলাপৰ প্ৰয়োজনাৰ্থে তথ্য সঞ্চয় বা প্ৰসংস্কৰণ কৰা কাৰ্য্য কম্পিউটাৰৰ দ্বাৰা নিম্নলিখিতসমূহ নিয়মিতভাৱে সম্পৰ্কিত কৰা হৈছিল –

(ক) সেই সময়ছোৱাত প্ৰৱৰ্ত্তন হোৱা কম্পিউটাৰৰ এটা সংযোগৰ দ্বাৰা ; বা

(খ) সেই সময়ছোৱাত একেৰাহে প্ৰৱৰ্ত্তন হোৱা বিভিন্ন কম্পিউটাৰৰ দ্বাৰা ; বা

(গ) সেই সময়ছোৱাত একেৰাহে প্ৰৱৰ্ত্তন হোৱা কম্পিউটাৰৰ বিভিন্ন সংযোগৰ দ্বাৰা ; বা

(ঘ) এক বা ততোধিক কম্পিউটাৰ আৰু এক বা ততোধিক কম্পিউটাৰৰ সংযোগ যি ক্ৰমতেই নাথাকক কিয়, সেই সময়ছোৱাত অনুক্ৰমিক প্ৰৱৰ্ত্তন জড়িত থকা কোনো আন ৰীতিত,

সেই সময়ছোৱাত সেই প্ৰয়োজনৰ বাবে ব্যৱহৃত সকলো কম্পিউটাৰ, এটা গঠিত হোৱা একক কম্পিউটাৰ ৰূপে, এই ধাৰাৰ প্ৰয়োজনাৰ্থে ব্যৱহৃত হব ; আৰু এটা কম্পিউটাৰলৈ এই ধাৰাত থকা নিৰ্দ্দেশৰ, তদনুসাৰে অৰ্থ হব।

(৪) কোনো কাৰ্য্যবাহীত, এই ধাৰাৰ বলত যেতিয়া সাক্ষ্যত এটা বিবৃতি দিবলৈ ইচ্ছা কৰা হয়, নিম্নলিখিত কাৰ্য্যসমূহৰ যিকোনোটো কৰিবলৈ এখন প্ৰমাণপত্ৰ, অৰ্থাৎ ঃ-

(ক) বিৱৰণ অন্তৰ্বিষ্ট ইলেকট্ৰ'নিক ৰেকৰ্ড চিনাক্ত কৰা আৰু ইয়াক উপস্থাপিত ৰীতিৰ বৰ্ণনা কৰা ;

(খ) ইলেকট্ৰ'নিক ৰেকৰ্ড, এটা কম্পিউটাৰৰ দ্বাৰা উৎপাদিত বুলি দেখুওৱাৰ প্ৰয়োজনাৰ্থে, সমুচিত হোৱা দৰে সেই ইলেকট্ৰ'নিক ৰেকৰ্ডৰ উৎপাদনত জড়িত কোনো কৌশলৰ এনে সবিশেষ দাখিল কৰা ;

(গ) বিষয়সমূহৰ যিকোনোটোৰ সৈতে সংব্যৱহৃত য'ত উপধাৰা (২)ত উল্লিখিত সম্পৰ্কিত চৰ্ত্তাৱলী, আৰু সুসঙ্গ কৌশলৰ প্ৰৱৰ্ত্তন বা সুসঙ্গ কাৰ্য্যকলাপৰ পৰিচালনাৰ (যিটোৱেই সমুচিত হয়) সম্পৰ্কে দায়িত্বপূৰ্ন প্ৰশাসনীয় পদ ধাৰণ কৰা কোনো ব্যক্তিৰ দ্বাৰা স্বাক্ষৰিত হবলৈ তাৎপৰ্য্যিত চৰ্ত্তাৱলী, প্ৰমান পত্ৰ বৰ্ণিত কোনো বিষয়ৰ সাক্ষ্য হব ; আৰু এই উপ-ধাৰাৰ প্ৰয়োজনাৰ্থে ইয়াক বৰ্ণনা কৰা ব্যক্তিৰ সৰ্ব্বোত্তম জ্ঞান আৰু বিশ্বাসলৈ বৰ্ণিত হবলৈ এটা বিষয়ৰ বাবেই পৰ্য্যাপ্ত হব।

(৫) এই ধাৰাৰ প্ৰয়োজনাৰ্থে, –

(ক) তথ্যটোক, এটা কম্পিউটাৰলৈ যোগান ধৰিবলৈ নিয়া হব যদিহে ইয়াক কোনো সমুচিত ৰীতিত তালৈ যোগান ধৰা হয় আৰু ই এনেদৰে প্ৰত্যক্ষভাৱে বা কোনো সমুচিত সৰঞ্জামৰ মাধ্যমেৰে যোগান ধৰা হওঁক বা নহওঁক (মানৱ হস্তক্ষেপ সহ বা বিনা) ;

(খ) কোনো প্ৰশাসকৰ দ্বাৰা কাৰ্য্যকৰী কৰা কাৰ্য্যকলাপৰ ক্ৰমত হওঁকেই বা নহওঁক সেই কাৰ্য্যকলাপৰ ক্ৰমত অন্যাথা প্ৰৱৰ্ত্তিত এটা কম্পিউটাৰৰ দ্বাৰা সেই কাৰ্য্যকলাপসমূহৰ প্ৰয়োজনাৰ্থে সঞ্চয় বা প্ৰসংস্কৰণ, কৰাৰ বাবে তথ্য যোগান ধৰা হয়, যদিহে সেই কম্পিউটাৰলৈ সমুচিত ভাৱে যোগান ধৰা হয়, তেন্তে সেই তথ্যক সেই কাৰ্য্যকলাপসমূহৰ ক্ৰমত ইয়ালৈ যোগান ধৰা বুলি গণ্য কৰা হব ;

(গ) এটা কম্পিউটাৰ নিৰ্গম (মানৱ হস্তক্ষেপ সহ বা বিনা) ই প্ৰত্যক্ষভাৱে বা কোনো সমুচিত সৰঞ্জামৰ মাধ্যমেৰে যি ভাৱেই ই উৎপাদন নহওঁক কিয়, এটা কম্পিউটাৰৰ দ্বাৰা উৎপাদন কৰিবলৈ নিয়া হব।

**স্পষ্টীকৰণ** – এই ধাৰাৰ প্ৰয়োজনাৰ্থে আন তথ্যৰ পৰা আহৰণ হোৱা তথ্যৰ কোনো নিৰ্দ্দেশ, গণনা, তুলনা বা কোনো আন প্ৰক্ৰিয়াৰ দ্বাৰা তাৰ পৰা আহৰণ হোৱাত ইয়ালৈ থকা প্ৰসঙ্গ নিৰ্দ্দেশ হব।]

**৬৬। দাখিল কৰিবলৈ সূচনা দিয়াৰ বিষয়ে নিয়মাৱলী ঃ-** ধাৰা ৬৫ৰ খণ্ড (ক)ত উল্লিখিত দস্তাৱেজবোৰৰ অন্তৰ্বস্তুবোৰৰ বিষয়ে দ্বিতীয়ক সাক্ষ্য দিব নোৱাৰিব, যদিহে তেনে দ্বিতীয়ক সাক্ষ্য দিব খোজা পক্ষটোৱে যাৰ দখলত বা ক্ষমতাধীনত দস্তাৱেজখন আছে তেওঁক, [1][ বা তেওঁৰ এটৰ্নীক বা উকীলক ] সেইখন দাখিল কৰিবলৈ বিধিৰ দ্বাৰা বিহিত ব্যৱস্থা মতে, আৰু যদি কোনো সূচনা বিধিৰ দ্বাৰা বিহিত কৰা হোৱা নাই, তেন্তে বাদটোৰ পৰিস্থিতিত ন্যায়ালয়ে যুক্তিযুক্ত বুলি বিবেচনা কৰা মতে তেনে সূচনা পূৰ্ব্বে দিয়া হোৱা নাই ঃ

**পৰন্তু** তলত দিয়া ক্ষেত্ৰবোৰত, বা ন্যায়ালয়ে ইয়াক অভিমুক্তি দিবলৈ উপযুক্ত বুলি ভবা অন্য যি কোনো ক্ষেত্ৰত দ্বিতীয়ক সাক্ষ্য গ্ৰহণীয় কৰিবৰ বাবে এনে সূচনা প্ৰয়োজনীয় নহব ঃ-

(১) যেতিয়া প্ৰমাণ কৰিবলগীয়া দস্তাৱেজখন স্বয়ং এখন সূচনা ;

(২) যেতিয়া বাদটোৰ প্ৰকৃতিৰ পৰা প্ৰতিপক্ষই তেওঁ যে এইখন দাখিল কৰাটো প্ৰয়োজন হব সেইটো নিশ্চয় জানিব লাগে ;

---

১। ১৮৭২ৰ অধিনিয়ম ১৮ৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত।

(৩) যেতিয়া এইটো প্ৰতীত হয় বা প্ৰমাণিত হয় যে প্ৰতিপক্ষই প্ৰতাৰণাৰ বা শক্তি প্ৰয়োগৰ দ্বাৰা মূলখনৰ দখল পাইছে ;

(৪) যেতিয়া প্ৰতিপক্ষ বা তেওঁৰ অভিকৰ্ত্তাজনৰ হাতত মূলখন ন্যায়ালয়ত আছে ;

(৫) যেতিয়া প্ৰতিপক্ষই বা তেওঁৰ অভিকৰ্ত্তাই দস্তাবেজখন হেৰোৱাটো স্বীকাৰ কৰে ;

(৬) যেতিয়া দস্তাবেজখনৰ দখলত থকা ব্যক্তিজন ন্যায়ালয়ৰ আদেশিকাই ঢুকি পোৱাৰ বাহিৰত বা এনে আদেশিকাৰ অধীন নহয়।

৬৭। **দাখিলীকৃত দস্তাবেজত স্বাক্ষৰ কৰা বা লিখা বুলি অভিকথিত ব্যক্তিজনৰ স্বাক্ষৰ আৰু হস্তলিপিৰ প্ৰমাণ** – যদি এখন দস্তাবেজ সামগ্ৰিক ভাৱে বা আংশিকভাৱে যিকোনো ব্যক্তিৰ দ্বাৰা স্বাক্ষৰিত বা লিখিত বুলি অভিকথিত হয়, স্বাক্ষৰটো বা দস্তাবেজখনৰ যিমানখিনি সেই ব্যক্তিজনৰ হস্তলিপিৰ বুলি অভিকথিত হৈছে ঠিক সিমানখিনি হস্তলিপি সেই ব্যক্তিজনৰ হস্তলিপি বুলি প্ৰমাণ কৰিব লাগিব।

[1][৬৭ক। [2][**ইলেকট্ৰ'নিক চিগনেচাৰ**]**ৰ সম্পৰ্কে প্ৰমাণ** –প্ৰতিভূত ডিজিটেল চিগনেচাৰৰ ক্ষেত্ৰ ব্যতিৰেকে যদিহে কোনো গ্ৰাহকৰ [2][ইলেকট্ৰ'নিক চিগনেচাৰ] এটা ইলেকট্ৰ'নিক ৰেকৰ্ডত সংযোজিত কৰা বুলি অভিকথিত হৈছে সেই তথ্যটো, যে এনে [2][ইলেকট্ৰ'নিক চিগনেচাৰ] গ্ৰাহকৰ এনে [2][ইলেকট্ৰ'নিক চিগনেচাৰ] হয় সেইটো প্ৰমাণিত হব লাগিব।]

৬৮। **প্ৰত্যায়িত হব লাগে বুলি বিধিৰ দ্বাৰা অপেক্ষিত দস্তাবেজৰ নিষ্পাদনৰ প্ৰমাণ** – যদি কোনো দস্তাবেজ প্ৰত্যায়িত হোৱাটো বিধিৰ দ্বাৰা অপেক্ষিত হয়, তেন্তে যদি কোনো প্ৰত্যায়ণকাৰী সাক্ষী জীৱিত থাকে আৰু ন্যায়ালয়ৰ আদেশিকাৰ অধীন হয়, আৰু সাক্ষ্য দানৰ বাবে সমৰ্থবান হয় তেতিয়া সেইখনৰ নিষ্পাদন প্ৰমাণ কৰিবৰ বাবে কম পক্ষেও এজন প্ৰত্যায়নকাৰী সাক্ষী যেতিয়ালৈকে মতা নহয় এইখন সাক্ষ্য হিচাবে ব্যৱহৃত কৰিব নোৱাৰিব ঃ

[3][ পৰন্তু কোনো ইচ্ছাপত্ৰ নোহোৱা, ভাৰতীয় পঞ্জীয়ন অধিনিয়ম, ১৯০৮ ৰ উপবন্ধ অনুসৰি পঞ্জীয়ন কৰা, যিকোনো দস্তাবেজৰ নিষ্পাদনৰ প্ৰমাণত কোনো প্ৰত্যায়নকাৰী সাক্ষীক মতাটো প্ৰয়োজনীয় নহব, যদিহে এইখন যিজন ব্যক্তিৰ দ্বাৰা নিষ্পাদন কৰা হৈছে বুলি তাৎপৰ্য্যিত তেওঁ ইয়াৰ নিষ্পাদন সম্পৰ্কে বিনিৰ্দ্দিষ্ট ভাৱে অস্বীকাৰ নকৰে। ]

৬৯। **যেতিয়া কোনো প্ৰত্যায়নকাৰী সাক্ষীক বিচাৰি পোৱা নাযায় তেনে ক্ষেত্ৰত প্ৰমাণ** – যদিহে তেনে কোনো প্ৰত্যায়নকাৰী সাক্ষী বিচাৰি পোৱা নাযায়, বা যদি দস্তাবেজখন বৃটিশ যুক্তৰাজ্যত নিষ্পাদিত হোৱা বুলি তাৎপৰ্য্যিত, তেনেহলে কম পক্ষেও এজন প্ৰত্যায়নকাৰী সাক্ষীৰ প্ৰত্যায়ন তেওঁৰ হস্তলিপিৰ বুলি আৰু দস্তাবেজখন নিষ্পাদন কৰা ব্যক্তিজনৰ স্বাক্ষৰটো সেই ব্যক্তিজনৰ হস্তলিপিৰ বুলি প্ৰমাণ কৰিবই লাগিব।

৭০। **প্ৰত্যায়িত দস্তাবেজৰ পক্ষৰ দ্বাৰা নিষ্পাদনৰ স্বীকৃতি** – যদিও দস্তাবেজখন বিধি মতে প্ৰত্যায়িত হব লাগে, তথাপি এখন প্ৰত্যায়িত দস্তাবেজৰ নিষ্পাদন তেওঁৰ নিজৰ দ্বাৰা কৰাব বুলি কোনো এটা পক্ষই কৰা স্বীকৃতি তেওঁৰ বিৰুদ্ধে দস্তাবেজখনৰ নিষ্পাদনৰ পৰ্য্যাপ্ত প্ৰমাণ হব।

৭১। **যেতিয়া প্ৰত্যায়নকাৰী সাক্ষীয়ে নিষ্পাদন অস্বীকাৰ কৰে, তেনে ক্ষেত্ৰত প্ৰমাণ** – যদি প্ৰত্যায়নকাৰী সাক্ষীজনে দস্তাবেজখনৰ নিষ্পাদন অস্বীকাৰ কৰে বা স্মৰণ কৰিব নোৱাৰে, তেতিয়া তাৰ নিষ্পাদন অন্য সাক্ষ্যৰ দ্বাৰা প্ৰমাণ কৰিব পাৰি।

৭২। **প্ৰত্যায়িত হব লাগে বুলি বিধিৰ দ্বাৰা অপেক্ষিত নোহোৱা দস্তাবেজৰ প্ৰমাণ** – প্ৰত্যায়িত হব লাগে বুলি বিধিমতে অপেক্ষিত নোহোৱা প্ৰত্যায়িত দস্তাবেজ এখন যেনিবা অপ্ৰত্যায়িতহে আছিল এনে ধৰণে প্ৰমাণ কৰিব পাৰি।

৭৩। **স্বাক্ষৰ, লিখনি বা চাব–মোহৰৰ, স্বীকৃত বা প্ৰমাণিত অন্যৰ লগত তুলনা** – কোনো স্বাক্ষৰ, লিখনি বা চাবমোহৰ যাৰ দ্বাৰা লিখিত বা কৃত বুলি তাৎপৰ্য্যিত হৈছে তেনে ব্যক্তিৰ হয় নে নহয়, এইটো সুনিশ্চিত কৰিবৰ কাৰণে কোনো স্বাক্ষৰ, লিখনি বা চাবমোহৰ সেই ব্যক্তিজনৰ দ্বাৰা লিখিত বা কৃত বুলি ন্যায়ালয়ক সন্তুষ্ট কৰাকৈ স্বীকৃত বা প্ৰমাণিত হলে প্ৰমাণ কৰিবলগীয়া সেই স্বাক্ষৰ, লিখনি বা চাবমোহৰ তাৰ লগত মিলাই চাব পাৰি, যদিও সেই স্বাক্ষৰ, লিখনি বা চাবমোহৰ অন্য কোনো উদ্দেশ্যৰ বাবে দাখিল কৰা বা প্ৰমাণ কৰা হোৱা নাই।

ন্যায়ালয়ত উপস্থিত থকা কোনো ব্যক্তিক ন্যায়ালয়ে যি কোনো শব্দ বা সংখ্যা লিখিবলৈ নিৰ্দ্দেশ দিব পাৰে, যাতে তেনেদৰে লিখা শব্দ বা সংখ্যাবোৰ তেনে ব্যক্তিয়ে লিখা বুলি অভিকথিত কোনো শব্দ বা সংখ্যাবোৰৰ লগত মিলাই চাবলৈ ন্যায়ালয় সমৰ্থ হয়।

[4][ এই ধাৰাটো কোনো প্ৰয়োজনীয় সালসলনিৰে আঙুলি চিহ্নৰ ক্ষেত্ৰটো প্ৰয়োগ হয়। ]

---

১। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭–১০–২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ (২০০৯ৰ ১০)ৰ ধাৰা ৫২ৰ দ্বাৰা ''ডিজিটেল'' শব্দৰ স্থানত প্ৰতিষ্ঠাপিত।

৩। ১৯২৬ৰ ৩১ নং অধিনিয়মৰ ধাৰা ২ দ্বাৰা অন্তঃস্থাপিত।

৪। ১৮৯৯ৰ ৫নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা অন্তঃস্থাপিত।

[১][৭৩ক। ডিজিটেল চিগনেচাৰৰ প্ৰমাণীকৰণৰ সম্পৰ্কে প্ৰমাণ – এটা ডিজিটেল চিগনেচাৰ যাৰ দ্বাৰা সংযোজিত বুলি তাৎপৰ্য্যিত হৈছে, তেনে ব্যক্তিৰ হয়নে নহয়, সেইটো সুনিশ্চিত কৰিবৰ কাৰণে, ন্যায়ালয়ে –

(ক) ডিজিটেল চিগনেচাৰৰ প্ৰমাণপত্ৰ উপস্থাপন কৰিবলৈ সেই ব্যক্তিক বা নিয়ন্ত্ৰকক বা প্ৰমাণীকৰণ প্ৰাধিকাৰীক নিৰ্দেশ দিব পাৰে ;

(খ) ডিজিটেল চিগনেচাৰ প্ৰমাণ পত্ৰত তালিকাভুক্ত হোৱা ''পাব্লিক কি'' প্ৰয়োগ কৰিবলৈ কোনো আন ব্যক্তিক নিৰ্দেশ দিব পাৰে আৰু সেই ব্যক্তিজনৰ দ্বাৰা সংযোজিত কৰিবলৈ তাৎপৰ্য্যিত হোৱা ডিজিটেল চিগনেচাৰ প্ৰমাণ কৰে।

স্পষ্টীকৰণ – এই ধাৰাৰ প্ৰয়োজনাৰ্থে, ''নিয়ন্ত্ৰক'' মানে সংবাদ প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ৰ ধাৰা ১৭ৰ উপ-ধাৰা (১)ৰ অধীনত নিয়োজিত নিয়ন্ত্ৰক। ]

## লোক দস্তাৱেজ

**৭৪। লোক দস্তাৱেজবোৰ** – নিম্নলিখিত দস্তাৱেজবোৰ লোক দস্তাৱেজ ঃ-

(১) এনে দস্তাৱেজসমূহ যিবোৰ –

(I) সাৰ্বভৌম প্ৰাধিকাৰৰ,

(II) চৰকাৰী নিকায়, আৰু ন্যায়াধিকৰণবোৰৰ, আৰু

(III) [২] [ ভাৰতৰ যিকোনো ভাগৰ বা কমনৱেলথ দেশ ] বা এখন বিদেশী ৰাষ্ট্ৰৰ বিধায়িনী, ন্যায়িক আৰু কাৰ্য্যপালিকাৰ লোক পদাধিকাৰী সমূহৰ,

কাৰ্য্যবোৰেৰে বা কাৰ্য্যবোৰৰ অভিলেখেৰে গঠিত হোৱা দস্তাৱেজ,

(২) [৩][ যি কোনো ৰাজ্যত ] ৰখা নিজস্ব দস্তাৱেজবোৰৰ লোক অভিলেখ।

**৭৫। নিজস্ব দস্তাৱেজ** – আন সকলোবোৰ দস্তাৱেজ নিজস্ব।

**৭৬। লোক দস্তাৱেজৰ প্ৰমাণিত প্ৰতিলিপি** – প্ৰত্যেক লোক পদাধিকাৰীয়ে তেওঁৰ অভিৰক্ষণত থকা লোক দস্তাৱেজৰ, যিখন কোনো ব্যক্তিৰ পৰিদৰ্শন কৰাৰ অধিকাৰ আছে, সেই ব্যক্তিজনক খোজা মাত্ৰে ইয়াৰ ওপৰত বিধিক মাচুল আদায় দিলে প্ৰতিলিপি, যথাস্থিতি এনে দস্তাৱেজ বা তাৰ কোনো ভাগৰ সত্য প্ৰতিলিপি বুলি তলত লিখিত এখন প্ৰমাণ পত্ৰ সহ দিব লাগিব আৰু এনে প্ৰতিলিপিখন এনে পদাধিকাৰীৰ দ্বাৰা তেওঁৰ নাম আৰু চৰকাৰী পদবী সহ দিনাঙ্কিত আৰু স্বাক্ষৰিত কৰিব আৰু যেতিয়াই এনে পদাধিকাৰী কোনো বিধিৰ দ্বাৰা চাবমোহৰ ব্যৱহাৰ কৰিবলৈ প্ৰাধিকৃত, তেতিয়া তাত চাবমোহৰ মাৰি দিব ; আৰু তেনে দৰে প্ৰমাণিত প্ৰতিলিপি বিলাক প্ৰমাণিত প্ৰতিলিপি বুলি অভিহিত হব।

স্পষ্টীকৰণ – যি কোনো পদাধিকাৰী যি পদীয় কৰ্ত্তব্যৰ সাধাৰণ অনুক্ৰমত তেনে ধৰণৰ প্ৰতিলিপি প্ৰদান কৰিবলৈ প্ৰাধিকৃত হয়, তেওঁ এই ধাৰাটোৰ অন্তৰ্গত এনে ধৰণৰ দস্তাৱেজবোৰৰ অভিৰক্ষা কৰ্ত্তা বুলি গণ্য হব।

**৭৭। প্ৰমাণিত প্ৰতিলিপি দাখিলেৰে দস্তাৱেজৰ প্ৰমাণ** – তেনেবোৰ প্ৰমাণিত প্ৰতিলিপি তেনে লোক দস্তাৱেজৰ বা লোক দস্তাৱেজবোৰৰ ভাগবোৰত থকা অন্তৰ্বস্তুৰ প্ৰতিলিপিৰ প্ৰমাণ হিচাবে দাখিল কৰিব পাৰি যিবিলাকৰ সেইবোৰ প্ৰতিলিপি বুলি তাৎপৰ্য্যিত হয়।

**৭৮। অন্যান্য চৰকাৰী দস্তাৱেজবোৰৰ প্ৰমাণ** – নিয়োক্ত লোক দস্তাৱেজবোৰ তলত দিয়া মতে প্ৰমাণিত কৰিব পাৰি ঃ-

(১) [৪] [ কেন্দ্ৰীয় চৰকাৰৰ ] যিকোনো বিভাগৰ [৫][ বা ক্ৰাউন ৰাজপ্ৰতিনিধিৰ ] বা যিকোনো ৰাজ্য চৰকাৰৰ বা যি কোনো ৰাজ্য চৰকাৰৰ যিকোনো বিভাগৰ অধিনিয়ম, আদেশ বা অধিসূচনাবোৰ সেই বিভাগবোৰৰ,-

---

১। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা অন্তঃস্থাপিত। (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। ''বৃটিশ ভাৰতৰে ই হওঁক বা সম্ৰাজ্ঞীৰ উপনিবেশবোৰৰ অন্য যি কোনো এখনেই হওঁক'' এই মূল পদসমূহ বিধি অনুকূলন আদেশ, ১৯৪৮ আৰু আৰু বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা একাদিক্ৰমে সংশোধিত হৈ উপৰোক্ত পাঠৰূপ পাইছে।

৩। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা ''কোনো প্ৰদেশ''ৰ স্থানত প্ৰতিষ্ঠাপিত।

৪। ''বৃটিশ ভাৰতৰ কাৰ্য্যবাহী চৰকাৰ''ৰ স্থানত বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৫। উপৰোক্তৰ দ্বাৰা অন্তঃস্থাপিত।

অভিলেখৰ দ্বাৰা যিবোৰ যথাক্রমে বিভাগীয় প্রধানসকলৰ দ্বাৰা প্রমাণিত কৰা হয় বা যথাস্থিতি তেনে কোনো চৰকাৰ বা [১][ক্রাউন ৰাজ প্রতিনিধিৰ ] আদেশৰ দ্বাৰা মুদ্রিত হোৱা বুলি তাৎপর্য্যিত কোনো দস্তাৱেজৰ দ্বাৰা ;

(২) বিধান মণ্ডলবোৰৰ কাৰ্য্যবাহীবোৰ, -

যথাক্রমে সেই নিকায়বোৰৰ পত্রিকাবোৰৰ দ্বাৰা বা প্রকাশিত হোৱা অধিনিয়মবোৰ বা সাৰাংশবোৰৰ দ্বাৰা বা [২][সংলিষ্ট চৰকাৰৰ আদেশৰ দ্বাৰা ] মুদ্রিত হোৱা বুলি তাৎপর্য্যিত প্রতিলিপিবোৰৰ দ্বাৰা ;

(৩) [৩][ মহামান্যা সম্রাজ্ঞী ] বা প্রিভি কাউন্সিল বা [৩][ মহামান্যা সম্রাজ্ঞী]ৰ চৰকাৰৰ কোনো বিভাগৰ দ্বাৰা জাৰি কৰা ঘোষণা, আদেশ বা বিনিয়মবোৰ

লণ্ডন ৰাজপত্রত অন্তৰ্বিষ্ট বা মহাৰাণীৰ মুদ্রকৰ দ্বাৰা মুদ্রিত হোৱা বুলি তাৎপর্য্যিত প্রতিলিপি বা উদ্ধৃতিবোৰৰ দ্বাৰা ;

(৪) কোনো বিদেশী ৰাষ্ট্ৰৰ কাৰ্য্যপালিকাৰ কাৰ্য্যবোৰ বা বিধান মণ্ডলৰ কাৰ্য্যবাহীবোৰ,-

তেওঁলোকৰ প্রাধিকাৰৰ দ্বাৰা প্রকাশিত বা সাধাৰণতে সেই দেশত সেই ৰূপত গৃহীত পত্রিকাবোৰৰ দ্বাৰা বা সেই দেশৰ বা সাৰ্ব্বভৌমৰ চাবমোহৰৰ অধীনত প্রমাণিত প্রতিলিপিৰ দ্বাৰা বা কিছুমান [৪][ কেন্দ্রীয় অধিনিয়মত ] তাৰ স্বীকৃতিৰ দ্বাৰা,

(৫) [৫] [ কোনো ৰাজ্যৰ ] পৌৰ নিকায়ৰ কাৰ্য্যবাহীবোৰ, -

সেইবোৰৰ বিধিক ৰক্ষকৰ দ্বাৰা প্রমাণিত তেনে কাৰ্য্যবাহীবোৰৰ প্রতিলিপিৰ দ্বাৰা বা তেনেকুৱা নিকায়ৰ প্রাধিকাৰৰ দ্বাৰা প্রকাশিত হোৱা বুলি তাৎপৰ্য্যিত কোনো মুদ্রিত পুস্তকৰ দ্বাৰা,

(৬) বিদেশী ৰাষ্ট্ৰৰ কোনো অন্য শ্রেণীৰ লোক-দস্তাৱেজবোৰ, -

মূলখনৰ দ্বাৰা, বা মূলখনৰ বিধিক ৰক্ষকৰ দ্বাৰা যথাবিহিত ভাৱে প্রমাণিত প্রতিলিপিৰ দ্বাৰা যাৰ লগত কোনো ন'টাৰী পাব্লিকৰ অথবা কোনো [৬][ ভাৰতীয় বাণিজ্য দূতৰ ] বা কূটনৈতিক অভিকৰ্ত্তাৰ মোহৰ সহ এই বুলি প্রমাণ পত্র থাকিব যে প্রতিলিপিখন, মূলখন যি অধিকাৰীৰ বিধিক ৰক্ষণত আছে তেওঁৰ দ্বাৰা যথাবিহিত ভাৱে প্রমাণিত কৰা হৈছে ; আৰু সেই বিদেশী ৰাষ্ট্ৰৰ বিধি অনুসাৰে সেই দস্তাৱেজৰ প্রকৃতি প্রমাণিত হৈছে।

---

১। বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা অন্তঃস্থাপিত।

২। উপৰোক্তৰ দ্বাৰা ''চৰকাৰৰ আদেশৰ দ্বাৰা''ৰ স্থানত প্রতিষ্ঠাপিত।

৩। ''মহামান্যা সম্রাজ্ঞী'' শব্দাৱলীৰ সালসলনি কৰা হোৱা নাই বিধি অনুকূলন আদেশ, ১৯৫০ চাওঁক।

৪। বিধি অনুকূলন আদেশ, ১৯৩৭ ৰ দ্বাৰা ''ভাৰতৰ স-পৰিষদ গৱৰ্ণৰ জেনেৰেলৰ লোক অধিনিয়ম''ৰ স্থানত প্রতিষ্ঠাপিত।

৫। বিধি অনুকূলন আদেশ, ১৯৫০ ৰ দ্বাৰা 'কোনো প্রদেশৰ' স্থানত প্রতিষ্ঠাপিত।

৬। অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা ''বৃটিশ বাণিজ্যদূতৰ'' স্থানত প্রতিষ্ঠাপিত।

দস্তাবেজ সম্পৰ্কে প্ৰাক্ ধাৰণা

**৭৯। প্ৰমাণিত প্ৰতিলিপিবোৰ আচলী হোৱা সম্পৰ্কে প্ৰাক্ধাৰণা** - প্ৰমাণ পত্ৰ, প্ৰমাণিত প্ৰতিলিপি বুলি তাৎপৰ্য্যিত প্ৰতিখন দস্তাবেজ, বা অন্য দস্তাবেজ, যিখন কোনো বিশেষ তথ্যৰ সাক্ষ্য হিচাপে গ্ৰহণীয় বুলি বিধিৰ দ্বাৰা ঘোষিত আৰু যি [১][কেন্দ্ৰীয় চৰকাৰ বা ৰাজ্য চৰকাৰৰ কোনো পদাধিকাৰীৰ দ্বাৰা বা [২][জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ] কোনো পদাধিকাৰী যি সম্যক ৰূপে তাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰাধিকৃত তেনে পদাধিকাৰীৰ দ্বাৰা] সম্যক ৰূপে প্ৰমাণিত বুলি তাৎপৰ্য্যিত ন্যায়ালয়ে [৩][আচলী] বুলি প্ৰাক্ ধাৰণা কৰিব ঃ

**পৰন্তু**, এনে দস্তাবেজবোৰ, বিধিৰ দ্বাৰা সেই নিমিত্তে নিৰ্দেশিত কৰা মতে সাৰতঃ এনে আকাৰত থাকিব লাগিব আৰু সেই নীতিৰে নিষ্পাদিত হোৱা বুলি তাৎপৰ্য্যিত হ'ব লাগিব।

ন্যায়ালয়ে এইটোও প্ৰাক্ধাৰণা কৰিব যে কোনো পদাধিকাৰী যাৰ দ্বাৰা এনে কোনো দস্তাবেজ স্বাক্ষৰিত বা প্ৰমাণিত বুলি তাৎপৰ্য্যিত, তেওঁ, যেতিয়া ইয়াত স্বাক্ষৰ কৰিছিল তেতিয়া এনে কাগজত দাবী কৰা মতে পদীয় সত্তা তেওঁৰ আছিল।

**৮০। সাক্ষ্যৰ অভিলেখ হিচাপে দাখিল কৰা দস্তাবেজ সম্পৰ্কে প্ৰাক্ধাৰণা** - যেতিয়াই কোনো ন্যায়িক কাৰ্য্যবাহীত বা তেনে সাক্ষ্য লবলৈ বিধিৰ দ্বাৰা প্ৰাধিকৃত কোনো পদাধিকাৰীৰ সমক্ষত কোনো সাক্ষীয়ে দিয়া সাক্ষ্যৰ বা সাক্ষ্যটোৰ কোনো এভাগৰ অভিলেখ বা স্মাৰক লিপি বুলি বা বিধি অনুসৰি লোৱা আৰু কোনো ন্যায়াধীশ বা দণ্ডাধীশ বা পূৰ্বোক্ত কোনো পদাধিকাৰীৰ দ্বাৰা স্বাক্ষৰিত বুলি তাৎপৰ্য্যিত কোনো কয়েদীৰ বা অভিযুক্ত ব্যক্তিয়ে দিয়া কোনো উক্তি বা স্বীকাৰোক্তি বুলি তাৎপৰ্য্যিত যি কোনো দস্তাবেজ ন্যায়ালয়ৰ আগত দাখিল কৰা হয়, তেতিয়া ন্যায়ালয়ে প্ৰাক্ধাৰণা কৰিব -

যে দস্তাবেজখন আচলী, যে যি পৰিস্থিতিৰ অধীনত এনে কোনো উক্তি লোৱা হৈছিল সেই সম্পৰ্কে তাত স্বাক্ষৰিত কৰা বুলি তাৎপৰ্য্যিত ব্যক্তিজনৰ দ্বাৰা দিয়া কোনো উক্তি সত্যত আৰু যে এনে সাক্ষ্য, উক্তি বা স্বীকাৰোক্তি সম্যকভাবে লোৱা হৈছিল।

**৮১। ৰাজপত্ৰ, সংবাদপত্ৰ, সংসদৰ বেচৰকাৰী বিধিবোৰ আৰু অন্যান্য দস্তাবেজবোৰ সম্পৰ্কে প্ৰাক্ধাৰণা** - ন্যায়ালয়ে, লণ্ডন ৰাজপত্ৰ বা বৃটিশ ক্ৰাউনৰ কোনো উপনিবেশৰ আশ্ৰিত দেশৰ বা দখলাধীন দেশৰ [৪][শাসকীয় ৰাজপত্ৰ বা চৰকাৰী ৰাজপত্ৰ] অথবা সংবাদ পত্ৰ বা পত্ৰিকা বা সম্ৰাজ্ঞীৰ মুদ্ৰকৰ দ্বাৰা মুদ্ৰিত [৫][বৃটিশ যুক্তৰাজ্য] ৰ সংসদৰ কোনো বেচৰকাৰী অধিনিয়মৰ প্ৰতিলিপি বুলি তাৎপৰ্য্যিত প্ৰত্যেক দস্তাবেজৰ, আৰু বিধিৰ দ্বাৰা নিৰ্দেশিত কোনো ব্যক্তিৰ দ্বাৰা ৰাখিব লগা বুলি তাৎপৰ্য্যিত প্ৰত্যেকখন দস্তাবেজৰ আচলীৰ বিষয়ে প্ৰাক্ধাৰণা কৰিব, যদি তেনে দস্তাবেজ সাৰতঃ বিধিমতে ৰাখিবলগীয়া আকাৰতে ৰখা হয় আৰু উপযুক্ত অভিৰক্ষাৰ পৰা দাখিল কৰা হয়।

[৬][**৮১ ক। ইলেকট্ৰনিক প্ৰ-পত্ৰত, ৰাজপত্ৰ সম্পৰ্কে প্ৰাক্ধাৰণা** - ন্যায়ালয়ে বিধিৰ দ্বাৰা নিৰ্দেশিত কোনো ব্যক্তিৰ দ্বাৰা ৰাখিব লগা বুলি তাৎপৰ্য্যিত হোৱা শাসকীয় ৰাজপত্ৰ বা ইলেকট্ৰ'নিক প্ৰ-পত্ৰৰ আচলীৰ বিষয়ে প্ৰাক্ধাৰণা কৰিব, যদি তেনে ইলেকট্ৰ'নিক প্ৰ-পত্ৰ সাৰতঃ বিধিমতে ৰাখিবলগীয়া আকাৰতে ৰখা হয় আৰু উপযুক্ত অভিৰক্ষাৰ পৰা দাখিল কৰা হয়।]

**৮২। চাবমোহৰ বা স্বাক্ষৰৰ প্ৰমাণ নোহোৱাকৈয়ে ইংলেণ্ডত গ্ৰহনীয় হোৱা দস্তাবেজ সম্পৰ্কে প্ৰাক্ধাৰণা** - যেতিয়া কোনো ন্যায়ালয়ৰ সমক্ষত কোনো দস্তাবেজ দাখিল কৰা হয়, যিখন ইংলেণ্ড বা আয়াৰলেণ্ডৰ কোনো ন্যায়ালয়ত কোনো বিৱৰণৰ প্ৰমাণত সেই দস্তাবেজক অধিপ্ৰমাণী কৰা চাবমোহৰ মুদ্ৰাঙ্ক বা স্বাক্ষৰৰ অথবা সেইখন যাৰ দ্বাৰা স্বাক্ষৰিত বুলি তাৎপৰ্য্যিত তেনে ব্যক্তিৰ দ্বাৰা দাবীকৃত ন্যায়িক বা চৰকাৰী সত্তাৰ প্ৰমাণ ব্যতিৰেকে ইংলেণ্ড বা আয়াৰলেণ্ডত তৎসময় বলবৎ থকা বিধিৰ দ্বাৰা গ্ৰহণীয় হয়, তেতিয়া তেনেকুৱা চাবমোহৰ, মুদ্ৰাঙ্কক বা স্বাক্ষৰ আচলী বুলি আৰু সেইখন স্বাক্ষৰ কৰা ব্যক্তিজনে, যেতিয়া তেওঁ স্বাক্ষৰ কৰে সেই সময়ত তেওঁ দাবী কৰা ন্যায়িক বা চৰকাৰী সত্তা ধাৰণ কৰিছিল বুলি ন্যায়ালয়ে প্ৰাক্ধাৰণা কৰিব। আৰু দস্তাবেজখন যি প্ৰয়োজনাৰ্থে ইংলেণ্ড বা আয়াৰলেণ্ডত গ্ৰহণীয় হ'লহেঁতেন সেই একেটা প্ৰয়োজনাৰ্থে গ্ৰহণীয় হব।

**৮৩। চৰকাৰৰ প্ৰাধিকাৰৰ দ্বাৰা তৈয়াৰ কৰা মানচিত্ৰ বা নক্সা সম্পৰ্কে প্ৰাক্ধাৰণা** - [৭][কেন্দ্ৰীয় চৰকাৰ বা কোনো ৰাজ্য চৰকাৰ] ৰ প্ৰাধিকাৰৰ দ্বাৰা তৈয়াৰ কৰা বুলি তাৎপৰ্যিত মান চিত্ৰ বা নক্সাবোৰ তেনেধৰণে তৈয়াৰ কৰা বুলি আৰু সঠিক বুলি ন্যায়ালয়ে প্ৰাক্ধাৰণা কৰিব ; কিন্তু কোনো বাদৰ প্ৰয়োজনাৰ্থে তৈয়াৰ কৰা মানচিত্ৰ বা নক্সাবোৰ সঠিক বুলি প্ৰমাণিত কৰিব লাগিব।

**৮৪। বিধিৰ সংগ্ৰহ আৰু সিদ্ধান্তৰ প্ৰতিবেদনবোৰৰ সম্পৰ্কে প্ৰাক্ধাৰণা** - কোনো দেশৰ চৰকাৰৰ প্ৰাধিকাৰৰ অধীনত মুদ্ৰিত বা প্ৰকাশিত আৰু সেই দেশৰ বিধিবোৰৰ যিকোনো বিধি অন্তৰ্বিষ্ট কৰে বুলি তাৎপৰ্য্যিত প্ৰত্যেক পুস্তক,

---

১। ''বৃটিশ ভাৰত'' ৰ পৰা আৰম্ভ কৰি আৰু ''আচল'' বুলি শেষ হোৱা মূল শব্দবোৰৰ পিছত বিধি অনুকূলন আদেশ, ১৯৩৭, বিধি অনুকূলন আদেশ, ১৯৪৮ আৰু বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা সংশোধিত।

২। ''কোনো খ ভাগৰ ৰাজ্যত'' ৰ স্থানত ১৯৫১ৰ অধিনিয়ম ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিস্থাপিত।

৩। বিধি অনুকূলন আদেশ, ১৯৪৮ৰ দ্বাৰা অন্তঃস্থাপিত।

৪। ''ভাৰত শাসন' (ভাৰতীয় বিধি অনুকূলন) আদেশ, ১৯৩৭ৰ দ্বাৰা (ভাৰতৰ ৰাজপত্ৰ বা কোনো স্থানীয় চৰকাৰৰ ''ৰাজপত্ৰ বা ''ৰ স্থানত প্ৰতিষ্ঠাপিত।

৫। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা অন্তঃস্থাপিত।

৬। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী - II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৭। মূল শব্দ 'চৰকাৰ' বিধি অনুকূলন আদেশ, ১৯৩৭, ১৯৪৮, ১৯৪৯ৰ অধিনিয়ম ৪০ৰ ধাৰা ৩ আৰু অনুসূচী ২ৰ আৰু বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা ক্ৰমশঃ সংশোধিত হৈ উপৰোক্ত পাঠৰ ৰূপ পাইছে।

আৰু তেনে দেশৰ ন্যায়ালয়বোৰৰ সিদ্ধান্তসমূহৰ প্ৰতিবেদনবোৰ অন্তৰ্বিষ্ট হোৱা বুলি তাৎপৰ্য্যিত প্ৰত্যেকপুস্তক আচল বুলি ন্যায়ালয়ে প্ৰাক্‌ধাৰণা কৰিব।

**৮৫। আমোক্তাৰ নামা সম্পৰ্কে প্ৰাক্‌ধাৰণা** - ন্যায়ালয়ে আমোক্তাৰ নামা বুলি তাৎপৰ্য্যিত প্ৰত্যেক দস্তাবেজ যি দস্তাবেজ কোনো ন'ট্ৰাৰী পাব্লিক বা যি কোনো ন্যায়ালয়, ন্যায়াধীশ, দণ্ডাধীশ [১][ভাৰতীয় বাণিজ্যদূত বা বাণিজ্য উপদূত বা] [২][XXX] [৩][কেন্দ্ৰীয় চৰকাৰৰ] প্ৰতিনিধিৰ সমক্ষত নিষ্পাদিত বা তেওঁলোকৰ দ্বাৰা অধিপ্ৰমাণীকৃত বুলি তাৎপৰ্য্যিত তাক তেনেদৰে নিষ্পাদিত আৰু অধিপ্ৰমাণীকৃত বুলি প্ৰাক্ ধাৰণা কৰিব।

[৪][৮৫ ক। [৫]ইলেকট্ৰ'নিক চুক্তি সম্পৰ্কে প্ৰাক্‌ধাৰণা - ন্যায়ালয়ে, পক্ষসমূহৰ [৫][ইলেকট্ৰ'নিক চিগনেচাৰ] সংযোগৰ দ্বাৰা তেনেদৰে সমাপ্ত কৰা পক্ষসমূহৰ [৫][ইলেকট্ৰ'নিক চিগনেচাৰ] অন্তৰ্বিষ্ট হোৱা এখন চুক্তি হবলৈ তাৎপৰ্য্যিত প্ৰত্যেক ইলেকট্ৰ'নিক ৰেকৰ্ড সম্পৰ্কত প্ৰাক্‌ধাৰণা কৰিব।

৮৫ খ। ইলেকট্ৰ'নিক ৰেকৰ্ড আৰু [৫][ইলেকট্ৰ'নিক চিগনেচাৰ] সম্পৰ্কে প্ৰাক্‌ধাৰণা - (১) প্ৰতিভূত ইলেক্ট্ৰ'নিক ৰেকৰ্ড জড়িত থকা কোনো কাৰ্য্যবাহীত ন্যায়ালয়ে, প্ৰতিকূল প্ৰমাণিত নোহোৱালৈকে প্ৰতিভূত প্ৰতিষ্ঠাৰ সম্পৰ্কিত প্ৰতিভূত ইলেকট্ৰনিক ৰেকৰ্ড, কোনো বিনিৰ্দিষ্ট সময়ৰ পৰা পৰিৱৰ্ত্তিত হোৱা নাই বুলি প্ৰাক্‌ধাৰণা কৰিব।

(২) প্ৰতিভূত ডিজিটেল চিগনেচাৰ জড়িত কোনো কাৰ্যবাহীত, ন্যায়ালয়ে, প্ৰতিকূল প্ৰমাণিত নোহোৱা পৰ্য্যন্ত -

(ক) ইলেকট্ৰনিক ৰেকৰ্ড স্বাক্ষৰ বা অনুমোদনৰ অভিপ্ৰায়েসহ গ্ৰাহকৰ দ্বাৰা সংযোজিত কৰা প্ৰতিভূত ডিজিটেল চিগনেচাৰ বুলি প্ৰাক্‌ধাৰণা কৰিব;

(খ) প্ৰতিভূত ইলেকট্ৰ'নিক ৰেকৰ্ড বা প্ৰতিভূত ডিজিটেল চিগনেচাৰৰ ক্ষেত্ৰ ব্যতিৰেকে, এই ধাৰাত থকা কোনো কথাই, ইলেকট্ৰ'নিক ৰেকৰ্ড বা কোনো [৫][ইলেকট্ৰ'নিক চিগনেচাৰ]ৰ অধিপ্ৰমাণীকৰণ আৰু সত্যনিষ্ঠাৰ সম্পৰ্কে কোনো প্ৰাক্‌ধাৰণা কৰিব।

৮৫গ। [৫][ইলেকট্ৰ'নিক চিগনেচাৰ প্ৰমানপত্ৰ]ৰ সম্পৰ্কে প্ৰাক্‌ধাৰণা - ন্যায়ালয়ে প্ৰতিকূল প্ৰমাণিত নোহোৱালৈকে, প্ৰমাণিত নোহোৱা গ্ৰাহক তথ্যৰূপে বিনিৰ্দ্দিষ্ট কোনো তথ্যৰ ব্যতিৰেকে, [৫][ইলেকট্ৰ'নিক চিগনেচাৰ প্ৰমাণপত্ৰ]ৰ তালিকাভুক্ত হোৱা তথ্য শুদ্ধ বুলি প্ৰাক্‌ধাৰণা নকৰিব, যদিহে প্ৰমাণপত্ৰখন গ্ৰাহকৰ দ্বাৰা গ্ৰহণ কৰা হয়।]

**৮৬। বিদেশী ন্যায়িক অভিলেখবোৰৰ প্ৰমাণিত প্ৰতিলিপি সম্পৰ্কে প্ৰাক্‌ধাৰণা** - ন্যায়ালয়ে ভাৰতৰ বা মহামান্য সম্ৰাজ্ঞীৰ অধিক্ষেত্ৰ বোৰৰ ভাগ নোহোৱা [৬][[৭][XXX] কোনো দেশৰ কোনো ন্যায়িক অভিলেখৰ প্ৰমাণিত প্ৰতিলিপি বুলি তাৎপৰ্য্যিত কোনো দস্তাৱেজক আচলী আৰু শুদ্ধ বুলি প্ৰাক্‌ধাৰণা কৰিব পাৰে যদি দস্তাৱেজখন এনে কোনো ধৰণে প্ৰমাণিত হোৱা বুলি তাৎপৰ্য্যিত হয় যিটো [৮][তেনে দেশত বা [৯]তেনে দেশৰ কাৰণে থকা] [৩][কেন্দ্ৰীয় চৰকাৰৰ] কোনো [১০][XXX] প্ৰতিনিধিৰ দ্বাৰা [১১][সেই দেশৰ] ন্যায়িক অভিলেখবোৰৰ প্ৰতিলিপিবোৰৰ প্ৰমাণৰ বাবে তাত সাধাৰণতে প্ৰচলিত ৰীতি বুলি প্ৰমাণিত হয়।

[১২] [কোনো পদাধিকাৰী যি [১৩][ভাৰতত বা] মহামান্য সম্ৰাজ্ঞীৰ অভিক্ষেত্ৰবোৰৰ ভাগ নোহোৱা [১৪][XXX] কোনো ৰাজ্যক্ষেত্ৰ বা স্থানৰ সম্পৰ্কত সাধাৰণ খণ্ড অধিনিয়ম, ১৮৯৭, (১৮৯৭ৰ ১০) ৰ ধাৰা ৩ৰ [১৫][খণ্ড (৪৩)] ত যথা পৰিভাষিত এজন ৰাজনৈতিক অভিকৰ্তা হয়, তেওঁ এই ধাৰাৰ প্ৰয়োজনাৰ্থে সেই ৰাজ্যক্ষেত্ৰ বা স্থান সমাবিষ্ট [১৬][দেশত বা দেশৰ কাৰণে] [৩][কেন্দ্ৰীয় চৰকাৰৰ] এজন প্ৰতিনিধি বুলি গণ্য হ'ব]

---

১। ''বৃটিশ''ৰ স্থানত বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। ''মহামানা সম্ৰাজ্ঞীৰ বা'' এই শব্দবোৰ বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা লোপ কৰা হৈছে।
৩। ''ভাৰত চৰকাৰ''ৰ স্থানত অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৪। ২০০০ৰ ২১ অধিনিয়মৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।
৫। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম, ২০০৮ (২০০৯ৰ ১০)ৰ ধাৰা ৫২ৰ দ্বাৰা 'ডিজিটেল' শব্দৰ স্থানত প্ৰতিস্থাপিত।
৬। ''ভাগ নোহোৱা যিকোনো দেশ''ৰ বাবে বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
৭। ''ভাগ খ ৰাজ্যৰ বা ইয়াৰ'' এই শব্দবোৰ ১৯৫১ৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা লোপ কৰা হৈছে।
৮। ১৯৫১ৰ ৩ নং অধিনিয়মৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা ''তেনে ভাগ খ ৰাজ্য বা দেশৰ'' স্থানত প্ৰতিষ্ঠাপিত।
৯। ''বাসিন্দা''ৰ স্থানত ১৮৯১ৰ অধিনিয়ম ৩ৰ ধাৰা ৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
১০। বিধি অনুকূলন আদেশ, ১৯৫০দ্বাৰা ''মহামান্য সম্ৰাজ্ঞী বা'' শব্দসমূহ লোপ কৰা হৈছে।
১১। '' সেই ৰাজ্য বা দেশ''ৰ বাবে ১৯৫১ৰ অধিনিয়ম ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
১২। ১৮৯১ৰ ৩নং অধিনিয়মৰ ধাৰা ৩ৰ দ্বাৰা অন্তৰ্ভুক্ত কৰা আগৰ অনুচ্ছেদটোৰ বাবে ১৮৯৯ৰ অধিনিয়ম ৩ৰ ধাৰা ৪ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
১৩। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা অন্তঃস্থাপিত।
১৪। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা ''ভাগ খ ৰাজ্য বা'' শব্দসমূহ অন্তঃস্থাপিত কৰা হৈছিল যিটো ১৯৫১ৰ অধিনিয়ম ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা লোপ হৈছে।
১৫। বিধি অনুকূলন আদেশ, ১৯৫০ৰ দ্বাৰা ''খণ্ড (৪০)''ৰ স্থানত প্ৰতিষ্ঠাপিত।
১৬। ১৯৫১ৰ অধিনিয়ম ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা'' সেই ভাগ খ ৰাজ্য বা দেশত বা ইয়াৰ বাবে''ৰ স্থানত প্ৰতিষ্ঠাপিত।

৮৭। পুস্তক, মানচিত্ৰ আৰু চাৰ্ট সম্পৰ্কে প্ৰাক্‌ধাৰণা - ন্যায়ালয়ে প্ৰাক্‌ধাৰণা কৰিব পাৰে যে, কোনো পুস্তক যিখন লোক বা সাধাৰণ স্বাৰ্থৰ বিষয়ৰ ওপৰত তথ্যৰ বাবে ন্যায়ালয়ে উল্লেখ কৰিব পাৰে, আৰু যে, কোনো প্ৰকাশিত মানচিত্ৰ বা চাৰ্ট যিবোৰৰ উক্তিবোৰৰ প্ৰাসংগিক তথ্য আৰু যিবোৰ ন্যায়ালয়ৰ পৰিদৰ্শনৰ বাবে দাখিল কৰা হৈছে, সেইবোৰ যাৰ দ্বাৰা বা যি সময়ত আৰু যি ঠাইত লিখিত বা প্ৰকাশিত বুলি তাৎপৰ্য্যিত, তেনে ব্যক্তিৰ দ্বাৰা তেনে সময়ত আৰু তেনে ঠাইত লিখিত আৰু প্ৰকাশিত হৈছিল।

৮৮। টাঁৰবাৰ্ত্তা সম্পৰ্কে প্ৰাক্‌ধাৰণা - কোনো তাঁৰ কাৰ্য্যালয়ৰ পৰা কোনো ব্যক্তিলৈ, যালৈ তেনে বাৰ্ত্তাটো সম্বোধিত হৈছে বুলি তাৎপৰ্য্যিত, প্ৰেৰণ কৰা কোনো বাৰ্ত্তা, সেই কাৰ্য্যালয়ত, য'ৰ পৰা বাৰ্ত্তাটো পঠোৱা হৈছে বুলি তাৎপৰ্য্যিত, প্ৰেৰণৰ বাবে প্ৰদান কৰা কোনো বাৰ্ত্তাৰ সৈতে অনুৰূপ বুলি ন্যায়ালয়ে প্ৰাক্‌ধাৰণা কৰিব পাৰে, কিন্তু প্ৰেৰণৰ বাবে এনে বাৰ্ত্তা যাৰ দ্বাৰা দিয়া হ'ল সেই ব্যক্তিৰ সম্পৰ্কে ন্যায়ালয়ে কোনো প্ৰাক্‌ধাৰণা নকৰিব।

[1][৮৮ক। ইলেকট্ৰ'নিক বাৰ্ত্তা সম্পৰ্কে প্ৰাক্‌ধাৰণা - ন্যায়ালয়ে প্ৰাৰম্ভকৰ দ্বাৰা সংপ্ৰেৰিত ইলেকট্ৰ'নিক বাৰ্ত্তা ইলেকট্ৰ'নিক ডাক জাৰীকাৰকৰ জৰিয়তে সম্বোধিতীলৈ সম্বোধিত কৰা বুলি তাৎপৰ্য্যিত বাৰ্ত্তা তেওঁৰ কম্পিউটাৰত সংপ্ৰেৰণৰ বাবে যোগান ধৰা বাৰ্ত্তাৰ সৈতে অনুৰূপ বুলি প্ৰাক্‌ধাৰণা কৰিব, কিন্তু এনে বাৰ্ত্তা যি ব্যক্তিৰ দ্বাৰা প্ৰেৰিত হৈছিল সেই ব্যক্তিৰ সম্পৰ্কে ন্যায়ালয়ে কোনো প্ৰাক্‌ধাৰণা নকৰিব।

স্পষ্টীকৰণ - এই ধাৰাৰ প্ৰয়োজনাৰ্থে, ''সম্বোধিত'' আৰু ''প্ৰাৰম্ভক অভিব্যক্তিৰ তথ্য প্ৰযুক্তি বিজ্ঞান অধিনিয়ম, ২০০০ৰ ধাৰা ২ৰ উপধাৰা (১)ৰ খণ্ড (খ) আৰু খণ্ড (যখ)ত সেইবোৰলৈ যথাক্ৰমে আৰোপিত কৰা ধৰণে একে অৰ্থ হব।

৮৯। দাখিল নকৰা দস্তাবেজৰ সম্যক নিষ্পাদন আদি সম্পৰ্কে প্ৰাক্‌ধাৰণা ঃ- ন্যায়ালয়ে বিচৰা আৰু দাখিল কৰিবলৈ সূচনা দিয়াৰ পিছতো দাখিল নকৰা প্ৰত্যেক দস্তাবেজ বিধি মতে প্ৰয়োজনীয় ধৰণে প্ৰত্যায়িত, মুদ্ৰাঙ্কিত আৰু নিষ্পাদিত আছিল বুলি প্ৰাক্‌ধাৰণা কৰিব।

৯০। ত্ৰিশ বছৰ পুৰণি দস্তাবেজ সম্পৰ্কে প্ৰাক্‌ধাৰণা - য'ত ত্ৰিশবছৰৰ পুৰণি বুলি তাৎপৰ্য্যিত প্ৰমাণিত হোৱা কোনো দস্তাবেজ এনে কোনো অভিৰক্ষাৰ পৰা দাখিল কৰা হয় যিটো ন্যায়ালয়ে সেই বিশেষ বাদটোত উপযুক্ত বুলি বিবেচনা কৰে, তেতিয়া এজন বিশেষ ব্যক্তিৰ হস্তলিপিৰ বুলি তাৎপৰ্য্যিত তেনেকুৱা দস্তাবেজৰ স্বাক্ষৰটো বা অন্যান্য প্ৰত্যেক অংশ সেই ব্যক্তিজনৰ হস্তলিপিৰ বুলি, আৰু নিষ্পাদিত বা প্ৰত্যায়িত, কোনো দস্তাবেজৰ ক্ষেত্ৰত যিজন ব্যক্তিৰ দ্বাৰা সেইখন নিষ্পাদিত আৰু প্ৰত্যায়িত হৈছিল বুলি তাৎপৰ্য্যিত, সেই ব্যক্তিজনৰ দ্বাৰাই সম্যক ৰূপে নিষ্পাদিত আৰু প্ৰত্যায়িত হৈছিল বুলি ন্যায়ালয়ে প্ৰাক্‌ধাৰণা কৰিব পাৰে।

স্পষ্টীকৰণ - দস্তাবেজবোৰ সমুচিত অভিৰক্ষাত থকা বুলি কোৱা হয়, যদি সেইবোৰ এনে স্থানত আৰু এনে ব্যক্তিৰ তত্ত্বাৱধানত থাকে যাৰ লগত সেইবোৰ স্বাভাৱিকতে থাকে, কিন্তু কোনো বিধিসম্মত উৎস থকা বুলি বা যদি বিশেষ বাদটোৰ পৰিস্থিতিবোৰ এনেকুৱা যে তেনে কোনো বিধিসম্মত উৎস সম্ভৱপৰ কৰি তেনে বুলি প্ৰমাণিত হয়, তেন্তে কোনো অভিৰক্ষা অসমুচিত নহয়।

এই স্পষ্টীকৰণটো ৮১ ধাৰাতো প্ৰয়োগ হয়।

**দৃষ্টান্ত**

(ক) বহুদিনৰ পৰা 'ক' ই ভূ-সম্পত্তি দখল কৰি আছে। তেওঁ তেওঁৰ অভিৰক্ষাৰ পৰা মাটিখিনি সম্পৰ্কত তেওঁৰ স্বত্ব দেখুৱাই দলিলবোৰ দাখিল কৰিলে। অভিৰক্ষাটো সমুচিত।

(খ) 'ক' যিখিনি সম্পত্তিৰ বন্ধক গ্ৰহীতা সেইখিনি সম্পৰ্কীয় দলিলবোৰ তেওঁ দাখিল কৰিলে। বন্ধকদাতাজন দখলত আছে। অভিৰক্ষাটো সমুচিত।

(গ) 'খ' ৰ সম্বন্ধীয় 'ক'ই 'খ'ৰ দখলত থকা মাটি সম্পৰ্কীয় দলিলবোৰ যিবোৰ 'খ'ই নিৰাপদ অভিৰক্ষাৰ বাবে তেওঁৰ তাত জমা থৈছিল, দাখিল কৰিলে। অভিৰক্ষাটো সমুচিত।

[2][৯০ক। পাঁচ বছৰ পুৰণি ইলেকট্ৰ'নিক ৰেকৰ্ডৰ সম্পৰ্কে প্ৰাক্‌ধাৰণা - য'ত পাঁচ বছৰ পুৰণি বুলি তাৎপৰ্য্যিত বা প্ৰমানিত কোনো ইলেকট্ৰ'নিক ৰেকৰ্ড, এনে কোনো অভিৰক্ষাৰ পৰা দাখিল কৰা হয়, যিটো ন্যায়ালয়ে সেই বিশেষ বাদটোত উপযুক্ত বুলি বিবেচনা কৰে, ন্যায়ালয়ে, তেওঁৰ দ্বাৰা বা ইয়াৰ হ'কে তেওঁৰ দ্বাৰা প্ৰাধিকৃত কোনো ব্যক্তিৰ দ্বাৰা এনেদৰে সংযোজিত কৰা, কোনো বিশেষ ব্যক্তিৰ [3][ইলেকট্ৰ'নিক চিগনেচাৰ] হ'বলৈ তাৎপৰ্য্যিত হোৱা [3][ইলেকট্ৰ'নিক চিগনেচাৰ] বুলি প্ৰাক্‌ধাৰণা কৰিব পাৰে।

---

১। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচী II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

২। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচীৰ -II ৰ দ্বাৰা অন্তঃস্থাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

৩। তথ্য প্ৰযুক্তি বিজ্ঞান (সংশোধন) অধিনিয়ম ২০০৮ (২০০৯ৰ ১০)ৰ ধাৰা ৫২ৰ দ্বাৰা ''ডিজিটেল'' শব্দৰ স্থানত প্ৰতিষ্ঠাপিত।

**স্পষ্টীকৰণ** - ইলেকট্ৰ'নিক ৰেকৰ্ড সমুচিত অভিৰক্ষাত থকা বুলি কোৱা হয়, যদি সেইবোৰ এনে স্থানত আৰু এনে ব্যক্তিৰ তত্ত্বাৱধানত থাকে যাৰ লগত সেইবোৰ স্বাভাৱিকতে থাকে, কিন্তু কোনো বিধিসম্মত উৎস থকা বুলি বা যদি বিশেষ বাদটোৰ পৰিস্থিতিবোৰ এনেকুৱা যে তেনে কোনো বিধিসম্মত উৎস সম্ভৱপৰ কৰি তোলে বুলি প্ৰমাণিত হয়, তেন্তে কোনো অভিৰক্ষা অসমুচিত নহয়।

এই স্পষ্টীকৰণটো ধাৰা ৮১কতো প্ৰযোজ্য।]

## অধ্যায় - ৬

### দস্তাৱেজী সাক্ষ্যৰ দ্বাৰা মৌখিক সাক্ষ্য বহিৰ্ভূতিৰ বিষয়ে

৯১। **দস্তাৱেজৰ আকাৰত পৰিণত সংবিদা, অনুদান আৰু সম্পত্তিৰ অন্যান্য ব্যয়নৰ নিবন্ধনবোৰৰ সাক্ষ্য** - যেতিয়া কোনো সংবিদাৰ বা অনুদানৰ বা সম্পত্তিৰ অন্য কোনো ব্যয়নৰ, নিবন্ধন দস্তাৱেজৰ আকাৰত পৰিণত কৰা হৈছে, আৰু সেই সকলো ক্ষেত্ৰতে য'ত কোনো বিষয় দস্তাৱেজৰ আকাৰত পৰিণত কৰাটো বিধিৰ দ্বাৰা অপেক্ষিত হয়, তেতিয়া এনে সংবিদা, অনুদান বা সম্পত্তিৰ অন্য ব্যয়নৰ নিবন্ধনবোৰৰ বা এনে বিষয়ৰ প্ৰমাণত স্বয়ং সেই দস্তাৱেজখন বা য'ত এতৎ পূৰ্বে অন্তৰ্বিষ্ট উপবন্ধবোৰৰ অধীনত দ্বিতীয়ক সাক্ষ্য গ্ৰহণীয় হয় সেই ক্ষেত্ৰত তাৰ অন্তৰ্বস্তুৰ বিষয়ে, দ্বিতীয়ক সাক্ষ্যৰ ব্যতিৰেকে, এনে কোনো সাক্ষ্য দিয়া নাযাব।

**ব্যতিক্ৰম-১** যেতিয়া কোনো এজন চৰকাৰী পদাধিকাৰী লিখিতভাৱে নিযুক্ত হোৱাটো বিধিৰ দ্বাৰা অপেক্ষিত হয়, আৰু যেতিয়া কোনো এজন নিৰ্দিষ্ট ব্যক্তিয়ে তেনে পদাধিকাৰী হিচাপে কাম কৰিছে বুলি দেখুওৱা হয়, তেতিয়া যি লিখনিৰ দ্বাৰা তেওঁ নিযুক্ত হৈছে সেইখন প্ৰমাণ কৰাৰ আৱশ্যক নকৰে।

**ব্যতিক্ৰম-২** যিবিলাক ইচ্ছাপত্ৰ [১][ভাৰতত] [২][প্ৰবেট প্ৰাপ্ত হৈছে] সেই বিলাক প্ৰবেটৰ দ্বাৰা প্ৰমাণিত হব পাৰে।

**স্পষ্টীকৰণ ১**- যি ক্ষেত্ৰসমূহত উল্লিখিত সংবিদা, অনুদান, বা সম্পত্তিৰ ব্যয়নবোৰ একেখন দস্তাৱেজতে অন্তৰ্বিষ্ট আৰু যি ক্ষেত্ৰ সমূহত সেইবোৰ এখনতকৈ বেছি দস্তাৱেজত অন্তৰ্বিষ্ট সেই দুয়ো ক্ষেত্ৰত সেই ধাৰাটো সমানে প্ৰয়োগ হ'ব।

**স্পষ্টীকৰণ ২**- য'ত একাধিক মূল থাকে, এখন মূল মাত্ৰ প্ৰমাণ কৰাৰ আৱশ্যক হয়।

**স্পষ্টীকৰণ ৩**- এই ধাৰাটোত উল্লিখিত তথ্যবোৰৰ বাহিৰে, যিকোনো তথ্যৰ বিষয়ে কোনো দস্তাৱেজত থকা উক্তিয়ে সেই একেটা তথ্যৰ বিষয়ে মৌখিক সাক্ষ্য গ্ৰহণত নিবাৰণ নকৰিব।

#### দৃষ্টান্ত

(ক) যদি কোনো সংবিদা, কেইবাখনো চিঠিত অন্তৰ্বিষ্ট হয়, তেন্তে সেইটো অন্তৰ্বিষ্ট হোৱা আটাইকেইখন চিঠি প্ৰমাণ কৰিবই লাগিব।

(খ) যদি কোনো সংবিদা এখন বিনিময় পত্ৰত থাকে, তেন্তে বিনিময় পত্ৰখন প্ৰমাণ কৰিবই লাগিব।

(গ) যদি এখন বিনিময় পত্ৰ তিনিখনীয়াকৈ লিখা হয়, মাত্ৰ এখন প্ৰমাণ কৰিব লাগিব।

(ঘ) কিছুমান নিবন্ধনৰ ওপৰত নীল প্ৰদানৰ বাবে 'ক' ই 'খ' ৰ লগত লিখিত সংবিদা কৰিলে। অন্য এবাৰ মৌখিক ভাবে সংবিদা কৰা অন্য নীলৰ দাম যে 'খ'ই 'ক' ক আদায় দিছিল এই তথ্যটো এই সংবিদাত উল্লেখ কৰিলে। সেই আন নীলাবোৰৰ বাবে কোনো টকা দিয়া নাছিল বুলি মৌখিক সাক্ষ্য আগবঢ়োৱা হ'ল। এই সাক্ষ্যটো গ্ৰহণীয়।

(ঙ) 'খ' ই আদায় দিয়া ধনৰ বাবে 'ক' ই 'খ' ক এখন ৰচিদ দিলে। ধন দিয়াটোৰ বিষয়ে মৌখিক সাক্ষ্য আগবঢ়োৱা হ'ল। এই সাক্ষ্যটো গ্ৰহণীয়।

৯২। **মৌখিক চুক্তিৰ সাক্ষ্যৰ বহিৰ্ভূতি** - যেতিয়া তেনে কোনো সংবিদা, অনুদান বা সম্পত্তিৰ অন্যান্য ব্যয়নৰ নিবন্ধনবোৰ বা বিধিৰ দ্বাৰা দস্তাৱেজৰ আকাৰত পৰিণত কৰিবলগীয়া যিকোনো বিষয় অন্তিম ধাৰাটো অনুসৰি প্ৰমাণ কৰা হৈছে, তেতিয়া তেনে লেখ্যবোৰৰ পক্ষবোৰ বা তেওঁলোকৰ স্বাৰ্থৰ প্ৰতিনিধিবোৰৰ মাজত তাৰ নিবন্ধনবোৰৰ খণ্ডন কৰাৰ, পৰিৱৰ্তন কৰাৰ, যোগ দিয়াৰ বা বাদ দিয়াৰ উদ্দেশ্যে, কোনো মৌখিক চুক্তি বা উক্তি সাক্ষ্য হিচাবে গৃহীত নহব ঃ

**পৰন্তুক (১)** - এনে কোনো তথ্য প্ৰমাণ কৰিব পাৰি, যিবোৰ দস্তাৱেজক অবিধিমান্য কৰিব বা যিবোৰে কোনো ব্যক্তিক সেইবোৰৰ সম্পৰ্কত কোনো ডিক্ৰী বা আদেশৰ বাবে স্বত্ববান কৰিব, যেনে প্ৰতাৰণা, ভাবুকি প্ৰদৰ্শন, অবৈধতা, সম্যক নিষ্পাদনৰ অভাৱ, কোনো সংবিদাকাৰী পক্ষৰ সক্ষমতাৰ অভাৱ, প্ৰতিদানৰ [৩][অভাৱ বা ব্যৰ্থতা] বা তথ্যক বা বিধিক ভুল ঃ

---

১। ''ৰাজ্যখন''ৰ স্থানত ১৯৫১ৰ অধিনিয়ম ৩ৰ ধাৰা ৩ আৰু অনুসূচীৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

২। ''ভাৰতীয় উত্তৰাধিকাৰ অধিনিয়মৰ অধীনত''ৰ স্থানত ১৮৭২ৰ অধিনিয়ম ১৮ৰ ধাৰা ৭ দ্বাৰা প্ৰতিষ্ঠাপিত।

৩। ''ব্যৰ্থতাৰ অভাৱৰ বাবে'' এই পদাৱলীৰ স্থানত ১৮৭২ৰ অধিনিয়ম ১৮ৰ ধাৰা ৮ৰ দ্বাৰা প্ৰতিষ্ঠাপিত

**পৰন্তুক (২)** - কোনো বিষয় সম্পৰ্কে কোনো পৃথক মৌখিক চুক্তিৰ অস্তিত্ব যিটোৰ ওপৰত দস্তাবেজ নীৰৱ, আৰু যিটো তাৰ ৰিবক্তন বোৰৰ সৈতে অসঙ্গত নহয়, সেইবোৰ প্ৰমাণ কৰিব পাৰি । এই বিশেষ নিবন্ধনটো প্ৰয়োগ হয় নে নহয় বিবেচনা কৰোতে ন্যায়ালয়ে দস্তাবেজখনৰ বিহিতাচাৰৰ মাত্ৰাৰ প্ৰতি অৱধান কৰিব ঃ

**পৰন্তুক (৩)** - কোনো সংবিদা, অনুদান বা সম্পত্তিৰ ব্যয়নৰ অধীনত কোনো বাধ্যতা সংযোগ কৰি এটা পূৰ্ব চৰ্ত্ত গঠন কৰা কোনো পৃথক মৌখিক চুক্তিৰ অস্তিত্ব, প্ৰমাণ কৰিব পাৰি ঃ

**পৰন্তুক (৪)** - য'ত এনে সংবিদা, অনুদান বা সম্পত্তিৰ ব্যয়নৰ বিধিৰ দ্বাৰা লিখিত হোৱাটো অপেক্ষিত, বা দস্তাবেজবোৰৰ পঞ্জীয়ন সম্পৰ্কে তৎসময় বলবৎ থকা বিধি মতে পঞ্জীভুক্ত হৈছে, এনে ক্ষেত্ৰবোৰৰ ব্যতিৰেকে কোনো সংবিদা, অনুদান, বা সম্পত্তিৰ ব্যয়ন বিখণ্ডিত বা সংশোধন কৰাৰ অৰ্থে বিদ্যমান পৰৱৰ্ত্তী মৌখিক চুক্তিৰ অস্তিত্ব প্ৰমাণ কৰিব পাৰি ঃ

**পৰন্তুক (৫)** - কোনো ৰীতি বা প্ৰথা, যাৰ দ্বাৰা কোনো সংবিদাত অভিব্যক্তভাৱে উল্লিখিত নোহোৱা আনুষঙ্গিক বিষয়বোৰ সেই প্ৰকাৰৰ সংবিদাবোৰৰ লগত সাধাৰণতঃ অনুবদ্ধ হয় তাক প্ৰমাণ কৰিব পাৰি ঃ

**পৰন্তু তেনে অনুবন্ধকৰণ আনুষঙ্গিক বিষয়ক** সংবিদাৰ অভিব্যক্ত নিবন্ধনবোৰৰ বিৰুদ্ধ বা তাৰ লগত অসঙ্গত নহব ঃ

**পৰন্তুক (৬)** - কোনো তথ্য যিটোৱে দস্তাবেজৰ ভাষাটো বিদ্যমান তথ্যবোৰৰ লগত যি ধৰণে সম্বন্ধিত সেইটো দেখুৱাই তাক প্ৰমাণ কৰিব পাৰে ।

দৃষ্টান্তবোৰ

(ক) ''কলিকতাৰ পৰা লণ্ডনলৈ যোৱা জাহাজবোৰ''ত দিয়া মাল-বস্তুবোৰৰ ওপৰত এখন বীমা পলিচি কৰা হ'ল । মালবস্তুবোৰ এখন বিশেষ জাহাজত পঠিওৱা হ'ল যিখন হেৰাবলৈ । সেই বিশেষ জাহাজখন যে বীমা পলিচিৰ পৰা মৌখিক ভাবে বাদ দিয়া হৈছিল এই তথ্যটো প্ৰমাণ কৰিব নোৱাৰি ।

(খ) ১৮৭৩ চনৰ ১লা মাৰ্চত 'খ'ক ১০০০ টকা দিবলৈ লিখিত ভাবে 'ক' সম্পূৰ্ণৰূপে সম্মত হ'ল । সেই একে সময়তে যে ধনখিনি ৩১ মাৰ্চলৈকে দিয়া উচিত নহব বুলি এটা মৌখিক চুক্তি কৰা হৈছিল এই তথ্যটো প্ৰমাণ কৰিব নোৱাৰি ।

(গ) ''ৰামপুৰ চহ্ল সম্পদা'' বোলা এটা সম্পদা বিক্ৰীত সম্পত্তিৰ এখন মানচিত্ৰ অন্তৰ্বিষ্ট কৰি এখন দলিলেৰে বিক্ৰী কৰা হ'ল । মানচিত্ৰখনত অন্তৰ্ভুক্ত নকৰা মাটি যে সদায় সম্পদাটোৰ অংশ হিচাবে মান্য কৰা হৈছিল আৰু দলিলখনৰ দ্বাৰা সেই মাটিও হস্তান্তৰ কৰাটো অভিপ্ৰেত আছিল এইটো প্ৰমাণ কৰিব নোৱাৰি ।

(ঘ) কিছুমান নিৰ্দ্ধাৰণত 'খ'ৰ সম্পত্তিত কোনো খনিৰ কাম কৰিবলৈ 'ক' ই 'খ' ৰ লগত লিখিত সংবিদা কৰিলে । সেইবোৰৰ মূল্য সম্বন্ধে 'খ' ৰ দ্বাৰা দিয়া মিথ্যা বৰ্ণনাৰ দ্বাৰা তেনে কৰিবলৈ 'ক' প্ৰৰোচিত হৈছিল এই তথ্যটো প্ৰমাণ কৰিব পাৰি।

(ঙ) 'ক' ই এটা সংবিদাৰ বিনিৰ্দিষ্ট পালনৰ বাবে 'খ' ৰ বিৰুদ্ধে এটা বাদ কৰিলে আৰু এই প্ৰাৰ্থনাও কৰিলে যে সংবিদাটো ইয়াৰ উপবন্ধবোৰৰ এটাৰ সম্বন্ধত সংস্কাৰ কৰা হওঁক, কিয়নো সেই উপবন্ধটো তাত ভুলবশতঃ অন্তঃ স্থাপিত কৰা হৈছিল 'ক' ই প্ৰমাণ কৰিব পাৰে যে এনে এটা ভুল কৰা হৈছিল যিটোৰ বাবে সংবিদাটো সংস্কাৰ কৰিবলৈ তেওঁ বিধিৰ দ্বাৰা হকদাৰ হয় ।

(চ) 'ক' ই এখন চিঠিৰে, য'ত টকা আদায়ৰ সময় সম্বন্ধে একোকে কোৱা হোৱা নাই, 'খ' ৰ পৰা মালৰ ফৰমাচ দিলে আৰু প্ৰদান কৰাত মালবোৰ গ্ৰহণ কৰিলে । মূল্যৰ বাবে 'খ' ই 'ক'ৰ ওপৰত বাদ তৰিলে । 'ক' ই দেখুৱাব পাৰে যে তেতিয়ালৈকে উকলি নোযোৱা এটা অৱধিৰ বাবে মালবোৰ বাকীকৈ যোগান দিয়া হৈছিল ।

(ছ) 'ক' ই 'খ' ক এটা ঘোঁৰা বিক্ৰী কৰিলে আৰু মৌখিক ভাবে ই সুস্থ বুলি ৱাৰেন্টি দিলে । ''৫০০ টকাত 'ক' ৰ ঘোঁৰা এটা কিনা হ'ল'' এই শব্দ কেইটা লিখি 'ক'ই 'খ'ক এখন কাগজ দিলে । 'খ' ই মৌখিক ৱাৰেন্টি টো প্ৰমাণ কৰিব পাৰে ।

(জ) 'ক' ই 'খ' ৰ থকা ঘৰ কিছুমান ভাড়া ললে আৰু 'কোঠালিবোৰ মাহে ২০০ টকাকৈ' বুলি লিখা এখন কাৰ্ড দিলে । 'ক' ই এটা মৌখিক চুক্তি প্ৰমাণ কৰিব পাৰে যে এই নিবন্ধনবোৰে আংশিক ভোজনকো অন্তৰ্ভুক্ত কৰাৰ কথা আছিল ।

'ক' ই 'খ'ৰ পৰা থকা ঘৰ কিছুমান এবছৰৰ বাবে ভাড়া ললে আৰু তেওঁলোকৰ মাজত কোনো এটৰ্নীৰ দ্বাৰা প্ৰস্তুত এখন নিয়মিত ভাৱে মুদ্ৰাঙ্কিত চুক্তি কৰা হ'ল । ভোজনৰ বিষয়ত এইখন নিৰৱ । 'ক' ই প্ৰমাণ কৰিব নোৱাৰিব পাৰে যে মৌখিক ভাৱে কৰা নিবন্ধনত ভোজন অন্তৰ্ভুক্ত আছিল ।

(ঝ) 'ক'ই ধনখিনিৰ বাবে এখন ৰচিদ পঠিয়াই 'ক'ক দিবলগীয়া ঋণৰ বাবে 'খ'লৈ আবেদন কৰিলে । 'খ' ই ৰচিদখন ৰাখিলে আৰু টকাখিনি নপঠিয়ালে । ধনখিনিৰ পৰিমাণটোৰ বাবে কৰা এটা বাদত 'ক' ই এইটো প্ৰমাণ কৰিব পাৰে ।

(ঞ) কোনো এটা অনিশ্চিত ঘটনা ঘটাৰ ওপৰত প্ৰভাৱী হোৱাকৈ 'ক' আৰু 'খ' ই লিখিত সংবিদা কৰিলে । লিখনিখন 'খ'ৰ লগত থাকিল যি সেইখনৰ ওপৰতে 'ক' ৰ ওপৰত বাদ তৰিলে । যি পৰিস্থিতিৰ অধীনত সেইখন প্ৰদান কৰা হৈছিল, সেইটো 'ক' ই দেখুৱাব পাৰে ।

**৯৩ । ব্যৰ্থক দস্তাবেজৰ স্পষ্টীকৰণ বা সংশোধনৰ অৰ্থে** সাক্ষ্যৰ বহিৰ্ভূতি - যেতিয়া দস্তাবেজত ব্যৱহৃত ভাষাটো দেখাতেই ব্যৰ্থক বা ত্ৰুটীপূৰ্ণ, তেতিয়া এনেকুৱা তথ্যবোৰৰ সাক্ষ্য দিব পৰা নাযায় যিবোৰে তাৰ অৰ্থ দেখুৱাব বা ত্ৰুটীসমূহৰ পূৰ্ত্তি কৰিব ।

দৃষ্টান্ত

(ক) 'ক' ই লিখিতভাবে ১০০০ টকা বা ১৫০০ টকাত 'খ' ক এটা ঘোঁৰা বেচিবলৈ সন্মত হয়। কোনটো মূল্য দিবলগীয়া আছিল দেখুৱাবলৈ সাক্ষ্য দিব নোৱাৰি।

(খ) এখন দলিলত কিছুমান খালী ঠাই আছে। সেইবোৰ কেনেদৰে পূৰ্ণ কৰাৰ অভিপ্ৰায় আছিল সেইটো দেখুৱাব পৰা তেনে তথ্যবোৰৰ সাক্ষ্য দিব নোৱাৰি।

**৯৪। বিদ্যমান তথ্যবোৰত দস্তাবেজৰ প্ৰয়োগৰ বিৰুদ্ধে সাক্ষ্যৰ বহিৰ্ভূতি** - যেতিয়া কোনো দস্তাবেজত ব্যৱহৃত ভাষা স্বয়ং স্পষ্ট আৰু যেতিয়া সেইখন শুদ্ধভাবে বিদ্যমান তথ্যবোৰত প্ৰয়োগ হয়, তেতিয়া তেনে তথ্যবোৰত এইখন প্ৰয়োগ কৰাটো অভিপ্ৰেত নাছিল বুলি দেখুৱাবলৈ সাক্ষ্য দিব পৰা নাযায়।

দৃষ্টান্ত

'ক' ই 'খ'ক এখন দলিলেৰে "মোৰ ৰামপুৰত থকা ১০০ বিঘা সম্পদা" বেচিলে। 'ক' ৰ ৰামপুৰত ১০০ বিঘাৰ এটা সম্পদা আছে। বিক্ৰী কৰা অভিপ্ৰেত সম্পদাটো বেলেগ ঠাইত অৱস্থিত আৰু বেলেগ আকাৰৰ আছিল এই তথ্যৰ সাক্ষ্য দিব পৰা নাযায়।

**৯৫। বিদ্যমান তথ্যবোৰৰ সন্দৰ্ভত অৰ্থহীন দস্তাবেজ সম্পৰ্কে সাক্ষ্য** - যেতিয়া এখন দস্তাবেজত ব্যৱহৃত ভাষা স্বয়ং স্পষ্ট, কিন্তু বিদ্যমান তথ্যবোৰৰ সন্দৰ্ভত অৰ্থহীন, তেতিয়া সেইখন এটা বিশেষ ভাৱত ব্যৱহৃত হৈছিল বুলি দেখুৱাবলৈ সাক্ষ্য দিব পাৰি।

দৃষ্টান্ত

'ক' ই 'খ'ক এখন দলিলেৰে "মোৰ কলিকতাত থকা ঘৰটো" বিক্ৰী কৰিলে। 'ক' ৰ কলিকতাত কোনো ঘৰ নাছিল, কিন্তু দেখা গ'ল যে হাওৰাত তেওঁৰ এটা ঘৰ আছে যিটো দলিলখন নিষ্পাদনৰ পৰাই 'খ' ই দখল কৰি আছে। দলিলখন যে হাওৰাত থকা ঘৰটো সম্পৰ্কীয় আছিল সেইটো দেখুৱাবলৈ এই তথ্যবোৰ প্ৰমাণ কৰিব পাৰি।

**৯৬। কেইবাজনো ব্যক্তিৰ মাথো এজনৰ প্ৰতিহে প্ৰয়োগ হ'ব পৰা ভাষাৰ প্ৰয়োগ সম্পৰ্কে সাক্ষ্য** - যেতিয়া তথ্যবোৰ এনে হয় যে ব্যৱহৃত ভাষাটো অনেক ব্যক্তিৰ বা বস্তুৰ যিকোনো একত প্ৰয়োগ বুজাব পাৰিলেহেঁতেন আৰু একতকৈ অধিকত প্ৰয়োগ হোৱা বুলি বুজাব নোৱাৰিলেহেঁতেন, তেতিয়া সেই ব্যক্তি বা বস্তুবোৰৰ কোনটোত এইটোৰ প্ৰয়োগ অভিপ্ৰেত আছিল তাক দেখুওৱা তথ্যবোৰৰ সাক্ষ্য দিব পাৰি।

দৃষ্টান্ত

(ক) 'ক' ই ১০০০ টকাত "মোৰ বগা ঘোঁৰাটো" 'খ' ক বেচিবলৈ সন্মত হ'ল। 'ক' ৰ দুটা বগা ঘোঁৰা আছে। সেই দুটাৰ কোনটো ঘোঁৰা বুজোৱা হৈছিল সেইটো দেখুওৱা তথ্যবোৰৰ সাক্ষ্য দিব পাৰি।

(খ) 'ক' ই 'খ' ৰ লগত হায়দৰাবাদলৈ যাবলৈ সন্মত হ'ল দাক্ষিণাত্যৰ হায়দৰাবাদ নে সিন্ধুৰ হায়দৰাবাদ বুজোৱা হৈছিল সেইটো দেখুওঁৱা তথ্যবোৰৰ সাক্ষ্য দিব পাৰি।

**৯৭। দুই লানি তথ্যৰ ভাষা যি কোনোটোতে ভাষা সম্পূৰ্ণ শুদ্ধভাৱে প্ৰয়োগ নহয় তাৰ এলানিত প্ৰয়োগ সম্পৰ্কে সাক্ষ্য** - যেতিয়া ব্যৱহৃত ভাষাটো বিদ্যমান তথ্যবোৰৰ এলানিত আংশিকভাৱে আৰু বিদ্যমান তথ্যবোৰৰ অন্য এলানিত আংশিকভাৱে প্ৰয়োগ হয়, কিন্তু তাৰ গোটেইখিনি এটাটো শুদ্ধভাৱে প্ৰয়োগ নহয়, তেতিয়া সেই দুটাৰ কোনটোত প্ৰয়োগ কৰাটো বুজোৱা হৈছিল তাক দেখুৱাবলৈ সাক্ষ্য দিব পাৰি।

দৃষ্টান্ত

'ক' ই "মোৰ 'ঙ' ত থকা 'ম'ৰ দখলৰ মাটি খিনি" বেচিবলৈ সন্মত হ'ল 'ক' ৰ 'ঙ'ত মাটি আছে, কিন্তু 'ম' ৰ দখল নাই আৰু তেওঁৰ 'ম'ৰ দখলত মাটি আছে কিন্তু সেয়া 'ঙ'ত নহয়। তেওঁ কোনখিনি মাটি বেচিব খুজিছিল তাক দেখুৱা তথ্যবোৰৰ সাক্ষ্য দিব পাৰি।

**৯৮। পঢ়িব নোৱাৰা লিপি আদিৰ অৰ্থ সম্পৰ্কে সাক্ষ্য** - পঢ়িব নোৱাৰা বা সাধাৰণ ভাৱে বোধগম্য নোহোৱা লিপিৰ, বিদেশী, অপ্ৰচলিত, কাৰিকৰী, স্থানীয় আৰু প্ৰাদেশিক অভিব্যক্তিবোৰৰ শব্দ সংক্ষেপবোৰৰ আৰু বিশিষ্ট, অৰ্থত ব্যৱহৃত শব্দবোৰৰ অৰ্থ দেখুৱাবলৈ সাক্ষ্য দিব পাৰি।

দৃষ্টান্ত

'ক' এজন ভাস্কৰ্য্য শিল্পীয়ে 'খ' ক "মোৰ সকলো মডেল" বিক্ৰী কৰিবলৈ সন্মত হ'ল। 'ক' ৰ মডেল আৰু মডেল কৰা যন্ত্ৰপাতি দুয়োটাই আছে। তেওঁ কোনটো বেচিব খুজিছিল দেখুৱাবলৈ সাক্ষ্য দিব পাৰি।

**৯৯। দস্তাবেজৰ নিবন্ধনৰ তাৰতম্য ঘটোৱা চুক্তিৰ সাক্ষ্য কোনে দিব পাৰে** - যিবোৰ ব্যক্তি কোনো দস্তাবেজৰ পক্ষ বা তেওঁলোকৰ স্বাৰ্থৰ প্ৰতিনিধি নহয়, তেওঁলোকে দস্তাবেজখনৰ নিবন্ধনবোৰৰ তাৰতম্য ঘটোৱা কোনো সমকালীন চুক্তি দেখুৱাব খোজা যি কোনো তথ্যৰ সাক্ষ্য দিব পাৰে।

দৃষ্টান্ত

'ক' আৰু 'খ' ই এটা লিখিত সংবিদা কৰিলে যে 'খ' ই 'ক' ক কিছুমান কপাহ বিক্ৰী কৰিব আৰু তাক প্ৰদান কৰাৰ লগে লগে দাম আদায় দিব লাগিব। একে সময়তে 'ক'ক তিনিমাহৰ বাকী আদায় দিয়া হব বুলি তেওঁলোকে এটা মৌখিক চুক্তি কৰিলে। এইটো 'ক' আৰু 'খ'ৰ মাজত দেখুৱাব নোৱাৰিব, কিন্তু এইটো 'গ'ৰ দ্বাৰা দেখুৱাব পৰা যাব, যদি ই তেওঁৰ স্বাৰ্থত ব্যাঘাত জন্মায়।

**১০০। ইচ্ছাপত্ৰৰ সম্পৰ্কত ভাৰতীয় উত্তৰাধিকাৰ অধিনিয়মৰ উপবন্ধবোৰৰ ব্যাবৃত্তি** - এই অধ্যায়ত অন্তৰ্বিষ্ট একোৱেই ইচ্ছাপত্ৰৰ অৰ্থ কৰোতে ভাৰতীয় উত্তৰাধিকাৰ অধিনিয়ম [১](১৮৬৫ ৰ ১০) কোনো উপবন্ধক প্ৰভাৱান্বিত কৰিব বুলি ধৰা নহব।

## ভাগ -৩

## সাক্ষ্যৰ উপস্থাপন আৰু প্ৰভাৱ

### প্ৰমাণৰ ভাৰৰ বিষয়ে

### অধ্যায়-৭

**১০১। প্ৰমাণৰ ভাৰ** - যিয়ে তেওঁ দাবী কৰা তথ্যবোৰৰ অস্তিত্বৰ ওপৰত নিৰ্ভৰশীল কোনো বিধিক অধিকাৰ বা দায়িত্ব সম্পৰ্কে কোনো ন্যায়ালয়ে নিৰ্ণয় দিয়া বাঞ্ছা কৰে, তেওঁ প্ৰমাণ কৰিবই লাগিব যে সেই তথ্যবোৰ বিদ্যমান।

যেতিয়া কোনো তথ্যৰ অস্তিত্বটো প্ৰমাণ কৰিবলৈ কোনো ব্যক্তি আৱদ্ধ, তেতিয়া এইটো কোৱা হয় যে প্ৰমাণৰ ভাৰ সেই ব্যক্তিৰ ওপৰত পৰিছে।

দৃষ্টান্ত

(ক) এটা অপৰাধৰ বাবে, যিটো 'খ' ই কৰিছে বুলি 'ক' ই কয়, 'খ'ক শাস্তি দিয়া হব বুলি ন্যায়ালয়ে নিৰ্ণয় দিয়াটো 'ক' ই বাঞ্ছা কৰে। 'ক' ই প্ৰমাণ কৰিবই লাগিব যে 'খ' ই অপৰাধটো কৰিছে।

(খ) 'খ' ই কিছুমান তথ্যৰ হেতুত, যিটো সত্য বুলি তেওঁ দাবী কৰে, আৰু 'খ'ই অস্বীকাৰ কৰে, 'খ' ৰ দখলত থকা কোনো এডোখৰ নিৰ্দিষ্ট মাটিৰ তেওঁ স্বত্ববান বুলি ন্যায়ালয়ে নিৰ্ণয় দিয়াটো বাঞ্ছা কৰে।

'ক' ই সেইবোৰ তথ্যৰ অস্তিত্ব প্ৰমাণ কৰিবই লাগিব।

**১০২। কাৰ ওপৰত প্ৰমাণৰ ভাৰ থাকে** - এটা বাদ বা কাৰ্য্যবাহীত প্ৰমাণৰ ভাৰ সেই ব্যক্তিজনৰ ওপৰত থাকে, যি যদি উভয় পক্ষই সমূলি সাক্ষ্য নিদিলেহেঁতেন তেনেহলে অকৃতকাৰ্য্য হ'লহেঁতেন।

যদি উভয় পক্ষই সাক্ষ্য নিদিলেহেঁতেন তেন্তে 'খ' ই তেওঁৰ দখল ৰাখিবলৈ হক্‌দাৰ হ'লহেঁতেন।

সেই কাৰণে প্ৰমাণৰ ভাৰ 'ক'ৰ ওপৰত থাকে।

(খ) এখন বন্ধপত্ৰৰ ওপৰত দেয় ধনৰ বাবে 'ক'ই 'খ'ৰ ওপৰত বাদ কৰিলে। বন্ধপত্ৰখনৰ নিষ্পাদন স্বীকৃত হৈছে, কিন্তু 'খ' ই কয় যে এইখন প্ৰবঞ্চনাৰে লোৱা হৈছিল যিটো 'ক' ই অস্বীকাৰ কৰে।

যদি উভয় পক্ষই সাক্ষ্য নিদিলেহেঁতেন তেতিয়া 'ক' ই কৃতকাৰ্য্য হ'লহেঁতেন কিয়নো বন্ধপত্ৰখন বিবাদিত নহয় আৰু প্ৰবঞ্চনাটো প্ৰমাণ হোৱা নাই। সেইবাবে প্ৰমাণৰ ভাৰ 'খ'ৰ ওপৰত থাকে।

**১০৩। বিশেষ তথ্য সম্পৰ্কে প্ৰমাণৰ ভাৰ** - কোনো বিশেষ তথ্যৰ প্ৰমাণৰ ভাৰ সেই ব্যক্তিৰ ওপৰত থাকে যি সেইটোৰ অস্তিত্ব ন্যায়ালয়ে বিশ্বাস কৰাটো ইচ্ছা কৰে, যদিহে কোনো বিধিৰ দ্বাৰা এইটো উপবন্ধিত নহয় যে সেই তথ্যৰ প্ৰমাণ কোনো নিৰ্দ্দিষ্ট ব্যক্তিৰ ওপৰত থাকিব।

দৃষ্টান্ত

[২][(ক)] চুৰি কৰা বাবে 'ক'ই 'খ' ৰ ওপৰত অভিযোজন কৰিছে আৰু 'খ' ই 'গ'ৰ আগত চুৰি কৰা বুলি স্বীকাৰ কৰাটো ন্যায়ালয়ে বিশ্বাস কৰাটো 'ক' ই ইচ্ছা কৰে। 'ক'ই এই স্বীকৃতি প্ৰমাণ কৰিবই লাগিব।

'খ'ই ইচ্ছা কৰে যে প্ৰশ্নগত সময়ত তেওঁ আন কৰবাত আছিল বুলি ন্যায়ালয়ে বিশ্বাস কৰক, তেওঁ এইটো প্ৰমাণ কৰিবই লাগিব।

**১০৪। সাক্ষ্য গ্ৰহণীয় কৰাৰ অৰ্থে প্ৰমাণ কৰিবলগীয়া তথ্যৰ প্ৰমাণৰ ভাৰ** - কোনো ব্যক্তিক অন্য কোনো তথ্যৰ সাক্ষ্য দিবলৈ সমৰ্থবান কৰাৰ অৰ্থে প্ৰমাণ কৰাৰ প্ৰয়োজনীয় কোনো তথ্যৰ প্ৰমাণৰ ভাৰ তেনে সাক্ষ্য দিব বিচৰা সেই ব্যক্তিজনৰ ওপৰত থাকে।

দৃষ্টান্ত

(ক) 'ক' ই 'খ'ৰ মৃত্যুকালীন উক্তি এটা প্ৰমাণ কৰাৰ ইচ্ছা কৰিছে। 'ক'ই 'খ'ৰ মৃত্যুটো প্ৰমাণ কৰিবই লাগিব।

(খ) 'ক' ই দ্বিতীয়ক সাক্ষ্যৰ দ্বাৰা এখন হেৰোৱা দস্তাৱেজৰ অন্তৰ্বস্তুৰ প্ৰমাণ কৰাৰ ইচ্ছা কৰিছে।

'ক' ই দস্তাৱেজখন হেৰাইছে বুলি প্ৰমাণ কৰিবই লাগিব।

---

১। এতিয়া ভাৰতীয় উত্তৰাধিকাৰী অধিনিয়ম, ১৯২৫ (১৯২৫ৰ ৩৯) খণ্ড ৬ অধ্যায় ৬ দ্ৰষ্টব্য।

২। ভাৰতৰ ৰাজপত্ৰ, ১৮৭২, ভাগ ৪, পৃষ্ঠা ১৩ প্ৰকাশিত হোৱা অধিনিয়মখন চাওঁক। তাত কোনো দৃষ্টান্ত (খ) নাই।

১০৫। অভিযুক্তৰ গোচৰটো যে ব্যতিক্ৰমৰ ভিতৰত আছে তাৰ প্ৰমাণৰ ভাৰ - যেতিয়া এজন ব্যক্তি কোনো অপৰাধৰ বাবে অভিযুক্ত হয়, তেতিয়া গোচৰটো ভাৰতীয় দণ্ড সংহিতাৰ সাধাৰণ ব্যতিক্ৰমবোৰৰ যিকোনো এটাৰ অন্তৰ্গত আনিবলৈ বা সেই একেখন সংহিতাৰ আন যিকোনো ভাগত বা অপৰাধটো পৰিভাষিত কৰা যিকোনো বিধিৰ অন্তৰ্বিষ্ট কোনো বিশেষ ব্যতিক্ৰম বা পৰন্তুকৰ অন্তৰ্গত আনিবলৈ পৰিস্থিতিবোৰৰ অস্তিত্ব প্ৰমাণ কৰাৰ ভাৰ তেওঁৰ ওপৰত থাকে, আৰু ন্যায়ালয়ে তেনে পৰিস্থিতিৰ অবিদ্যমানতা প্ৰাক্‌ধাৰণা কৰিব।

দৃষ্টান্ত

(ক) হত্যাৰ বাবে অভিযুক্ত হোৱা 'ক' ই অভিকথন কৰিছে যে মানসিক অসুস্থতাৰ বাবে কাৰ্যটোৰ প্ৰকৃতি তেওঁ জনা নাছিল। প্ৰমাণৰ ভাৰটো 'ক'ৰ ওপৰত।

(খ) হত্যাৰ বাবে অভিযুক্ত হোৱা 'ক' ই অভিকথন কৰিছে যে গম্ভীৰ আৰু আচম্বিত উত্তেজনাৰ দ্বাৰা তেওঁ আত্মনিয়ন্ত্ৰণৰ শক্তিৰ পৰা বঞ্চিত হৈছিল।

প্ৰমাণৰ ভাৰটো 'ক'ৰ ওপৰত।

(গ) ভাৰতীয় দণ্ড সংহিতাৰ ধাৰা ৩২৫ত এইটো উপবন্ধিত যে ধাৰা ৩৩৫ৰ দ্বাৰা উপবন্ধিতৰ ব্যতিৰেকে যিয়ে স্বেচ্ছাই গুৰুতৰ আঘাত কৰে তেওঁ কোনো নিৰ্দ্দিষ্ট দণ্ডৰে দণ্ডনীয় হব।

ধাৰা ৩২৫ৰ অধীনত স্বেচ্ছাই গুৰুতৰ আঘাত কৰা বাবে 'ক' অভিযুক্ত হৈছে।

গোচৰটো ধাৰা ৩৩৫ৰ অধীনলৈ অনা পৰিস্থিতিবোৰ প্ৰমাণ কৰাৰ ভাৰটো 'ক'ৰ ওপৰত পৰে।

১০৬। বিশেষভাবে জ্ঞাত তথ্য প্ৰমাণ কৰাৰ ভাৰ - যেতিয়া কোনো এটা তথ্য বিশেষভাৱে কোনো ব্যক্তিৰ জ্ঞানৰ অন্তৰ্গত হয় তেতিয়া সেই তথ্যটো প্ৰমাণ কৰাৰ ভাৰ তেওঁৰ ওপৰত থাকে।

(ক) যেতিয়া এজন ব্যক্তিয়ে কামটোৰ প্ৰকৃতি আৰু পৰিস্থিতিয়ে ইংগিত কৰাৰ বাহিৰে আন কোনো অভিপ্ৰায়েৰে সেই কাম কৰে, তেতিয়া সেই অভিপ্ৰায়টো প্ৰমাণ কৰাৰ ভাৰ তেওঁৰ ওপৰতে থাকে।

(খ) টিকট নোহোৱাকৈয়ে ৰেল পথত ভ্ৰমণ কৰাৰ বাবে 'ক' অভিযুক্ত হৈছে। তেওঁৰ যে এটা টিকট আছিল, প্ৰমাণ কৰাৰ ভাৰটো তেওঁৰ ওপৰত।

১০৭। ত্ৰিশ বছৰৰ ভিতৰত জীয়াই থকা বুলি জনা ব্যক্তিৰ মৃত্যু প্ৰমাণ কৰাৰ ভাৰ - যেতিয়া প্ৰশ্নটো হৈছে এজন মানুহ জীৱিত নে মৃত, আৰু এইটো দেখুওৱা হৈছে যে তেওঁ ত্ৰিশ বছৰৰ ভিতৰত জীৱিত আছিল, তেতিয়া তেওঁৰ যে মৃত্যু হৈছে সেইটো প্ৰমাণৰ ভাৰ তেনে ব্যক্তিৰ ওপৰত যিটো সেইটো প্ৰতিজ্ঞাত কৰে।

১০৮। সাত বছৰ ধৰি যাৰ বিষয়ে শুনা হোৱা নাই সেই ব্যক্তিজন যে জীৱিত তাক প্ৰমাণ কৰাৰ ভাৰ - [1][পৰন্তু যেতিয়া] প্ৰশ্নটো হৈছে, এজন মানুহ জীৱিত নে মৃত, আৰু এইটো প্ৰমাণ কৰা হৈছে যে তেওঁ জীৱিত থকা হলে স্বাভাৱিকতে যি সকলে তেওঁৰ বিষয়ে শুনিলেহেঁতেন সেই সকলে তেওঁৰ বিষয়ে সাত বছৰলৈকে শুনা নাই, তেতিয়া তেওঁ যে জীৱিত তাক প্ৰমাণ কৰাৰ ভাৰটো যি এইটো প্ৰতিজ্ঞাত কৰে সেই ব্যক্তিলৈ [2][ চলি যায়]।

১০৯। ভাগীদাৰ সকল, ভূস্বামী আৰু ৰায়ত, মালিক আৰু অভিকৰ্তাৰ ক্ষেত্ৰত সম্বন্ধ সম্পৰ্কে প্ৰমাণৰ ভাৰ - যেতিয়া প্ৰশ্নটো হৈছে ব্যক্তিবোৰ ভাগীদাৰ, ভূস্বামী আৰু ৰায়ত, বা মালিক আৰু অভিকৰ্ত্তা হয়নে নহয়, আৰু এইটো দেখুওৱা হৈছে যে তেওঁলোকে তেনেদৰে কাৰ্য্য কৰিয়েই আছে, তেতিয়া তেওঁলোকে পৰস্পৰৰ প্ৰতি যথাক্ৰমে সেইবোৰ সম্বন্ধত যে নাই বা তেওঁলোকৰ সম্বন্ধৰ অন্ত পৰিছে তাক প্ৰমাণ কৰাৰ ভাৰটো যিজন ব্যক্তিয়ে এইটো প্ৰতিজ্ঞাত কৰে তেওঁৰ ওপৰত থাকে।

১১০। মালিকীস্বত্ব সম্পৰ্কে প্ৰমাণৰ ভাৰ - যেতিয়া কোনো এজন ব্যক্তি কোনো বস্তুৰ, যিটো তেওঁৰ অধিকাৰত থকাতো দেখুৱাইছে, মালিক নেকি বুলি প্ৰশ্ন উঠে, তেতিয়া তেওঁযে মালিক নহয় সেইটো প্ৰমাণৰ ভাৰ যি তেওঁ মালিক নহয় বুলি প্ৰতিজ্ঞাত কৰে সেই ব্যক্তিজনৰ ওপৰত থাকে।

১১১। সংব্যৱহাৰত সৰল বিশ্বাসৰ প্ৰমাণ য'ত এটা পক্ষ সক্ৰিয় বিশ্বাসৰ সম্বন্ধত থাকে - য'ত পক্ষবোৰৰ মাজত সৰল বিশ্বাসৰ বিষয়ে প্ৰশ্ন উঠে, যাৰ এটা পক্ষ আনটোৰ সক্ৰিয় বিশ্বাসৰ স্থানত থাকে, সংব্যৱহাৰৰ সৰল বিশ্বাসটো প্ৰমাণ কৰা ভাৰটো সেই পক্ষৰ ওপৰত থাকে যি সক্ৰিয় বিশ্বাসৰ স্থানত থাকে।

দৃষ্টান্ত

(ক) এজন মোক্কেলৰ দ্বাৰা এটৰ্নীক কৰা এটা বিক্ৰীৰ বিষয়ে মোক্কেলজনে অনা এটা বাদত সৰল বিশ্বাসটো প্ৰশ্নগত হৈছে। সংব্যৱহাৰৰ সৰল বিশ্বাসটো প্ৰমাণ কৰা ভাৰ এটৰ্নীজনৰ ওপৰত।

(খ) সদ্য প্ৰাপ্ত বয়স্ক হোৱা পুতেক এজনে বাপেকক কৰা বিক্ৰী এটাৰ বিষয়ে সৰল বিশ্বাসটো পুতেকে অনা এটা বাদত প্ৰশ্নগত হৈছে। সংব্যৱহাৰত সৰল বিশ্বাসৰ প্ৰমাণ কৰা ভাৰ বাপেকৰ ওপৰত।

---

১। "যেতিয়া" ৰ স্থানত ১৮৭২ ৰ অধিনিয়ম ১৮ ৰ ধাৰা ৯ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।
২। "ওপৰত" শব্দৰ স্থানত ১৮৭২ ৰ অধিনিয়ম ১৮ ৰ ধাৰা ৯ ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

[1][১১১ক। কোনো কোনো অপৰাধ সম্পৰ্কে প্ৰাক্‌ধাৰণা - (১) যি ক্ষেত্ৰত কোনো ব্যক্তি -

(ক) উপদ্ৰৱ দমন আৰু লোক শৃঙ্খলা ফিৰাই অনা আৰু বজাই ৰখাৰ বাবে তৎসময় বলবৎ থকা কোনো অধিনিয়মিতিৰ অধীনত উপবন্ধ কৰি অশান্ত অঞ্চল বুলি ঘোষিত যিকোনো অঞ্চলত, অথবা

(খ) য'ত এমাহতকৈ অধিক অৱধিৰ বাবে লোক শান্তিৰ ব্যাপক ভাৱে বিঘ্নিত হৈ আছে, তেনে কোনো অঞ্চলত ; উপধাৰা (২)ত বিনিৰ্দিষ্ট কোনো অপৰাধ কৰাৰ বাবে অভিযুক্ত হয়,

আৰু এইটোও দেখুওৱা হয় যে এনে ব্যক্তি এনে অঞ্চলৰ কোনো স্থানত এনে এটা সময়ত আছিল যেতিয়া কোনো সশস্ত্ৰ বাহিনী বা লোক-শৃংখলা বজাই ৰখাৰ ভাৰপ্ৰাপ্ত বাহিনীবোৰৰ সদস্যসকলক তেওঁলোকৰ নিজ কৰ্তব্য নিৰ্ব্বাহ কৰি থাকোতে আক্ৰমণ বা প্ৰতিৰোধ কৰিবলৈ সেই স্থানত বা সেই স্থানৰ পৰা আগ্নেয়াস্ত্ৰ বা বিস্ফোৰক ব্যৱহাৰ হৈছিল, যদি বিপৰীতে কিছু দেখুওৱা নহয় এইটো প্ৰাক্‌ধাৰণা কৰিব লাগিব যে তেনে ব্যক্তিয়ে তেনে অপৰাধ কৰিছিল।

(২) উপধাৰা (১)ত উল্লিখিত অপৰাধবোৰ হৈছে নিম্নলিখিতবোৰ অৰ্থাৎ -

(ক) ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫)ৰ ধাৰা ১২১, ১২১ক, ধাৰা ১২২ বা ধাৰা ১২৩ৰ অধীনৰ কোনো অপৰাধ,

(খ) আপৰাধিক ষড়যন্ত্ৰ বা ভাৰতীয় দণ্ড সংহিতাৰ (১৮৬০ৰ ৪৫)ৰ ধাৰা ১২২ বা ধাৰা ১২৩ৰ অধীনৰ কোনো অপৰাধ কৰিবলৈ চেষ্টা বা তাৰ অপপ্ৰেৰণা।]

১১২। **বিবাহৰ স্থায়িত্ব কালৰ ভিতৰত জন্ম, বৈধতাৰ নিশ্চায়ক প্ৰমাণ** - কোনো ব্যক্তি তেওঁৰ মাক আৰু কোনো এজন পুৰুষৰ মাজত বিধিমানা বিবাহ বাহাল থকা কালাৱধিৰ বা ইয়াৰ বিঘটনৰ পশ্চাৎ দুশ আশী দিনৰ ভিতৰত মাক অবিবাহিত হৈ থাকোতে, জন্মিছিল এই তথ্য তেওঁ যে সেই মানুহ জনৰ বৈধ সন্তান তাৰ নিশ্চায়ক প্ৰমাণ হব, যদিহে এইটো দেখুৱাব পৰা নাযায় যে যেতিয়া তেওঁৰ গৰ্ভধাৰণ কৰিব পৰা তেনে কোনো সময়ত বিবাহৰ পক্ষদ্বয়ৰ পৰস্পৰৰ মাজত মিলন হোৱা নাছিল।

১১৩। **ৰাজ্যক্ষেত্ৰৰ অধ্যৰ্পণৰ প্ৰমাণ** - চৰকাৰী ৰাজপত্ৰত জাৰি কৰা কোনো অধিসূচনা যে [2][ভাৰত চৰকাৰ অধিনিয়ম, ১৯৩৫ৰ (২৬জিও ৫, অধ্যায় ২) ভাগ ৩ৰ প্ৰাৰম্ভৰ পূৰ্বে বৃটিশ ৰাজ্যক্ষেত্ৰৰ কোনো ভাগ, কোনো দেশীয় ৰাজ্যক, ৰজাক বা শাসনকৰ্ত্তাক অধ্যৰ্পিত কৰা হৈছিল, সেইটো তেনে অধিসূচনাত উল্লিখিত তাঁৰিখত যে তেনে ৰাজ্যক্ষেত্ৰৰ বিধিমানা অধ্যৰ্পণ ঘটিছিল তাৰ নিশ্চায়ক প্ৰমাণ হব।

[3][১১৩ক **বিবাহিত নাৰীৰ আত্মহত্যাত অপপ্ৰেৰণা সম্পৰ্কে প্ৰাক্‌ধাৰণা** - যেতিয়া প্ৰশ্ন হয় কোনো নাৰীৰ দ্বাৰা কৰা আত্মহত্যাটো তেওঁৰ স্বামীৰ বা তেওঁৰ স্বামীৰ কোনো আত্মীয় লোকৰ দ্বাৰা অপপ্ৰেৰিত হৈছিল নেকি, আৰু এইটো দেখুৱা হয় যে তেওঁ তেওঁৰ বিবাহৰ তাৰিখৰ পৰা সাত বছৰ কালৰ ভিতৰত আত্মহত্যা কৰিছিল, আৰু তেওঁৰ স্বামীয়ে বা তেওঁৰ স্বামীৰ আত্মীয় লোকে তেওঁক নিষ্ঠুৰ ব্যৱহাৰ কৰিছিল, তেতিয়া ন্যায়ালয়ে গোচৰটোৰ আন সকলোবোৰ পৰিস্থিতিৰ প্ৰতি ধ্যান ৰাখি এনে আত্মহত্যা তেওঁৰ স্বামীৰ বা তেওঁৰ স্বামীৰ আত্মীয় লোকৰ দ্বাৰা অপপ্ৰেৰিত হৈছিল বুলি প্ৰাক্‌ধাৰণা কৰিব পাৰে।

**স্পষ্টীকৰণ** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''নিষ্ঠুৰতাৰ'' অৰ্থ ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫)ৰ ধাৰা ৪৯৮ (ক)ত থকাৰ দৰে একে হ'ব।]

[4][১১৩ খ। **যৌতুক মৃত্যুৰ বিষয়ে প্ৰাক্‌ধাৰণা** - কোনো এজন পুৰুষে কোনো এগৰাকী নাৰীৰ যৌতুক মৃত্যু সংঘটিত কৰিছে নে নাই সেই বিষয়ে যেতিয়া কোনো প্ৰশ্নৰ অৱতাৰণা হয় আৰু এইটো দেখুওৱা হয় যে তেওঁৰ মৃত্যুৰ ঠিক পূৰ্বে এনে মহিলাই এনে ব্যক্তিৰ দ্বাৰা কোনো যৌতুকৰ দাবীৰ বাবে বা ইয়াৰ সম্বন্ধত সেই ব্যক্তিৰ দ্বাৰা তেনে নাৰীয়ে ভুক্তভোগী হৈছিল তেতিয়া নিষ্ঠুৰতাৰ বা হাৰাশাস্তিৰ, ন্যায়ালয়ে প্ৰাক্‌ধাৰণা কৰিব যে এনে ব্যক্তিয়ে যৌতুক মৃত্যু ঘটাইছিল।

**স্পষ্টীকৰণ** - এই ধাৰাৰ প্ৰয়োজনাৰ্থে ''যৌতুক মৃত্যু'' ৰ ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫)ৰ ধাৰা ৩০৪ খত থকাৰ দৰে একেই অৰ্থ হব।]

১১৪। **কিছুমান তথ্যৰ অস্তিত্ব ন্যায়ালয়ে প্ৰাক্‌ধাৰণা কৰিব পাৰে** - ন্যায়ালয়ে বিশেষ গোচৰটোৰ তথ্যবোৰ সম্পৰ্কে প্ৰাকৃতিক ঘটনাবোৰৰ, মানবীয় আচৰণৰ আৰু চৰকাৰী আৰু ব্যক্তিগত কাম কাজৰ সাধাৰণ অনুক্ৰমৰ প্ৰতি ধ্যান ৰাখি, সম্ভৱতঃ ঘটিব পাৰে বুলি ন্যায়ালয়ে ভবা, যি কোনো তথ্যৰ অস্তিত্বৰ প্ৰাক্‌ধাৰণা কৰিব পাৰে।

### দৃষ্টান্ত

ন্যায়ালয়ে প্ৰাক্‌ধাৰণা কৰিব পাৰে যে -

(ক) চুৰি হোৱাৰ ঠিক পিছতে চোৰাই মালৰ দখলত থকা ব্যক্তিজন হয় চোৰ, নহয় তেওঁ সেইবোৰ চোৰাই মাল বুলি জানিও গ্ৰহণ কৰিছে, যদিহে তেওঁ দখলত ৰখাৰ কৈফিয়ৎ দিব নোৱাৰে ;

(খ) এজন সহ-অপৰাধী বিশ্বাসৰ অযোগ্য, যদিহে তাত্ত্বিক বিৱৰণবোৰত তেওঁক সংপুষ্টি কৰা নহয় ;

(গ) প্ৰতিগৃহীত বা পৃষ্ঠাঙ্কিত হোৱা এখন বিনিময়পত্ৰ উচিত প্ৰতিদানৰ বাবে প্ৰতিগৃহীত বা পৃষ্ঠাঙ্কিত কৰা হৈছিল ;

(ঘ) সাধাৰণতে কোনো বস্তু বা বস্তুবোৰৰ অৱস্থাৰ বিদ্যমানতা নোহোৱা হোৱা সময়তকৈ কম কালাৱধিৰ ভিতৰত বিদ্যমান থকা দেখুৱালে, তেনে বস্তু বা বস্তুবোৰৰ অৱস্থাৰ অস্তিত্ব তেতিয়াও বিদ্যমান ;

---

১। ১৯৮৪ ৰ অধিনিয়ম ৬১ ৰ ধাৰা ২০ৰ দ্বাৰা ১৪-৭-৮৪ তাৰিখৰ পৰা অন্তঃস্থাপিত।

২। বিধি অনুকূলন আদেশ, ১৯৩৭ৰ দ্বাৰা অন্তঃস্থাপিত। ভাৰত শাসন অধিনিয়ম, ১৯৩৫ৰ ভাগ ৩ বলৱৎ হৈছিল ১৯৩৭ চনৰ ১লা এপ্ৰিল তাৰিখৰ পৰা।

৩। ১৯৮৩ৰ অধিনিয়ম ৪৬ৰ ধাৰা ৭ৰ দ্বাৰা অন্তঃ স্থাপিত।

৪। ১৯৮৬ৰ অধিনিয়ম ৪৩ৰ ধাৰা ১২ৰ দ্বাৰা (১৯-১১-৮৬ তাৰিখত প্ৰভাৱী হোৱাকৈ) অন্তঃ স্থাপিত।

(ঙ) ন্যায়িক আৰু চৰকাৰী কামবোৰ নিয়মিতভাৱে সম্পাদন কৰা হৈছে ;

(চ) বিশেষ ক্ষেত্ৰত ব্যৱসায়ৰ সাধাৰণ অনুক্ৰম অনুসৰণ কৰা হৈছে ;

(ছ) যি সাক্ষ্য দিব পৰা গ'লহেতেঁন কিন্তু দিয়া ন'হল তেনেকুৱা সাক্ষ্য উপস্থাপিত হলে যি ব্যক্তিজনে ইয়াক বিধাৰণ কৰিছে, সেই ব্যক্তিজনৰ অননুকূল হ'লহেতেঁন ;

(জ) এজন ব্যক্তিয়ে কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ, যি উত্তৰ দিবলৈ বিধিৰ দ্বাৰা তেওঁ বাধ্য নহয়, অস্বীকাৰ কৰিলে, উত্তৰটো দিয়াহলে তেওঁৰ অনুকূল হ'লহেতেন ;

(ঝ) যেতিয়া কোনো বাধ্যতা সৃষ্টি কৰা দস্তাৱেজ এখন বাধ্যজনৰ হাতত থাকে, তেতিয়া সেই বাধ্যতাৰ উন্মুক্তি হয় ;
কিন্তু ন্যায়ালয়ে ইয়াৰ সমক্ষত থকা বিশেষ ক্ষেত্ৰত তেনে সূত্ৰবোৰ প্ৰযোজ্য হয়নে নহয় বিবেচনা কৰোতে তলত দিয়া তথ্যবোৰৰ প্ৰতিও ধ্যান ৰাখিব -

(ক) দৃষ্টান্ত সম্পৰ্কে - চিহ্নিত কৰা টকা এটা চুৰি হোৱাৰ ঠিক পিছতে দোকানী এজনৰ ধনথোৱা পেৰাত আছে আৰু তেওঁ বিনিৰ্দিষ্ট ভাবে সেইটোৰ দখল কেনেকৈ আহিল কোনো কৈফিয়ত দিব নোৱাৰে, কিন্তু তেওঁ ব্যৱসায় চলাই থকা অৱস্থাত একেৰাহে টকাবোৰ লৈয়ে আছিল ;

(খ) দৃষ্টান্ত সম্পৰ্কে - কেতবোৰ যন্ত্ৰপাতি সজাই থাকোতে অৱহেলা জনিত কাৰ্যাৰ দ্বাৰা এজন মানুহৰ মৃত্যু ঘটোৱাৰ বাবে অতি সুচৰিত্ৰৰ ব্যক্তি 'ক'ৰ বিচাৰ হ'ল। সাজ সজ্জাটোত অংশ গ্ৰহণ কৰা সমভাবে সুচৰিত্ৰ ব্যক্তি 'খ'ই কি কৰা হৈছিল তাক সংক্ষিপ্তভাৱে বৰ্ণনা কৰিলে আৰু 'ক' আৰু তেওঁৰ নিজৰ সাধাৰণ অসাৱধানতাৰ স্বীকাৰ কৰিলে আৰু স্পষ্টীকৰণ দিলে ;

(খ) দৃষ্টান্ত সম্পৰ্কে - কেইবাজনো ব্যক্তিৰ দ্বাৰা এই অপৰাধ সংঘটিত হ'ল। অপৰাধীবিলাকৰ তিনিজন - 'ক', 'খ' আৰু 'গ'ক ঘটনা স্থলীতে ধৰা হ'ল আৰু প্ৰত্যেককে আনজনৰ পৰা পৃথককৈ ৰখা হ'ল। প্ৰত্যেকে 'ঘ'ক লিপ্ত কৰি অপৰাধটোৰ বিষয়ে প্ৰত্যেকেই পৰস্পৰে সংপুষ্ট কৰি এনে বিৱৰণবোৰ দিলে যি পূৰ্বে যোগাযোগ সম্পূৰ্ণ অসম্ভৱ কৰি তোলে ;

(গ) দৃষ্টান্ত সম্পৰ্কে - কোনো বিনিময় পত্ৰৰ অৰ্হতা 'ক' এজন ব্যৱসায়ী মানুহ আছিল। প্ৰতিগ্ৰহীতা 'খ' সম্পূৰ্ণৰূপে 'ক'ৰ প্ৰভাৱাধীন এজন অল্পবয়স্ক আৰু অনভিজ্ঞ ব্যক্তি আছিল ;

(ঘ) দৃষ্টান্ত সম্পৰ্কে - এইটো প্ৰমাণ কৰা হ'ল যে এখন নদী পাঁচ বছৰ পূৰ্বে কোনো নিৰ্দ্দিষ্ট গতিৰে বৈ আছিল, কিন্তু এইটো জনা গ'ল যে সেই সময়ৰ পৰা হোৱা বানপানীবোৰে গতিটো পৰিৱৰ্ত্তিত কৰিব পাৰে।

(ঙ) দৃষ্টান্ত সম্পৰ্কে - এটা ন্যায়িক কাৰ্য্য যিটোৰ নিয়মিততা প্ৰশ্নগত হৈছে, অসাধাৰণ পৰিস্থিতিত কৰা হৈছিল।

(চ) দৃষ্টান্ত সম্পৰ্কে - প্ৰশ্নটো হৈছে এখন চিঠি পোৱা হৈছিল নে ডাকত দিয়া হৈছিল বুলি দেখুৱা হৈছে কিন্তু উপদ্ৰৱৰ বাবে ডাকৰ সাধাৰণ অনুক্ৰমৰ বিঘিনি ঘটিছিল।

(ছ) দৃষ্টান্ত সম্পৰ্কে - এজন মানুহে এখন দস্তাৱেজ দাখিল কৰিবলৈ অস্বীকাৰ কৰে যিখনত যি সংবিদাৰ ওপৰত তেওঁ বিচাৰিত হৈছে তাৰ ওপৰত য'ত সামান্য গুৰুত্ব আছে, কিন্তু যিখনে তেওঁৰ পৰিয়ালৰ অনুভূতি বা খ্যাতিৰ ক্ষতি কৰিবও পাৰে।

(জ) দৃষ্টান্ত সম্পৰ্কে - এজন মানুহে এটা প্ৰশ্নৰ উত্তৰ দিবলৈ অস্বীকাৰ কৰে যিটো তেওঁ বিধিৰ দ্বাৰা উত্তৰ দিবলৈ বাধ্য নহয়, কিন্তু তাৰ উত্তৰে যি বিষয় সংক্ৰান্তত সেইটো সোধা হৈছিল তাৰ লগত সম্বন্ধ নথকা বিষয়ত তেওঁৰ ক্ষতি কৰিব পাৰে।

(ঝ) দৃষ্টান্ত সম্পৰ্কে - এখন বন্ধপত্ৰ, বাধ্যজনৰ দখলত আছে, কিন্তু বাদটোৰ পৰিস্থিতিবোৰ এনেকুৱা যে তেওঁ এইখন চুৰি কৰিবও পাৰে।

[1][১১৪ক। ধৰ্ষণৰ কোনো কোনো অভিযোজনত সম্মতি নথকা সম্পৰ্কে প্ৰাক্ধাৰণা - ভাৰতীয় দণ্ড সংহিতা (১৮৬০ৰ ৪৫)ৰ ধাৰা ৩৭৬ৰ উপধাৰা (২)ৰ খণ্ড (ক) বা (খ) বা খণ্ড (গ) বা খণ্ড (ঘ) বা খণ্ড (ঙ) বা খণ্ড (চ)ৰ অধীনত ধৰ্ষণৰ বাবে কোনো অভিযোজনত, অভিযুক্তজনৰ দ্বাৰা যৌন সঙ্গম কৰাটো প্ৰমাণ হয় আৰু ধৰ্ষণ কৰা হোৱা বুলি অভিকথিত তিৰোতা গৰাকীৰ সম্মতি নোহোৱাকৈ এইটো হৈছিল নে বুলি প্ৰশ্ন উঠে আৰু সেই তিৰোতাই ন্যায়ালয়ৰ আগত তেওঁৰ সাক্ষ্যত এই উক্তি কৰে যে তেওঁ সম্মতি দিয়া নাছিল, তেতিয়া ন্যায়ালয়ে তেওঁ যে সম্মতি দিয়া নাছিল সেইটো প্ৰাক্ধাৰণা কৰিব।]

১। ১৯৮৩ৰ অধিনিয়ম ৪৩ৰ ধাৰা ৬ৰ দ্বাৰা অন্তঃস্থাপিত।

## অধ্যায়- ৮

### মুখবন্ধ

**১১৫। মুখবন্ধ** - যেতিয়া এজন ব্যক্তিয়ে তেওঁৰ ঘোষণা, কাৰ্য্য বা ক্ৰুটিৰ দ্বাৰা কোনো কথা সত্য বুলি অভিপ্ৰেতভাৱে অন্য এজন ব্যক্তিক বিশ্বাস কৰোৱায় বা কৰিবলৈ দিয়ে আৰু তেনে বিশ্বাসৰ ওপৰত কাম কৰিবলৈ দিয়ে, তেতিয়া তেওঁ আৰু তেনে ব্যক্তি বা তেওঁৰ প্ৰতিনিধিৰ মাজত হোৱা কোনো বাদ বা কাৰ্যাবাহীত সেই কথাটোৰ সত্যতা অস্বীকাৰ কৰিবলৈ তেওঁক নাইবা তেওঁৰ প্ৰতিনিধি কাকো অনুমতি দিয়া নহব।

### দৃষ্টান্ত

'ক'ই অভিপ্ৰেতভাবে আৰু মিছাকৈয়ে কোনো এডোখৰ মাটি 'ক'ৰ বুলি 'খ'ৰ বিশ্বাস জন্মালে আৰু তেনেকৈ 'খ'ক কিনিবলৈ আৰু ইয়াৰ মূল্য আদায় দিবলৈ উৎপ্ৰেৰিত কৰিলে।

মাটিখিনি পিছত 'ক'ৰ সম্পত্তি হ'ল আৰু 'ক'ই বিক্ৰীৰ সময়ত তেওঁৰ যে স্বত্ব নাছিল এই ভিত্তিত বিক্ৰীটো ৰদ কৰিবলৈ বিচাৰিলে তেওঁৰ স্বত্বৰ অভাৱটো প্ৰমাণ কৰিবলৈ তেওঁক অনুমতি দিয়া নহব।

**১১৬। ৰায়ত আৰু দখলত থকা ব্যক্তিৰ অনুজ্ঞাধাৰীৰ মুখবন্ধন** - স্থাৱৰ সম্পত্তিৰ কোনো ৰায়তক বা এনে ৰায়তৰ জৰিয়তে দাবী কৰা ব্যক্তিক ৰায়তী অধিকাৰ চলি থকা কালাবধিৰ ভিতৰত তেনে ৰায়তী অধিকাৰৰ আৰম্ভনিতে তেনে ৰায়তৰ ভূ-স্বামীৰ তেনে স্থাৱৰ সম্পত্তিত যে স্বত্ব আছিল আৰু অস্বীকাৰ কৰিবলৈ অনুমতি দিয়া নহব ; আৰু কোনো ব্যক্তিক, যি কোনো স্থাৱৰ সম্পত্তিত সেই সম্পত্তিত দখল থকা ব্যক্তিৰ অনুজ্ঞাৰে প্ৰৱেশ কৰিছিল, তেনে অনুজ্ঞা দিয়াৰ সময়ত তেনে ব্যক্তিৰ যে তেনে দখলৰ স্বত্ব আছিল তাক অস্বীকাৰ কৰিবলৈ অনুমতি দিয়া নহয়।

**১১৭। বিনিময় পত্ৰ প্ৰতিগ্ৰহীতা, উপনিহিতী আৰু অনুজ্ঞাধাৰীৰ মুখবন্ধন** - কোনো বিনিময় পত্ৰৰ প্ৰতিগ্ৰহীতাক আৰ্হতাজনৰ তেনে বিনিময় পত্ৰ আহৰণ কৰিবলৈ বা পৃষ্ঠাঙ্কন কৰিবলৈ যে প্ৰাধিকাৰ আছিল তাক অস্বীকাৰ কৰিবলৈ অনুমতি দিয়া নহব ; বা কোনো উপনিহিতীক বা অনুজ্ঞাধাৰীক তেওঁ উপনিধাতা বা অনুজ্ঞা দাতাৰ সেই উপনিধান বা অনুজ্ঞা প্ৰাপ্ত হোৱাৰ সময়ত তেনে উপনিধান দিবলৈ বা তেনে অনুজ্ঞা মঞ্জুৰ কৰিবলৈ যে প্ৰাধিকাৰ আছিল তাক অস্বীকাৰ কৰিবলৈ দিয়া নহব।

**স্পষ্টীকৰণ ১**- কোনো বিনিময় পত্ৰৰ প্ৰতিগৃহীতাই পত্ৰখন যাৰ দ্বাৰা আহৰণ কৰা বুলি তাৎপৰ্য্যিত হৈছে তেনে ব্যক্তিৰ দ্বাৰা যে প্ৰকৃততে আহৰণ কৰা হৈছিল সেইটো অস্বীকাৰ কৰিব পাৰে।

**স্পষ্টীকৰণ ২** - যদি কোনো উপনিহিতীয়ে উপনিহিত মালবস্তুবোৰ উপনিধাতাৰ বাহিৰে অন্য কোনো ব্যক্তিক প্ৰদান কৰে, তেওঁ প্ৰমাণ কৰিব পাৰে যে তেনেকুৱা ব্যক্তিৰ সেইবোৰৰ প্ৰতি উপনিধাতাৰ বিৰুদ্ধে অধিকাৰ আছিল।

## অধ্যায়- ৯

### সাক্ষীৰ বিষয়ে

**১১৮। কোনে সাক্ষ্য দিব পাৰে** - সকলো ব্যক্তিয়েই সাক্ষ্য দিবলৈ সক্ষম হব, যদি ন্যায়ালয়ে এই বুলি বিবেচনা নকৰে যে তেওঁলোক কোমল বয়স, অত্যন্ত বাৰ্দ্ধক্য, ৰোগ-শাৰীৰিকেই হওঁক, বা মানসিকেই হওঁক, বা সেই জাতীয় অন্য যিকোনো কাৰণৰ বাবে তেওঁলোকক সোধা প্ৰশ্নবোৰ বুজি পোৱা বা সেই প্ৰশ্নবোৰৰ যুক্তিসঙ্গত উত্তৰ দিয়াৰ পৰা বাধাপ্ৰাপ্ত হৈছে।

**স্পষ্টীকৰণ** - এজন উন্মাদ, তেওঁৰ উন্মত্ততাৰ বাবে তেওঁক সোধা প্ৰশ্নবোৰ বুজি পোৱাত আৰু সেইবোৰৰ যুক্তিসঙ্গত উত্তৰ দিয়াৰ পৰা বাধাপ্ৰাপ্ত নহলে সাক্ষ্য দিবলৈ অক্ষম নহয়।

**১১৯। মূক সাক্ষী** - কথা কবলৈ অসমৰ্থ এজন সাক্ষীয়ে অন্য যিকোনো প্ৰকাৰে, যেনে লিখাৰে বা চিহ্নৰে, যিহেৰে এইটো বোধগম্য কৰিব পাৰে তেওঁ সাক্ষ্য দিব পাৰে; কিন্তু তেনে লিখাবোৰ মুক্ত ন্যায়ালয়ত লিখিত বা চিহ্নবোৰ মুক্ত ন্যায়ালয়ত কৰা হব লাগিব, তেনেদৰে দিয়া সাক্ষ্য মৌখিক সাক্ষ্য বুলি গণ্য হব।

**১২০। চিভিল বাদৰ পক্ষবোৰ তেওঁলোকৰ স্ত্ৰী বা স্বামীসকল, দাণ্ডিক বিচাৰাধীন ব্যক্তিৰ স্বামী বা স্ত্ৰী** - সকলোবোৰ চিভিল কাৰ্যাবাহীত বাদৰ পক্ষগণ আৰু বাদৰ যিকোনো পক্ষৰ স্বামী বা স্ত্ৰী সক্ষম সাক্ষী হ'ব। কোনো ব্যক্তিৰ বিৰুদ্ধে হোৱা দাণ্ডিক কাৰ্যাবাহীবোৰত তেনে ব্যক্তিৰ যথাক্ৰমে স্বামী বা স্ত্ৰী সক্ষম সাক্ষী হ'ব।

**১২১। ন্যায়াধীশ আৰু দণ্ডাধীশ** - কোনো ন্যায়াধীশ বা দণ্ডাধীশক তেনে কোনো ন্যায়ালয়ৰ, যাৰ তেওঁ অধীন, তাৰ বিশেষ আদেশ ব্যতিৰেকে, ন্যায়ালয়ত তেনে ন্যায়াধীশ বা দণ্ডাধীশ হিচাপে তেওঁৰ নিজা আচৰণ সম্পৰ্কে বা তেনে ন্যায়াধীশ বা দণ্ডাধীশ হিচাপে তেওঁৰ জ্ঞাতাধীনলৈ অহা কোনো বিষয়ে কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ বাধ্য কৰিব নোৱাৰিব, কিন্তু তেনেভাৱে কাৰ্য্য কৰি থাকোতে তেওঁৰ উপস্থিতিত ঘটা অন্য বিষয় সম্পৰ্কে তেওঁক পৰীক্ষা কৰিব পাৰি।

**দৃষ্টান্ত**

(ক) হেছন ন্যায়ালয়ৰ সমক্ষত তেওঁৰ হৈ থাকোতে 'ক'ই কলে যে দণ্ডাধীশ 'খ'ৰ দ্বাৰা এটা জবাবন্দী অনুচিত ভাবে লোৱা হৈছিল। কোনো উৰ্দ্ধতন ন্যায়ালয়ৰ বিশেষ আদেশ ব্যতিৰেকে এই সম্পৰ্কে প্ৰশ্নৰ উত্তৰ দিবলৈ 'ক'ক বাধ্য কৰিব নোৱাৰি।

(খ) দণ্ডাধীশ 'খ'ৰ সমক্ষত মিছা সাক্ষ্য দিয়া বাবে হেছন ন্যায়ালয়ত 'ক' অভিযুক্ত হ'ল। উৰ্দ্ধতন ন্যায়ালয়ৰ আদেশ ব্যতিৰেকে 'ক'ই কি কৈছিল সেইটো 'খ'ক সুধিব নোৱাৰি।

(গ) এজন হেছন ন্যায়াধীশ 'খ'ৰ সমক্ষত তেওঁৰ বিচাৰৰ সময়ত এজন আৰক্ষী পদাধিকাৰীক হত্যা কৰিবলৈ চেষ্টা কৰাৰ বাবে হেছন ন্যায়ালয়ত 'ক' অভিযুক্ত হৈছে, কি ঘটিছিল সেই বিষয়ে 'খ'ক পৰীক্ষা কৰিব পাৰি।

**১২২। বিবাহৰ স্থায়িত্ব কালৰ সংসূচনা** - যি বিবাহিত বা বিবাহ কৰিছে তেনে কোনো ব্যক্তিক, যাৰ লগত তেওঁ বিবাহিত হৈছে বা যাক বিবাহ কৰাইছে তেনে যিকোনো ব্যক্তিৰ দ্বাৰা বিবাহৰ স্থায়িত্ব কালত তেওঁক দিয়া কোনো সংসূচনা প্ৰকট কৰিবলৈ বাধ্য কৰিব নোৱাৰিব, বা তেনে কোনো সংসূচনা প্ৰকট কৰিবলৈ তেওঁক অনুমতি দিয়া নহব, যদিহে বিবাহিত ব্যক্তিদ্বয়ৰ মাজত হোৱা বাদত বা এজন বিবাহিত ব্যক্তিয়ে আনজনৰ বিৰুদ্ধে সংঘটিত কৰা কোনো অপৰাধৰ বাবে অভিযোজিত হোৱা কাৰ্য্যবাহীবোৰৰ ব্যতিৰেকে, সংসূচনা দিয়া ব্যক্তিজনে বা তেওঁৰ স্বাৰ্থৰ প্ৰতিনিধিয়ে সন্মতি নিদিয়ে।

**১২৩। ৰাজ্যৰ কাৰ্য্যকলাপৰ বিষয়ে সাক্ষ্য** - কাকো কোনো ৰাজ্যৰ কাৰ্য্যকলাপ সম্পৰ্কে অপ্ৰকাশিত চৰকাৰী অভিলেখৰ পৰা আহৰণ কৰা কোনো সাক্ষ্য, সংশ্লিষ্ট বিভাগৰ প্ৰধান পদাধিকাৰীজনৰ অনুমতি ব্যতিৰেকে দিবলৈ অনুমতি দিয়া নাযাব, যিজন পদাধিকাৰীয়ে উপযুক্ত বুলি ভাবিলে এনে অনুমতি দিব বা দিয়াৰ পৰা বিৰত হ'ব।

**১২৪। চৰকাৰী সংসূচনাবোৰ**- কোনো চৰকাৰী পদাধিকাৰীক তেওঁলৈ শাসকীয় বিশ্বাসত দিয়া হোৱা সংসূচনাবোৰ প্ৰকট হবলৈ বাধ্য কৰা নাযাব, যেতিয়া তেওঁ তেনে প্ৰকটকৰণৰ দ্বাৰা লোক স্বাৰ্থৰ হানি ঘটিব বুলি বিবেচনা কৰে।

[1][**১২৫। অপৰাধ সংঘটনৰ বিষয়ে সংবাদ** - কোনো দণ্ডাধীশক বা আৰক্ষী পদাধিকাৰীক কোনো অপৰাধ সংঘটন সম্পৰ্কে কোনো সংবাদ তেওঁ ক'ৰ পৰা পাইছিল কবলৈ বাধ্য কৰা নাযাব আৰু কোনো ৰাজহ পদাধিকাৰীক লোক ৰাজহৰ বিৰুদ্ধে কোনো অপৰাধ সংঘটন সম্পৰ্কে কোনো সংবাদ তেওঁ ক'ৰ পৰা পাইছিল কবলৈ বাধ্য কৰা নাযাব।

**স্পষ্টীকৰণ** - এই ধাৰাত ''ৰাজহ পদাধিকাৰী'' মানে লোক ৰাজহৰ যিকোনো শাখাৰ কাম কাজত বা কামকাজৰ বিষয়ে নিয়োজিত কোনো পদাধিকাৰী।]

**১২৬। বৃত্তিক সংসূচনাবোৰ** - কোনো বাৰিষ্টৰ, এটৰ্ণী, অধিবক্তা বা উকীলক তেওঁৰ মোক্কেলৰ অভিব্যক্ত সম্মতি নহলে কোনো সময়তে তেনে বাৰিষ্টাৰ, অধিবক্তা, এটৰ্ণী বা উকীল হিচাবে তেওঁৰ মোক্কেলৰ দ্বাৰা বাহকে নিয়োজনৰ অনুক্ৰমত আৰু প্ৰয়োজনাৰ্থে তেওঁক ব্যক্ত কৰা কোনো সংসূচনা প্ৰকট কৰিবলৈ অনুমতি যা তেওঁৰ বৃত্তিক নিয়োজনৰ অনুক্ৰমত আৰু প্ৰয়োজনাৰ্থে তেওঁ পৰিচিত হোৱা কোনো দস্তাবেজৰ অন্তৰ্বস্তু বা অৱস্থাৰ বিষয়ে ব্যক্ত কৰিবলৈ বা তেনে নিয়োজনৰ অনুক্ৰমত আৰু প্ৰয়োজনাৰ্থে তেওঁ তেওঁৰ মোক্কেলক দিয়া পৰামৰ্শ প্ৰকট কৰিবলৈ অনুমতি দিয়া নাযাব;

পৰন্তু এই ধাৰাৰ একোৱেই নিম্নোক্ত সমূহ প্ৰকট কৰাৰ সুৰক্ষা নিদিব --

(১) কোনো [2][অবৈধ] উদ্দেশ্য অগ্ৰসৰৰ বাবে কৰা কোনো সংসূচনা,

(২) কোনো বাৰিষ্টাৰ, অধিবক্তা, এটৰ্ণী বা উকীলৰ দ্বাৰা তেওঁৰ নিয়োজনৰ অনুক্ৰমত তেনে হিচাপে পৰিলক্ষিত হোৱা কোনো তথ্য যি তেওঁৰ নিয়োগৰ প্ৰাৰম্ভৰ পৰা কোনো অপৰাধ বা প্ৰতাৰণা সংঘটিত হৈছে বুলি দেখুৱায়।

তেনে তথ্যৰ প্ৰতি তেনে বাৰিষ্টাৰ, [3][অধিবক্তা], এটৰ্ণী বা উকীলৰ মনোযোগ তেওঁৰ মোক্কেলৰ দ্বাৰা বা হকে নিৰ্দ্দেশিত হৈছিল নে নাই এইটো তাৎপৰ্যাহীন।

**স্পষ্টীকৰণ** - এই ধাৰাত বৰ্ণিত বাধ্যবাধকতাটো,নিয়োগ শেষ হোৱাৰ পিছতো চলি থাকে।

**দৃষ্টান্ত**

(ক) এজন মোক্কেল 'ক'ই এজন এটৰ্নী 'খ'ক কলে, ''মই জালিয়াতি কৰিছো আৰু মোক প্ৰতিৰক্ষা কৰিবলৈ আপোনাক বিচাৰিছো।'' যিহেতু দোষী বুলি জনা এজন মানুহৰ প্ৰতিৰক্ষাটো এটা আপৰাধিক উদ্দেশ্য নহয়, সেয়ে এই সংসূচনাটো প্ৰকট কৰাৰ পৰা সুৰক্ষিত হৈছে।

(খ) এজন মোক্কেল 'ক'ই এটৰ্নী 'খ'ক কলে, ''এখন জাল দলিল ব্যৱহাৰৰ দ্বাৰা এই সম্পত্তিৰ দখল ল'ব খোজো, সেইখনৰ ওপৰত বাদ কৰিবলৈ মই আপোনাক অনুৰোধ জনাও''।

এই সংসূচনাটো এটা আপৰাধিক উদ্দেশ্য অগ্ৰসৰৰ বাবে কৰা হোৱাত প্ৰকট কৰাৰ পৰা সুৰক্ষিত নহয়।

(গ) আত্মসাৎকৰণৰ বাবে অভিযুক্ত হৈ তেওঁক প্ৰতিৰক্ষা কৰিবলৈ এটৰ্নী 'খ'ক নিযুক্ত কৰিলে, কাৰ্য্যবাহীটো চলি থাকোতে 'খ'ই লক্ষ্য কৰিলে যে 'ক'ৰ হিচাবৰ বহীত আত্মসাৎ কৰা বুলি অভিকথিত ধনৰাশিৰ বাবে 'ক'ৰ পৰা পাব লগা দেখুৱাই এটা প্ৰবিষ্টি কৰা হৈছে, যিটো প্ৰবিষ্টি নিয়োজনৰ আৰম্ভনিতে বহীখনত নাছিল।

১। মূল ১২৫ ধাৰাৰ স্থানত ১৮৮৭ৰ অধিনিয়ম ৩ৰ ধাৰা ১ৰ দ্বাৰা প্ৰতিস্থাপিত।
২। ১৮৭২ৰ অধিনিয়ম ১৮ৰ ধাৰা ১০ৰ দ্বাৰা ''আপৰাধিক'' পদৰ স্থানত প্ৰতিস্থাপিত।
৩। ১৮৭২ৰ অধিনিয়ম সংখ্যা ১৮ৰ ধাৰা ১০ৰ দ্বাৰা অন্তঃ স্থাপিত।

কাৰ্য্যবাহীটো প্ৰাৰম্ভ হোৱাৰ পিছত এটা প্ৰতাৰণা কৰা হৈছিল বুলি দেখুওঁৱা, এইটো 'খ'ৰ দ্বাৰা নিয়োজনৰ অনুক্ৰমত পৰিলক্ষিত এটা তথ্য হোৱাত এইটো প্ৰকট কৰাৰ পৰা সুৰক্ষিত নহয়।

১২৭। **ধাৰা ১২৬ দোভাষী আদিতো প্ৰয়োগ হব** - ধাৰা ১২৬ৰ উপবন্ধবোৰ দোভাষী আৰু বাৰিষ্টাৰ, অধিবক্তা, এটৰ্ণী আৰু উকীল সকলৰ কেৰাণী বা সেৱক সকলোতো প্ৰয়োগ হব।

১২৮। **সাক্ষ্য দিবলৈ স্বেচ্ছাই উদ্যত হোৱাৰ দ্বাৰা বিশেষাধিকাৰ অধিত্যক্ত নহয়** - যদি কোনো বাদৰ কোনো পক্ষই তাত স্বপ্ৰণোদিত হৈ বা অন্যভাবে সাক্ষ্য দিয়ে, তেওঁ তাৰ দ্বাৰা ধাৰা ১২৬ত উল্লেখ কৰাৰ দৰে তেনে প্ৰকটকৰণৰ প্ৰতি সম্মতি দিছে বুলি বিবেচিত নহব ; আৰু যদি কোনো বাদ বা কাৰ্য্যবাহীৰ কোনো পক্ষই তেনে কোনো বাৰিষ্টাৰ, [1][অধিবক্তা] এটৰ্ণী বা উকীলক এজন সাক্ষী হিচাপে আহ্বান কৰে তেনেহলে তেওঁ তেনে বাৰিষ্টাৰ, এটৰ্ণী বা উকীলক তেনে বিষয়ত প্ৰশ্ন নকৰা হ'লে তেওঁৰ যিবোৰ প্ৰকট কৰাৰ স্বতন্ত্ৰতা নাথাকিলহেতেঁন, মাত্ৰ প্ৰশ্ন কৰিলে প্ৰকটকৰণৰ প্ৰতি সম্মতি দিছে বুলি গণ্য হব।

১২৯। **বিধিক উপদেষ্টা সকলৰ লগত গোপনীয় সংসূচনাবোৰ** - কোনো ব্যক্তিকেই তেওঁ আৰু তেওঁৰ বিধিক ব্যৱসায়িক উপদেষ্টাৰ মাজত হোৱা যিকোনো গোপনীয় সংসূচনা ন্যায়ালয়ত প্ৰকট কৰিবলৈ বাধ্য কৰা নাযাব, যদিহে তেওঁ নিজে এজন সাক্ষী হিচাপে আগবাঢ়ি নাহে, যিক্ষেত্ৰত তেওঁ দিয়া যিকোনো সাক্ষ্যৰ স্পষ্টীকৰণৰ বাবে জনা আৱশ্যক বুলি ন্যায়ালয়ৰ প্ৰতীত হোৱা তেনে কোনো সংসূচনাবোৰ প্ৰকট কৰিবলৈ বাধ্য কৰা যাব পাৰে, কিন্তু অন্যবোৰ নহয়।

১৩০। **কোনো পক্ষ নোহোৱা সাক্ষীৰ স্বত্ব-দলিলবোৰৰ দাখিলকৰণ** - কোনো বাদৰ পক্ষ নোহোৱা কোনো সাক্ষীক তেওঁৰ কোনো সম্পত্তিৰ স্বত্ব-দলিলবোৰ বা কোনো দস্তাবেজ যাৰ গুণত তেওঁৰ বন্ধকগ্ৰহীতা বা অধিগ্ৰাহী হিচাবে সম্পত্তি ধাৰণ কৰে, বা কোনো দস্তাবেজ যাৰ দাখিলকৰণে তেওঁক অপৰাধী কৰিবৰ প্ৰৱণতা থাকে তেনে দলিলবোৰৰ দাখিলকৰণ বিচৰা ব্যক্তিক বা যাৰ জৰিয়তে তেওঁ দাবী কৰে তেনে কোনো ব্যক্তিৰ লগত সেইবোৰ দাখিল কৰিবলৈ লিখিত ভাবে সন্মত নহলে তেনে কোনো দলিল দাখিল কৰিবলৈ বাধ্য কৰা নাযাব।

[2][১৩১। **দাখিল কৰিবলৈ অস্বীকাৰ কৰিব পৰা, অন্য ব্যক্তিৰ দখলত থকা দস্তাবেজ বা ইলেকট্ৰ'নিক ৰেকৰ্ড দাখিলকৰণ**- কোনো ব্যক্তিকেই তেওঁৰ দখলত থকা দস্তাবেজ বা ইলেকট্ৰনিক ৰেকৰ্ড যিবোৰ অন্য কোনো ব্যক্তিয়ে, সেইবোৰ তেওঁৰ দখলত থকা হ'লে দাখিল কৰাৰ বাবে অস্বীকাৰ কৰিবলৈ হকদাৰ হ'লাহেতেঁন, সেইবোৰ দাখিল কৰিবলৈ বাধ্য কৰা নাযাব যদিহে শেষোক্ত ব্যক্তিজনে সেইবোৰ দাখিলকৰণত সম্মতি নিদিয়ে।]

১৩২। **উত্তৰটোৱে অপৰাধত পেলাব সেই কাৰণত সাক্ষীয়ে উত্তৰ দিয়াৰ পৰা অব্যাহতি নাপাব** - তেনে প্ৰশ্নৰ উত্তৰে তেনে সাক্ষীক অপৰাধত পেলাব বা প্ৰত্যক্ষভাবে বা পৰোক্ষভাবে অপৰাধত পেলোৱাৰ প্ৰৱণতা থাকিব পাৰে বা কোনো দণ্ড বা বাজেয়াপ্তিৰ বাবে উদঙাই দিব বা প্ৰত্যক্ষভাবে বা পৰোক্ষভাবে উদঙাই দিয়াৰ প্ৰৱণতা থাকিব পাৰে সেই কাৰণত এজন সাক্ষীক কোনো বাদত বা কোনো চিভিল বা দাণ্ডিক কাৰ্য্যবাহীত বিবাদাস্ক বিষয়ৰ লগত প্ৰাসঙ্গিক কোনো বিষয়ে কৰা কোনো প্ৰশ্নৰ উত্তৰ দিয়াৰ পৰা অব্যাহতি দিয়া নহব ঃ

**পৰন্তুক** - পৰন্তু এনে কোনো উত্তৰ যিটো এজন সাক্ষীক দিবলৈ বাধ্য কৰা হব, তেনে উত্তৰৰ দ্বাৰা মিছা সাক্ষ্য দিয়াৰ বাবে দাণ্ডিক কাৰ্য্যবাহীত অভিযোজনৰ ব্যতিৰেকে, তেওঁক কোনো গ্ৰেপ্তাৰ বা অভিযোজনৰ অধীন নকৰিব বা তেওঁৰ বিৰুদ্ধে প্ৰমাণ কৰা নহব।

১৩৩। **সহঅপৰাধী**- অভিযুক্ত ব্যক্তিৰ বিৰুদ্ধে সহঅপৰাধী সক্ষম সাক্ষী হব, আৰু কোনো দোষী সাব্যস্তকৰণ কেৱল সহঅপৰাধী অসংপোষিত পৰিসাক্ষ্যৰ ওপৰতে হোৱা হেতুকে অবৈধ নহব।

১৩৪। **সাক্ষীৰ সংখ্যা** - কোনো ক্ষেত্ৰতে কোনো তথ্য প্ৰমাণ কৰিবলৈ সাক্ষীৰ কোনো নিৰ্দিষ্ট সংখ্যাৰ প্ৰয়োজন নহব।

## অধ্যায়-১০
## সাক্ষীবোৰৰ পৰীক্ষাৰ বিষয়ে

১৩৫। **সাক্ষীবোৰৰ উপস্থাপন আৰু পৰীক্ষাৰ ক্ৰম** - সাক্ষীবোৰৰ উপস্থাপন আৰু পৰীক্ষাৰ ক্ৰম যথাক্ৰমে চিভিল আৰু দাণ্ডিক প্ৰক্ৰিয়া সম্পৰ্কে তৎসময় বলবৎথকা বিধি আৰু ব্যৱহাৰিক ব্যৱহাৰ দ্বাৰা আৰু তেনে কোনো বিধিৰ অবিহনে ন্যায়ালয়ৰ বিবেচনাৰ দ্বাৰা বিনিয়মিত হ'ব।

১৩৬। **সাক্ষ্যৰ গ্ৰহনীয়তা সম্পৰ্কে ন্যায়াধীশে স্থিৰ কৰিব** - যেতিয়া যিকোনো পক্ষই কোনো তথ্যৰ সাক্ষ্য দিয়াৰ প্ৰস্তাৱ কৰে, তেতিয়া ন্যায়াধীশে সাক্ষ্য দিবলৈ প্ৰস্তাৱ কৰা পক্ষটো অভিকথিত তথ্যটো, যদি প্ৰমাণ হয়, কি ধৰণে প্ৰাসঙ্গিক হব সুধিব পাৰে, আৰু যদি তেওঁ ভাবে যে তথ্যটো প্ৰমাণ হলে প্ৰাসঙ্গিক হব তেতিয়া ন্যায়াধীশে সাক্ষ্যটো গ্ৰহণ কৰিব, অন্যথা নহয়।

যদি প্ৰমাণ কৰিব লগা প্ৰস্তাৱিত তথ্যটো এনে এটা হয় যিটোৰ সাক্ষ্য আন কোনো তথ্যৰ প্ৰমাণৰ ওপৰতহে কেৱল গ্ৰহণীয়, তেনেহলে তেনে শেষোক্ত তথ্যটো, প্ৰথমোক্ত তথ্যটোৰ বিষয়ে সাক্ষ্য দিয়াৰ পূৰ্বে প্ৰমাণ কৰিব লাগিব, যদিহে পক্ষটোৱে তেনেকুৱা তথ্যৰ বিষয়ে প্ৰমাণ দিবলৈ দায়িত্ব নলয় আৰু তেনেকুৱা দায়িত্ব গ্ৰহণত ন্যায়ালয় সন্তুষ্ট নহয়।

---

১। ১৮৭২ৰ অধিনিয়ম ১৮ৰ ধাৰা ১০ ধাৰা অন্তঃস্থাপিত।

২। ২০০০ৰ অধিনিয়ম ২১ৰ ধাৰা ৯২ আৰু অনুসূচীৰ দ্বাৰা ধাৰা ১৩১ৰ স্থানত প্ৰতিষ্ঠাপিত (১৭-১০-২০০০ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

যদি এটা অভিকথিত তথ্যৰ প্ৰাসঙ্গিকতা প্ৰথমেই ই অন্য এটা অভিকথিত তথ্যৰ প্ৰমাণ কৰাৰ ওপৰত নিৰ্ভৰ কৰে, তেতিয়া ন্যায়াধীশে তেওঁৰ বিবেচনা মতে, হয় দ্বিতীয় তথ্যৰ প্ৰমাণ হোৱাৰ পূৰ্বে প্ৰথম তথ্যটোৰ সাক্ষ্য দিবলৈ অনুমতি দিব পাৰে, অথবা প্ৰথমটোৰ সাক্ষ্য দিয়া হোৱাৰ পূৰ্বেই দ্বিতীয় তথ্যটোৰ সাক্ষ্য বিচাৰিব পাৰে।

**দৃষ্টান্ত**

(ক) মৃত বুলি অভিকথিত এজন ব্যক্তিৰ দ্বাৰা কোনো তথ্যৰ বিষয়ে দিয়া এটা উক্তি যিটো উক্তি ধাৰা ৩২ মতে প্ৰাসঙ্গিক বুলি প্ৰমাণ কৰিবলৈ বিচৰা হৈছে।

উক্তিটো প্ৰমাণ কৰিবলৈ বিচৰা ব্যক্তিজনে, উক্তিটোৰ সাক্ষ্য দিয়াৰ পূৰ্বে ব্যক্তিজন যে মৃত এই তথ্যটো প্ৰমাণ কৰিবই লাগিব।

(খ) হেৰাইছে বুলি অভিকথিত এখন দস্তাৱেজৰ অন্তৰ্বস্তুবোৰ এটা প্ৰতিলিপিৰ দ্বাৰা প্ৰমাণ কৰাৰ প্ৰস্তাৱ কৰা হৈছে।

প্ৰতিলিপিখন দাখিল কৰাৰ পূৰ্বে প্ৰতিলিপিখন দাখিলৰ প্ৰস্তাৱ কৰা ব্যক্তিজনে মূলখন যে হেৰাইছে এই তথ্যটোৰ প্ৰমাণ কৰিবই লাগিব।

(গ) চুৰি কৰা বুলি জানিও চোৰাই মাল গ্ৰহণ কৰা বাবে 'ক' অভিযুক্ত হ'ল। এইটো প্ৰমাণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে যে সম্পত্তিটোৰ দখল তেওঁ অস্বীকাৰ কৰিছিল।

অস্বীকাৰৰ প্ৰাসঙ্গিকতাটো সম্পত্তিটোৰ চিনাক্তকৰণৰ ওপৰত নিৰ্ভৰ কৰে। ন্যায়ালয়ে ইয়াৰ বিবেচনা মতে হয় দখলৰ, অস্বীকাৰটো প্ৰমাণ হোৱাৰ পূৰ্বে সম্পত্তিটো চিনাক্তকৰণ কৰাটো বিচাৰিব পাৰে অথবা সম্পত্তিটো চিনাক্তকৰণ হোৱাৰ পূৰ্বে দখলৰ অস্বীকাৰটো প্ৰমাণ কৰাৰ অনুমতি দিব পাৰে।

(ঘ) এটা তথ্য (ক), যিটো কোনো বিবাদ্যক তথ্যৰ কাৰণ বা পৰিণাম বুলি কথিত, তাক প্ৰমাণ কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। 'ক' তথ্যটো বিবাদ্যক তথ্যৰ কাৰণ বা পৰিণাম বুলি মান্য কৰিব পৰাৰ পূৰ্বে, তেনে কেইবাটাও মধ্যবৰ্ত্তী তথ্য 'খ', 'গ' আৰু 'ঘ' বিদ্যমান বুলি দেখুৱাব লাগিব। ন্যায়ালয়ে হয় 'খ' 'গ' অথবা 'ঘ' প্ৰমাণ কৰাৰ পূৰ্বে (ক) টোৰ প্ৰমাণ কৰাৰ অনুমতি দিব পাৰে বা (ক)ৰ প্ৰমাণৰ অনুমতি দিয়াৰ পূৰ্বে 'খ' 'গ' আৰু 'ঘ'ৰ প্ৰমাণ বিচাৰিব পাৰে।

১৩৭। **মুখ্য পৰীক্ষণ** - কোনো সাক্ষীক যি আহ্বান কৰে সেই পক্ষৰ দ্বাৰা কৰা পৰীক্ষাক তেওঁৰ মুখ্য পৰীক্ষণ বুলি কোৱা হ'ব।

**জেৰা** - কোনো সাক্ষীক বিপৰীত পক্ষৰ দ্বাৰা কৰা পৰীক্ষাক জেৰা বুলি কোৱা হব।

**পুনঃ পৰীক্ষা** - কোনো সাক্ষীক জেৰাৰ পিছত যি আহ্বান কৰিছিল সেই পক্ষটোৰ দ্বাৰা কৰা পৰীক্ষাক তেওঁৰ পুনঃ পৰীক্ষা বুলি কোৱা হব।

১৩৮। **পৰীক্ষা বোৰৰ ক্ৰম** - সাক্ষীবোৰক প্ৰথমতে মুখ্য পৰীক্ষা কৰা হ'ব, তাৰ পিছত (যদি বিপৰীত পক্ষই তেনেদৰে বিচাৰে) জেৰা কৰা হ'ব তাৰ পিছত (যদি তেওঁক আহ্বান কৰা পক্ষটোৱে তেনেদৰে বিচাৰে) পুনঃ পৰীক্ষা কৰা হব।

পৰীক্ষা আৰু জেৰা প্ৰাসঙ্গিক তথ্যবোৰৰ সম্বন্ধে হ'বই লাগিব কিন্তু জেৰাত সাক্ষীজনে যিটো মুখ্য পৰীক্ষাত সাক্ষ্য দিছিল সেই তথ্যটোতে সীমাবদ্ধ হৈ থকাৰ আৱশ্যক নকৰে।

**পুনঃ পৰীক্ষাৰ নিৰ্দ্দেশ** - পুনঃ পৰীক্ষাটো জেৰাত উল্লিখিত হোৱা বিষয়বোৰৰ স্পষ্টীকৰণৰ বাবে নিৰ্দ্দেশিত হ'ব, আৰু ন্যায়ালয়ৰ অনুমতি মতে, যদি নতুন বিষয় পুনঃ পৰীক্ষাত উত্থাপন কৰা হয়, তেনেহলে বিপৰীত পক্ষই আকৌ সেই বিষয়টোৰ ওপৰত জেৰা কৰিব পাৰে।

১৩৯। **কোনো দস্তাৱেজ দাখিল কৰিবলৈ আহ্বান কৰা ব্যক্তিৰ জেৰা**- কোনো দস্তাৱেজ দাখিল কৰিবলৈ আহ্বান কৰা ব্যক্তিয়ে তেওঁ যে সেইখন দাখিল কৰিলে কেৱল এই তথ্যটোৰ দ্বাৰাই এজন সাক্ষী হৈ নাযায় আৰু সাক্ষী হিচাবে নমতা পৰ্য্যন্ত তেওঁক জেৰা কৰিব নোৱাৰিব।

১৪০। **চৰিত্ৰ সম্পৰ্কীয় সাক্ষীবোৰ** - চৰিত্ৰ সম্পৰ্কীয় সাক্ষীবোৰক জেৰা আৰু পুনঃ পৰীক্ষা কৰিব পাৰি।

১৪১। **উত্তৰ সূচক প্ৰশ্ন** - প্ৰশ্ন কৰোতা ব্যক্তিজনে পাবলৈ আশা কৰা বা আকাঙ্খা কৰা উত্তৰটোৰ ইঙ্গিত দি সোধা কোনো প্ৰশ্নকে উত্তৰ সূচক প্ৰশ্ন বোলা হয়।

১৪২। **কেতিয়া সেইবোৰ সুধিব নালাগিব** - ন্যায়ালয়ৰ অনুমতি ব্যতিৰেকে কোনো মুখ্য পৰীক্ষাত বা পুনঃ পৰীক্ষাত বিপৰীত পক্ষই আপত্তি কৰিলে, উত্তৰ সূচক প্ৰশ্ন সুধিব নোৱাৰিব।

ন্যায়ালয়ে এনেবোৰ বিষয় সম্বন্ধে উত্তৰ সূচক প্ৰশ্নৰ অনুমতি দিব, যিবোৰ পৰিচয় সূচক বা অবিবাদিত বা যিবোৰ ন্যায়ালয়ৰ মতে ইতিপূৰ্বে পৰ্য্যাপ্তভাৱে প্ৰমাণিত হৈ গৈছে।

১৪৩। **কেতিয়া সেইবোৰ সুধিব পাৰি** - জেৰাত উত্তৰ সূচক প্ৰশ্নবোৰ সুধিব পাৰে।

১৪৪। **লিখিত বিষয়বোৰৰ সম্বন্ধে সাক্ষ্য** - কোনো সাক্ষীক, যি সময়ত পৰীক্ষাধীন থাকে এইটো সুধিব পাৰি যে, কোনো সংবিদা, অনুদান বা সম্পত্তিৰ অন্যান্য ব্যয়ন, যিটোৰ তেওঁ সাক্ষ্য দি আছে, কোনো দস্তাৱেজত অন্তৰ্বিষ্ট নাছিল নেকি, আৰু যদি তেওঁ কয় এইটো আছিল বা যদি তেওঁ কোনো দস্তাৱেজৰ অন্তৰ্বস্তুৰ বিষয়ে কোনো উক্তি কৰিবলৈ উদ্যত হয়, যিটো ন্যায়ালয়ৰ অভিমত দাখিল কৰিব লাগিছিল, তেনে হলে প্ৰতিপক্ষ তেনে দস্তাৱেজত দাখিল নকৰা পৰ্য্যন্ত বা দ্বিতীয়ক সাক্ষ্য দিবলৈ সাক্ষীক আহ্বান কৰা পক্ষটোক যিবোৰ তথ্যই হক্‌দাৰ কৰে সেইবোৰ প্ৰমাণ নোহোৱা পৰ্য্যন্ত, এনে সাক্ষ্য দিয়াত আপত্তি কৰিব পাৰে।

**স্পষ্টীকৰণ** - কোনো সাক্ষীয়ে অন্য এজন ব্যক্তিৰ দ্বাৰা দস্তাৱেজৰ অন্তৰ্বস্তুৰ বিষয়ে কৰা উক্তিবোৰৰ মৌখিক সাক্ষ্য দিব পাৰে যদি এনে উক্তিবোৰ স্বয়ং প্ৰাসঙ্গিক তথ্য হয়।

**দৃষ্টান্ত**

প্ৰশ্নটো হ'ল 'ক' ই 'খ'ক প্ৰহাৰ কৰিছিল নেকি?

'গ'ই জবানবন্দী দিলে যে তেওঁ 'ক'ই 'খ'ক কোৱা শুনিছিল - ''মোক চুৰিৰ অভিযোগ কৰি 'খ'ই চিঠি লিখিছিল আৰু মই তেওঁৰ ওপৰত প্ৰতিশোধ ল'ম''। এই উক্তিটো প্ৰহাৰৰ বাবে 'ক'ৰ হেতুটো দেখুৱামতে প্ৰাসংগিক আৰু ইয়াৰ সাক্ষ্য দিব পাৰি, যদিও চিঠিখনৰ বিষয়ে অন্য কোনো সাক্ষ্য দিয়া হোৱা নাই।

[1][**১৪৫। পূৰ্ববৰ্তী লিখিত উক্তি সম্বন্ধে কৰা জেৰা** -- কোনো সাক্ষীক তেওঁৰ দ্বাৰা লিখিত ৰূপে কৰা বা যিবোৰ লিপিবদ্ধ কৰি ৰখা হৈছে, আৰু প্ৰশ্নগত বিষয়ৰ লগত প্ৰাসংগিক, পূৰ্ববৰ্তী উক্তিবোৰৰ সম্পৰ্কে সেই লিখন তেওঁক নেদেখুৱাকৈ বা প্ৰমাণিত নকৰাকৈ জেৰা কৰিব পাৰি, কিন্তু যদি লিখাবোৰৰ দ্বাৰা তেওঁক জেৰা খণ্ডন কৰিবলৈ বিচৰা হয় তেনেহলে লিখাবোৰ প্ৰমাণ কৰিব পৰাৰ পূৰ্বে ইয়াৰ যিবোৰ ভাগ তেওঁক খণ্ডন কৰিবৰ প্ৰয়োজনাৰ্থে ব্যৱহাৰ কৰিবলগীয়া হয়, সেইবোৰৰ প্ৰতি তেওঁৰ মনোযোগ আকৰ্ষণ কৰিব লাগিব।

**১৪৬। জেৰাত বিধিসঙ্গত প্ৰশ্নবোৰ** - যেতিয়া কোনো সাক্ষীক জেৰা কৰা হয় তেতিয়া তেওঁক এতৎ পূৰ্বে উল্লিখিত প্ৰশ্নবোৰৰ উপৰিও যিকোনো প্ৰশ্ন সুধিব পাৰি, যি বোৰে বিচাৰে -

(১) তেওঁৰ সত্যবাদিতা পৰীক্ষা কৰিবলৈ,

(২) তেওঁ কোন আৰু তেওঁৰ জীৱনৰ স্থিতি কি সেইটো আবিষ্কাৰ কৰিবলৈ অথবা,

(৩) তেওঁৰ চৰিত্ৰত আঘাত হানি তেওঁৰ বিশ্বাসযোগ্যতা জোকাৰিবলৈ যদিও এনে প্ৰশ্নবোৰৰ উত্তৰে প্ৰত্যক্ষ ভাবে বা পৰোক্ষ ভাবে তেওঁক অপৰাধী কৰাৰ প্ৰৱণতা থাকিব পাৰে বা তেওঁক প্ৰত্যক্ষ বা পৰোক্ষভাবে কোনো দণ্ড বা বাজেয়াপ্তিৰ সন্মুখীন কৰিব পাৰে বা সন্মুখীন কৰাৰ প্ৰৱণতা থাকিব পাৰে ঃ

[2][পৰন্তু ধৰ্ষণ বা ধৰ্ষণৰ প্ৰয়াস কৰাৰ বাবে এটা অভিযোজনত অভিযোক্তাৰ তেওঁৰ সাধাৰণ অনৈতিক চৰিত্ৰৰ বিষয়ে জেৰাত প্ৰশ্ন উত্থাপন কৰিবলৈ অনুজ্ঞা প্ৰাপ্ত নহব]।

**১৪৭। কেতিয়া সাক্ষীক উত্তৰ দিবলৈ বাধ্য কৰিব পাৰি** - যদি এনে কোনো প্ৰশ্ন বাদটোৰ বা কাৰ্য্যবাহীটোৰ প্ৰাসংগিক বিষয় সম্পৰ্কীয় হয় তেনেহলে তাৰ বাবে ধাৰা ১৩২ৰ উপবন্ধবোৰ প্ৰয়োগ হব।

**১৪৮। কেতিয়া প্ৰশ্ন সুধিব লাগিব আৰু সাক্ষীয়ে তেওঁৰ উত্তৰ দিবলৈ কেতিয়া বাধ্য হ'ব সেইটো ন্যায়ালয়ে স্থিৰ কৰিব** - যদি এনে কোনো প্ৰশ্ন সাক্ষী জনৰ চৰিত্ৰ হনন কৰি যশস্যা ক্ষুন্ন কৰে সিমান খিনিৰ ব্যতিৰেকে বাদ বা কাৰ্য্যবাহীটোৰ প্ৰাসংগিক নোহোৱা কোনো বিষয় সম্পৰ্কীয় হয়, সাক্ষীজনে সেইটোৰ উত্তৰ দিবলৈ বাধ্য হ'বনে নহয়, সেইটো ন্যায়ালয়ে স্থিৰ কৰিব ; আৰু যদি উপযুক্ত বিবেচনা কৰে তেন্তে সাক্ষীজনে এইটো উত্তৰ দিবলৈ বাধ্য নহয় বুলি ন্যায়ালয়ে সাৱধান কৰি দিব পাৰে। ন্যায়ালয়ে স্ববিবেচনা প্ৰয়োগ কৰোতে নিম্নোক্ত বিবেচ্য বিষয় সমূহৰ প্ৰতি ধ্যান ৰাখিব -

(১) তেনে প্ৰশ্নবোৰ উচিত যদি সেইবোৰ এনে প্ৰকৃতিৰ হয় যে সেইবোৰৰ দ্বাৰা প্ৰবাহিত অপবাদবোৰৰ সত্যতাই তেওঁ সাক্ষ্য দিয়া বিষয়ত সাক্ষীজনৰ বিশ্বাসযোগ্যতা সম্পৰ্কে ন্যায়ালয়ৰ অভিমতত গুৰুতৰভাবে প্ৰভাৱান্বিত কৰিব পাৰে।

(২) এনে প্ৰশ্নবোৰ অনুচিত যদি সেইবোৰৰ দ্বাৰা প্ৰবাহিত অপবাদটো এনে বিষয় সম্পৰ্কে হয় যে সময়ৰ ফালৰ পৰাই এনে দূৰৱৰ্তী বা এনে প্ৰকৃতিৰ হয় যে অপবাদটোৰ সত্যতাই, তেওঁ সাক্ষ্য দিয়া বিষয়ত সাক্ষীজনৰ বিশ্বাস যোগ্যতা সম্পৰ্কে ন্যায়ালয়ৰ অভিমত প্ৰভাৱান্বিত নকৰে বা সামান্য মাত্ৰাত প্ৰভাৱান্বিত কৰে।

(৩) এনে প্ৰশ্নবোৰ অনুচিত যদি সাক্ষীজনৰ চৰিত্ৰৰ বিৰুদ্ধে কৰা অপবাদটোৰ গুৰুত্ব আৰু তেওঁৰ সাক্ষ্যৰ গুৰুত্ব এই দুটাৰ মাজত এটা ডাঙৰ অসমানুপাত থাকে।

(৪) ন্যায়ালয়ে, যদি উপযুক্ত দেখে, সাক্ষীজনৰ উত্তৰ দিয়াৰ অমান্তিৰ পৰা অনুমান কৰিব পাৰে যে উত্তৰটো যদি দিলেহেঁতেন সেইটো অনুকূল ন'হলহেঁতেন।

**১৪৯। যুক্তিযুক্ত কাৰণ বিনা প্ৰশ্নসোধা নহব** - ১৪৮ ধাৰাত উল্লেখ কৰাৰ দৰে এনে কোনো প্ৰশ্ন সোধা উচিত নহয়, যদিহে ই প্ৰবাহিত কৰা অপবাদটো সুপ্ৰতিষ্ঠিত বুলি এইটো সোধা ব্যক্তিজনৰ ভাবিবলৈ যুক্তিযুক্ত কাৰণ নাথাকে।

**দৃষ্টান্ত**

(ক) কোনো গুৰুত্বপূৰ্ণ সাক্ষী এজন ডকাইত বুলি বাৰিষ্টাৰ এজনক কোনো এজন এটৰ্নী বা উকীলৰ দ্বাৰা অনুদেশ দিয়া হৈছে। সাক্ষীজনক তেওঁ এজন ডকাইত হয়নে এইটো সোধাৰ বাবে এইটো এটা যুক্তিযুক্ত কাৰণ।

(খ) এজন ব্যক্তিৰ দ্বাৰা ন্যায়ালয়ত এজন উকীলক জনোৱা হ'ল যে কোনো গুৰুত্বপূৰ্ণ সাক্ষী এজন ডকাইত সংবাদ দিওঁতা জনক উকীল জনে প্ৰশ্ন কৰাত তেওঁ নিজৰ উক্তিৰ বাবে সন্তোষজনক যুক্তি দিলে। সাক্ষীজনক তেওঁ ডকাইত হয়নে বুলি সুধিবলৈ এইটো এটা যুক্তিযুক্ত কাৰণ।

---

১। পুলিচ ডায়েৰীৰ ক্ষেত্ৰত ১৪৫ ধাৰাৰ প্ৰয়োগ সম্বন্ধে দণ্ড প্ৰক্ৰিয়া সংহিতাৰ ১৮৯৮ (১৮৯৮ৰ ৫)ৰ ধাৰা ১৭২ দ্ৰষ্টব্য।

২। ২০০৩ ৰ অধিনিয়ম ৪ৰ ধাৰা ২ৰ দ্বাৰা অন্তঃ স্থাপিত (৩১-১২-২০০২ পৰা প্ৰভাৱী হোৱাকৈ)।

(গ) এজন সাক্ষীক, যাৰ বিষয়ে একোৱেই জনা নাযায়, জধে মধে সোধা হ'ল, তেওঁ এজন ডকাইত নেকি? ইয়াত প্ৰশ্নটোৰ বাবে কোনো যুক্তিযুক্ত কাৰণ নাই।

(ঘ) এজন সাক্ষীক যাৰ বিষয়ে একোকেই জনা নাযায়, তেওঁৰ জীৱনৰ ধৰণ আৰু জীৱিকাৰ উপায় সম্বন্ধে প্ৰশ্ন কৰাত অসন্তোষজনক উত্তৰ দিলে। তেওঁ এজন ডকাইত নেকি বুলি সুধিবলৈ এইটো এটা যুক্তিযুক্ত কাৰণ হ'ব পাৰে।

**১৫০। যুক্তিযুক্ত কাৰণ বিনা প্ৰশ্ন সোধাৰ ক্ষেত্ৰত ন্যায়ালয়ৰ কাৰ্য্য প্ৰক্ৰিয়া** - যদি ন্যায়ালয়ৰ এনে অভিমত হয় যে যুক্তিযুক্ত কাৰণ বিনা তেনে প্ৰশ্ন সোধা হৈছিল আৰু যদি কোনো বাৰিষ্টাৰ,.উকীল, আইন ব্যৱসায়ী বা এটৰ্নীৰ দ্বাৰা সেইটো সোধা হৈছিল তেনেহলে বাদটোৰ পৰিস্থিতিবোৰৰ সম্পৰ্কে তেনে বাৰিষ্টাৰ, উকীল, আইন ব্যৱসায়ী বা এটৰ্নী তেওঁৰ বৃত্তি পৰিচালনাত যাৰ অধীনস্থ, তেনে উচ্চ ন্যায়ালয়ক বা অন্য প্ৰাধিকাৰীক ৰিপোৰ্ট কৰিব পাৰে।

**১৫১। অশ্লীল আৰু কেলেঙ্কাৰী প্ৰশ্নবোৰ** -- ন্যায়ালয়ে যিবোৰ প্ৰশ্ন বা অনুসন্ধান ই অশ্লীল বা কেলেঙ্কাৰী বুলি মান্য কৰে সেইবোৰ নিষেধ কৰিব পাৰে, যদিও ন্যায়ালয়ৰ আগত থকা প্ৰশ্নবোৰৰ লগত তেনে প্ৰশ্ন বা অনুসন্ধানবোৰৰ কিছুমান যোগসূত্ৰ থাকিব পাৰে, যদিহে সেইবোৰ বিবাদ্যক তথ্যবোৰৰ লগত বা বিবাদ্যক তথ্যবোৰ বিদ্যমান আছিল নে নাই সেইটো নিৰ্দ্ধাৰণ কৰাৰ অৰ্থে যি বিষয় সমূহ জ্ঞাত হোৱাৰ প্ৰয়োজন তাৰ লগত সম্বন্ধিত নহয়।

**১৫২। অপমান বা বিৰক্ত কৰাৰ অভিপ্ৰায়েৰে কৰা প্ৰশ্নবোৰ** - ন্যায়ালয়ে এনে কোনো প্ৰশ্ন যিটো অপমান বা বিৰক্ত কৰিবলৈ অভিপ্ৰেত বুলি প্ৰতীত হয় বা যিবোৰ স্বয়ং উচিত হলেও ন্যায়ালয়ে অনাৱশ্যকীয় ভাবে অপৰাধ জনক বুলি ন্যায়ালয়ৰ ওচৰত প্ৰতীত হয় সেইবোৰ নিষেধ কৰিব।

**১৫৩। সত্যবাদিতা পৰীক্ষাৰ প্ৰশ্নবোৰৰ উত্তৰ খণ্ডন কৰিবৰ বাবে সাক্ষ্যৰ বহিৰ্ভূতি** - যেতিয়া কোনো সাক্ষীক এনে প্ৰশ্ন কৰা হৈছে, যিটো তেওঁৰ চৰিত্ৰত আঘাত হানি যিমান দূৰ ই তেওঁৰ যশস্যা ক্ষুন্ন কৰিবলৈ প্ৰবৃত্তি কৰাৰ বাবে মাত্ৰ তদন্তটোত প্ৰাসঙ্গিক, আৰু তেওঁ তাৰ উত্তৰ দিছে, তেতিয়া তেওঁক খণ্ডন কৰিবলৈ কোনো সাক্ষ্য দিয়া নাযাব; কিন্তু তেওঁ যদি মিছা সাক্ষ্য দিয়ে তেনেহলে মিছা সাক্ষ্য দিয়াৰ বাবে পিছত তেওঁক অভিযুক্ত কৰিব পৰা যায়।

**ব্যতিক্ৰম ১**- যদি কোনো সাক্ষীক তেওঁ কোনো অপৰাধৰ বাবে পূৰ্বে দণ্ডিত হৈছিল নেকি বুলি সোধা হয় আৰু তেওঁ সেইটো অস্বীকাৰ কৰে, তেনে হলে তেওঁৰ পূৰ্বৰ দোষী সাব্যস্তৰ সাক্ষ্য দিব পাৰি।

**ব্যতিক্ৰম-২** - যদি কোনো সাক্ষীক তেওঁৰ নিৰপেক্ষতাৰ ওপৰত অভিযোগ আনিবলৈ প্ৰবৃত্তি কৰা কোনো প্ৰশ্ন সোধা হয় আৰু তেওঁ ইঙ্গিত কৰা তথ্যবোৰ অস্বীকাৰ কৰি ইয়াৰ উত্তৰ দিয়ে তেনেহলে তেওঁক খণ্ডন কৰা যাব পাৰে।

**দৃষ্টান্ত**

(ক) কোনো নিম্নাংককৰ বিৰুদ্ধে এটা দাবী প্ৰতাৰণাৰ কাৰণত প্ৰতিৰোধিত হ'ল।

পূৰ্বৰ এটা সংব্যৱহাৰত তেওঁ এটা প্ৰতাৰণামূলক দাবী কৰা নাছিল নে বুলি দাবীদাৰজনক সোধা হ'ল। তেওঁ এইটো অস্বীকাৰ কৰিলে।

তেওঁ তেনেকুৱা দাবী কৰিলে বুলি দেখুৱাবলৈ সাক্ষ্য দিয়া হ'ল। সাক্ষ্যটো গ্ৰহণীয় নহয়।

(খ) অসাধুতাৰ বাবে তেওঁৰ এটা পদৰ পৰা বৰ্খাস্ত কৰা নাছিল নে বুলি কোন সাক্ষীক সোধা হ'ল। তেওঁ এইটো অস্বীকাৰ কৰিলে।

তেওঁক অসাধুতাৰ কাৰণে বৰ্খাস্ত কৰা হৈছিল বুলি দেখুৱাবলৈ সাক্ষ্য দিয়া হ'ল। সাক্ষ্যটো গ্ৰহণীয় নহয়।

(গ) 'ক' ই প্ৰতিজ্ঞা কৰে যে এটা নিৰ্দ্দিষ্ট দিনত তেওঁ 'খ'ক লাহোৰত দেখিছিল।

সেই দিনা তেওঁ নিজে কলিকতাত নাছিলনেকি বুলি 'ক'ক সোধা হ'ল। তেওঁ এইটো অস্বীকাৰ কৰিলে।

'ক' সেইদিনা কলিকতাত থকা বুলি দেখুৱাবলৈ সাক্ষ্য দিয়া হ'ল।

এই সাক্ষ্যটো গ্ৰহণীয় 'ক'ক তেওঁৰ যশস্যা ক্ষুন্ন কৰা তথ্যটোৰ ওপৰত নহয়, কিন্তু প্ৰশ্নোক্ত দিনটোত 'খ'ক লাহোৰত যে দেখা হৈছিল এই অভিকথিত তথ্যটো খণ্ডন কৰা হিচাবেহে।

এই ক্ষেত্ৰবোৰৰ প্ৰত্যেকটোতে সাক্ষীজনক, যদি তেওঁৰ অস্বীকাৰটো মিছা আছিল, তেন্তে মিছা সাক্ষ্য দিয়াৰ বাবে তেওঁক অভিযুক্ত কৰা যাব পাৰে।

(ঘ) 'ক'ক সোধা হ'ল যে তেওঁৰ পৰিয়ালৰ 'খ'ৰ পৰিয়ালৰ লগত যাৰ বিৰুদ্ধে তেওঁ সাক্ষ্য দিছে, কুলবৈৰিতা নাছিলনে?

তেওঁ এইটো অস্বীকাৰ কৰিলে। প্ৰশ্নটোৱে তেওঁৰ নিৰপেক্ষতাৰ ওপৰত অধিক্ষেপ কৰিবলৈ প্ৰবৃত্তি কৰা কাৰণত তেওঁক খণ্ডন কৰা যাব পাৰে।

**১৫৪। পক্ষৰ দ্বাৰা তেওঁৰ নিজা সাক্ষীক সোধা প্ৰশ্ন** - [1][(১)] ন্যায়ালয়ে স্ববিবেচনামতে যিজন ব্যক্তিয়ে সাক্ষীজনক আহ্বান কৰে তেওঁৰ বিৰোধী পক্ষই জেৰাত যিবোৰ প্ৰশ্ন সুধিব পাৰে তেনে যিকোনো প্ৰশ্ন সুধিবলৈ অনুমতি দিব পাৰে।

[2][(২) এই ধাৰাৰ কোনো কথাই এনে সাক্ষীৰ সাক্ষ্যৰ কোনো ভাগৰ ওপৰত বিশ্বাস কৰিবলৈ উপ-ধাৰা (১)ৰ অধীনত এনেদৰে অনুজ্ঞাপ্ৰাপ্ত ব্যক্তিক হকদাৰ নকৰিব।]

**১৫৫। সাক্ষীৰ বিশ্বাসনীয়তাৰ অধিক্ষেপ কৰা** - নিম্নোক্ত প্ৰকাৰে বিৰোধী পক্ষৰ দ্বাৰা বা ন্যায়ালয়ৰ সন্মতিসহ তেওঁক যি আহ্বান কৰে সেই পক্ষটোৰ দ্বাৰা কোনো সাক্ষীৰ বিশ্বাসনীয়তাৰ বিৰুদ্ধে অধিক্ষেপিত কৰা যাব পাৰে ঃ-

(১) ব্যক্তিসকলৰ সাক্ষ্যৰ দ্বাৰা যি সাক্ষ্য দিয়ে যে, সাক্ষীজনৰ বিষয়ে তেওঁলোকৰ জ্ঞানৰ পৰা তেওঁলোকে তেওঁক বিশ্বাসনীয়তাৰ অযোগ্য বুলি বিশ্বাস কৰে;

(২) এনে প্ৰমাণৰ দ্বাৰা যে, সাক্ষীজনক ভেটি দিয়া হৈছে বা তেওঁ কোনো ভেটিৰ প্ৰস্তাৱ [3][গ্ৰহণ কৰিছে] বা সাক্ষ্য দিবলৈ অন্য যি কোনো দুৰ্নীতিমূলক উৎপ্ৰেৰণা পাইছে;

(৩) তেওঁৰ সাক্ষ্যৰ যিকোনো অংশৰ লগত সঙ্গতি বিহীন পূৰ্বৰ উক্তিবোৰৰ প্ৰমাণৰ দ্বাৰা যিবোৰ খণ্ডিত হবলৈ বাধ্য;

[4][XXXX]

**স্পষ্টীকৰণ** - কোনো অন্য এজন সাক্ষীক বিশ্বাসৰ অযোগ্য বুলি ঘোষণা কৰা কোনো সাক্ষীয়ে তেওঁৰ মুখ্য পৰীক্ষাত তেওঁৰ বিশ্বাসৰ কাৰণটো নিদিবও পাৰে। কিন্তু জেৰাত তেওঁৰ কাৰণবোৰৰ বিষয়ে সুধিব পাৰি, আৰু তেওঁ দিয়া উত্তৰবোৰ খণ্ডিত কৰিব নোৱাৰি, যদিও সেইবোৰ যদি মিছা হয় মিছা সাক্ষ্য দিয়াৰ বাবে এতৎপশ্চাত তেওঁক অভিযুক্ত কৰিব পৰা যাব পাৰে।

**দৃষ্টান্ত**

(ক) 'খ'ক বিক্ৰী কৰা আৰু প্ৰদান কৰা দ্ৰব্যবোৰৰ মূল্যৰ বাবে 'ক'ই 'খ'ৰ ওপৰত বাদ কৰিলে। 'গ'ই কলে যে তেওঁ দ্ৰব্যবোৰ 'খ'ক প্ৰদান কৰিছিল।

পূৰ্বে এবাৰ তেওঁ দ্ৰব্যবোৰ 'খ'ক প্ৰদান কৰা নাছিল বুলি হে কৈছিল এইটো দেখুওৱাবলৈ সাক্ষ্য দিয়া হ'ল।

এই সাক্ষ্যটো গ্ৰহণীয়।

(খ) 'খ'ক হত্যা কৰাৰ বাবে 'ক'ৰ ওপৰত অভ্যাৰোপ কৰা হ'ল।

'গ'ই কলে যে 'খ'ই মৃত্যুৰ সময়ত ঘোষণা কৰিছিল যে 'ক'ই 'খ'ক আঘাতটো কৰিছিল যিটোত তেওঁৰ মৃত্যু ঘটিছিল।

'গ'ই পূৰ্বৰ এবাৰ আঘাতটো 'ক'ৰ দ্বাৰা বা তেওঁৰ উপস্থিতিত কৰা হোৱা নাছিল বুলি যে কৈছিল সেইটো দেখুৱাবলৈ সাক্ষ্য দিয়া হ'ল।

সাক্ষ্যটো গ্ৰহণীয়।

**১৫৬। প্ৰাসঙ্গিক তথ্যবোৰৰ সাক্ষ্য সংপুষ্ট কৰিবলৈ প্ৰবৃত্তি থকা প্ৰশ্নবোৰ গ্ৰহণীয়**- যাক সংপুষ্ট কৰিবলৈ অভিপ্ৰেত তেনে এজন সাক্ষীয়ে যেতিয়া কোনো প্ৰাসঙ্গিক তথ্যৰ সাক্ষ্য দিয়ে তেতিয়া যদি ন্যায়ালয়ৰ এনে অভিমত হয় যে প্ৰমাণ হলে তেনে পৰিস্থিতিবোৰে তেওঁ সাক্ষ্য দিয়া প্ৰাসঙ্গিক তথ্যটোৰ সম্পৰ্কত সাক্ষীজনৰ সাক্ষ্য সংপুষ্ট কৰিব, তেনেহলে তেনে প্ৰাসঙ্গিক তথ্য ঘটা সময়ত বা স্থানত বা তাৰ নিকটৱৰ্তী সময় বা স্থানত তেওঁ লক্ষ্য কৰা যিকোনো পৰিবেশ সম্পৰ্কে তেওঁক প্ৰশ্ন কৰিব পাৰি।

**দৃষ্টান্ত**

এজন সহ অপৰাধী ক'ই তেওঁ অংশ গ্ৰহণ কৰা এটা লুণ্ঠনৰ বিষয়ে এটা বিৱৰণ দিলে যি স্থানত সেইটো ঘটোৱা হৈছিল সেই ঠাইলৈ তেওঁ যাওঁতে আৰু আহোঁতে বাটত ঘটা লুণ্ঠনবোৰৰ লগত অসংলগ্ন কেইবাটাও ঘটনাৰ বৰ্ণনা কৰিলে।

লুণ্ঠনটোৰ সম্পৰ্কত তেওঁৰ সাক্ষ্য সংপুষ্ট কৰিবৰ কাৰণে এই তথ্যবোৰৰ বিষয়ে স্বতন্ত্ৰ সাক্ষ্য দিব পাৰি।

**১৫৭। একেটা তথ্যৰ সংক্ৰান্তত সাক্ষীৰ পূৰ্বৰ উক্তিবোৰ পিছৰ পৰিসাক্ষ্য সংপুষ্ট কৰিবলৈ প্ৰমাণ কৰিব পাৰি** - কোনো সাক্ষীৰ পৰিসাক্ষ্য সংপুষ্ঠ কৰিবৰ অৰ্থে তেনে সাক্ষীয়ে একেটা তথ্য সম্পৰ্কে তথ্যটো ঘটা সময়ত বা ওচৰা-ওচৰি সময়ত বা তথ্য বিধি সন্মত ভাৱে তদন্ত কৰিবলৈ সক্ষম কোনো প্ৰাধিকাৰীৰ সমক্ষত পূৰ্বে কৰা কোনো উক্তি প্ৰমাণ কৰিব পাৰি।

**১৫৮। ধাৰা ৩২ বা ৩৩ মতে প্ৰাসঙ্গিক প্ৰমাণিত উক্তি সংক্ৰান্তত কি কি বিষয় প্ৰমাণ কৰিব পাৰি** - যেতিয়া ধাৰা ৩২ বা ৩৩ মতে প্ৰাসঙ্গিক কোনো উক্তি প্ৰমাণিত হয় তেতিয়া এইটো খণ্ডন কৰাৰ বা সংপুষ্ট কৰাৰ অৰ্থে বা যাৰ দ্বাৰা এইটো কৰা হৈছিল যদি সেই ব্যক্তিজনক সাক্ষী হিচাবে আহ্বান কৰা হ'লহেতেঁন আৰু জেৰাত ইঙ্গিত কৰা বিষয়টোৰ সত্যতা অস্বীকাৰ কৰিলে যিদৰে তেওঁৰ বিশ্বাসনীয়তা প্ৰমাণ হ'লহেতেঁন তেনেদৰে বিশ্বাসনীয়তা অধিক্ষেপিত কৰিবলৈ বা পুষ্ট কৰিবলৈ সকলোবোৰ বিষয় প্ৰমাণ কৰিব।

**১৫৯। স্মৃতি সতেজ কৰা** - পৰীক্ষাৰ অধীনত থাকোতে এজন সাক্ষীয়ে এনে কোনো লিখনী চাই লৈ নিজৰ স্মৃতি সতেজ কৰি লব পাৰে যিটো সংব্যৱহাৰ সম্পৰ্কে তেওঁক প্ৰশ্ন কৰা হয় সেই সংব্যৱহাৰ সময়ত অথবা তাৰ অল্পকাল পশ্চাৎ তেওঁৰ দ্বাৰা লিখা হৈছিল যেতিয়া সংব্যৱহাৰটো

---

১। দণ্ডবিধি (সংশোধন) অধিনিয়ম, ২০০৫ (২০০৬ৰ অধিনিয়ম ২)ৰ ধাৰা ৯ৰ দ্বাৰা ধাৰা ১৫৪, সেই ধাৰাৰ উপ-ধাৰা (১) ৰূপে পুনঃ সংখ্যাঙ্কিত কৰা হৈছে (১৬-৪-২০০৬ৰ পৰা প্ৰভাৱী হোৱাকৈ)

২। একে অধিনিয়মৰ একে ধাৰাৰ দ্বাৰা অন্তঃস্থাপিত।

৩। ১৮৭২ৰ ১৮ অধিনিয়মৰ ধাৰা ১১ৰ দ্বাৰা প্ৰতিষ্ঠাপিত।

৪। ২০০৩ৰ অধিনিয়ম ৪ৰ ধাৰা ৩ৰ দ্বাৰা খণ্ড (৪) লোপ কৰা হৈছে (৩১-১২-২০০২ৰ পৰা প্ৰভাৱী হোৱাকৈ)।

তেওঁৰ স্মৃতিত সতেজ হৈ থকাটো সম্ভৱ আছিল বুলি ন্যায়ালয়ে বিবেচনা কৰে। সাক্ষীজনে অন্য যি কোনো ব্যক্তিৰ দ্বাৰা প্ৰস্তুত কৰা আৰু উপৰোক্ত সময়ৰ ভিতৰতে তেওঁৰ দ্বাৰা পঢ়া কোনো লিখনীও চাব পাৰে যদি সেইখন পঢ়াৰ সময়ত তেওঁ তাক শুদ্ধ বুলি জানিছিল।
কেতিয়া সাক্ষীয়ে স্মৃতি সতেজ কৰিবৰৈলে দস্তাৱেজৰ প্ৰতিলিপি ব্যৱহাৰ কৰিব পাৰে - যেতিয়াই কোনো সাক্ষীয়ে কোনো দস্তাৱেজ চাই স্মৃতি সতেজ কৰিব পাৰে, তেতিয়া তেওঁ ন্যায়ালয়ৰ অনুমতিলৈ তেনে দস্তাৱেজৰ এখন প্ৰতিলিপিও চাব পাৰে ঃ-

পৰন্তু মূলখন দাখিল নিদিয়াৰ বাবে পৰ্যাপ্ত যুক্তি আছে বুলি ন্যায়ালয়ক সন্তুষ্ট কৰা হয়।

বিশেষজ্ঞই বৃত্তিক পুস্তক চাই তেওঁৰ স্মৃতি সতেজ কৰিব পাৰে।

**১৬০। ধাৰা ১৫৯ত উল্লিখিত দস্তাৱেজত বৰ্ণিত তথ্যবোৰৰ সাক্ষ্য** - কোনো সাক্ষীয়ে সেই তথ্যবোৰৰ প্ৰতি তেওঁৰ কোনো বিনিৰ্দিষ্ট স্মৰণ নাথাকিলেও, যদি তেওঁ তথ্যবোৰ দস্তাৱেজখনত শুদ্ধ ভাবে অভিলিখিত হৈছিল বুলি নিশ্চিত ভাবে জানে তেনেহলে ধাৰা ১৫৯ত উল্লেখ কৰা তেনে কোনো দস্তাৱেজত উল্লিখিত তথ্যবোৰ প্ৰমাণ কৰিব পাৰে।

**দৃষ্টান্ত**

কোনো হিচাপ ৰক্ষকে ব্যৱসায়ৰ সাধাৰণ অনুক্ৰমত নিয়মিত ভাবে ৰখা বহীবোৰত তেওঁৰ দ্বাৰা অভিলিখিত তথ্যবোৰ, তেওঁ প্ৰবিষ্টি কৰা বিশেষ সংব্যৱহাৰটো পাহৰিছে যদিও, তেওঁ যদি বহীবোৰ শুদ্ধ ভাবে ৰখা হৈছিল বুলি জানে, তেনেহলে প্ৰমাণ কৰিব পাৰে।

[1][**১৬১। স্মৃতি সতেজ কৰিবলৈ ব্যৱহৃত লিখনীবোৰৰ প্ৰতি বিৰোধী পক্ষৰ অধিকাৰ** - ইয়াৰ অন্তিম পূৰ্বগামী ধাৰা দুটাৰ উপবন্ধবোৰত উল্লিখিত কোনো লিখনী, বিৰোধী পক্ষক, যদি তেওঁ এইটো বিচাৰে, দাখিল কৰিব আৰু দেখুৱাব লাগিব ; তেনে পক্ষই, যদি তেওঁ ইচ্ছা কৰে তাৰ ওপৰত সাক্ষীজনক জেৰা কৰিব পাৰে।

**১৬২। দস্তাৱেজৰ দাখিল কৰণ** - কোনো দস্তাৱেজ দাখিল কৰিবলৈ চমন পোৱা কোনো সাক্ষীয়ে, যদি সেইখন তেওঁৰ দখলত বা ক্ষমতাৰ ভিতৰত থাকে, তেন্তে সেইখনৰ দাখিলকৰণ বা গ্ৰহণীয়তাৰ বিষয়ে কোনো আপত্তি থাকক বা নাথাকক, সেইখন ন্যায়ালয়লৈ আনিব। তেনে কোনো আপত্তিৰ বিধিমান্যতা ন্যায়ালয়ৰ দ্বাৰা নিৰ্দ্ধাৰিত হ'ব।

ন্যায়ালয়ে যদি এইটো উপযুক্ত দেখে সেইখন নিৰীক্ষণ কৰিব পাৰে, যদিহে সেইখন ৰাজকাৰ্য্য সম্পৰ্কীয় বিষয়ৰ নহয়, অথবা সেইখনৰ গ্ৰহণীয়তাৰ ওপৰত সিদ্ধান্ত লবলৈ ন্যায়ালয়ক সমৰ্থবান কৰিবলৈ অন্য সাক্ষ্য লব।

**দস্তাৱেজৰ অনুবাদ** - যদি তেনে কোনো উদ্দেশ্যৰ বাবে কোনো দস্তাৱেজ অনুবাদ কৰোৱাটো আৱশ্যকীয় হয়, ন্যায়ালয়ে যদি এইটো উপযুক্ত বুলি ভাবে, তেনেহলে দস্তাৱেজখন সাক্ষ্য দিবলগীয়া নহলে, অনুবাদকক অন্তৰ্বস্তুবোৰ গোপনে ৰাখিবলৈ নিৰ্দ্দেশ দিব পাৰে ; আৰু যদি অনুবাদক জনে তেনে নিৰ্দ্দেশ অমান্য কৰে, তেওঁক ভাৰতীয় দণ্ড সংহিতাৰ (১৮৬০ৰ ৪৫) ধাৰা ১৬৬ৰ অধীনত এটা অপৰাধ কৰা বুলি ধৰা হ'ব।

**১৬৩। তলৱ কৰাত আৰু জাননী দিয়াত দাখিল কৰা দস্তাৱেজ সাক্ষ্য হিচাবে দিয়াৰ বিষয়ে** -- যেতিয়া কোনো পক্ষই এখন দস্তাৱেজ তলবৰ বাবে যিখন দাখিল কৰিবলৈ তেওঁ আন্য পক্ষক জাননী দিছে আৰু যেতিয়া তেনে দস্তাৱেজ দাখিল কৰা হয় আৰু সেইখন দাখিল কৰণৰ বাবে তলব কৰা পক্ষটোৰ দ্বাৰা পৰিদৃষ্ট কৰা হয়, তেতিয়া যদি সেইখন দাখিল কৰা পক্ষটোৱে, তেওঁক তেনে কৰাটো অপেক্ষা কৰে তেন্তে তেওঁ সেইখন সাক্ষ্য হিচাবে দিবলৈ বাধ্য।

**১৬৪। সূচনা পাইও যি দস্তাৱেজৰ দাখিল উপেক্ষা কৰা হৈছিল সাক্ষ্য হিচাবে তাৰ ব্যৱহাৰ** - যেতিয়া কোনো পক্ষই এনে কোনো দস্তাৱেজ দাখিল কৰিবলৈ অস্বীকাৰ কৰে যিখন দাখিল কৰিবলৈ তেওঁ সূচনা পাইছিল, তেতিয়া সেই দস্তাৱেজখন পিছত তেওঁ বিপৰীত পক্ষৰ সন্মতি ন'হলে বা ন্যায়ালয়ৰ আদেশ নহলে বা ন্যায়ালয়ৰ আদেশ নহলে সাক্ষ্য হিচাবে ব্যৱহাৰ কৰিব নোৱাৰে।

**দৃষ্টান্ত**

কোনো চুক্তিৰ 'ক' ই 'ক খ' ৰ ওপৰত বাদ কৰিলে আৰু সেই চুক্তিখন দাখিল কৰিবলৈ 'খ'ক সূচনা দিলে। বিচাৰত 'ক'ই দস্তাৱেজখন বিচাৰিলে আৰু 'খ'ই সেইখন দাখিল কৰিবলৈ অস্বীকাৰ কৰিলে। 'ক'ই সেই খনৰ অন্তৰ্বস্তুৰ বিষয়ে দ্বিতীয়ক সাক্ষ্য দিলে। 'খ'ই 'ক'ই দিয়া দ্বিতীয়ক সাক্ষ্যটো খণ্ডন কৰিবলৈ বা চুক্তিখন মুদ্ৰাঙ্কিত হোৱা নাছিল বুলি দেখুৱাবলৈ দস্তাৱেজখন দাখিল কৰিব খুজিলে। তেওঁ সেইটো কৰিব নোৱাৰে।

**১৬৫। প্ৰশ্ন সুধিবলৈ বা দাখিল কৰাৰ আদেশ দিবলৈ ন্যায়াধীশৰ ক্ষমতা** - ন্যায়াধীশে প্ৰাসঙ্গিক তথ্যবোৰ উদ্ঘাটন কৰিবৰ বা তাৰ উচিত প্ৰমাণ পাবৰ কাৰণে প্ৰাসঙ্গিক বা অপ্ৰাসঙ্গিক যি কোনো তথ্যৰ বিষয়ে যিকোনো সাক্ষীক বা যিকোনো পক্ষক যি কোনো ধৰণৰ, যিকোনো সময়ত তেওঁ ইচ্ছা কৰা মতে যি কোনো প্ৰশ্ন সুধিব পাৰে ; আৰু কোনো দস্তাৱেজ বা কোনো বস্তু দাখিল কৰিবলৈ আদেশ দিব পাৰে ; আৰু পক্ষ্যবোৰৰ বা তেওঁলোকৰ অভিকৰ্ত্তাৰ কোনোৱে তেনে কোনো প্ৰশ্ন বা আদেশৰ বিৰুদ্ধে আপত্তি কৰিবলৈ নাইবা ন্যায়ালয়ৰ বিনা অনুমতিত কোনো সাক্ষীক তেনে কোনো প্ৰশ্নৰ প্ৰত্যুত্তৰত দিয়া কোনো উত্তৰৰ ওপৰত জেৰা কৰিবলৈ হকদাৰ নহব ঃ

---

১। পুলিচ ডায়েৰীৰ ক্ষেত্ৰত ধাৰা ১৬১ৰ প্ৰয়োগ সম্পৰ্কে দণ্ড প্ৰক্ৰিয়া সংহিতা, ১৮৯৮ (১৮৯৮ৰ ৫)ৰ ধাৰা ১৭২ দ্ৰষ্টব্য।

পৰন্তু নিৰ্ণয়টো এই অধিনিয়মৰ দ্বাৰা প্ৰাসঙ্গিক বুলি ঘোষিত হোৱা তথ্যবোৰৰ ওপৰত আধাৰিত আৰু সম্যক ভাবে প্ৰমাণিত হ'ব লাগিব ঃ

অধিকন্তু এই ধাৰাই ন্যায়াধীশক কোনো সাক্ষীকে কোনো প্ৰশ্নৰ উত্তৰ দিবলৈ বা কোনো দস্তাবেজ উপস্থাপিত কৰিবলৈ বাধ্য কৰিবলৈ প্ৰাধিকৃত নকৰিব, যিটো উত্তৰ দিয়াৰ বাবে বা উপস্থাপিত কৰাৰ বাবে, যদি বিৰোধীৰ দ্বাৰা প্ৰশ্নটো সোধা হ'লহেঁতেন বা দস্তাবেজখন তলব কৰা হ'লহেঁতেন ; তেতিয়া এনে সাক্ষীয়ে ১২১ৰ পৰা ১৩১লৈ ধাৰাবোৰৰ অধীনত, দুয়োটাকে অন্তৰ্ভুক্ত কৰি, অস্বীকাৰ কৰিবলৈ হকদাৰ হ'লহেঁতেন ; আৰু ন্যায়াধীশে এনে প্ৰশ্ন নুসুধিব যিটো সোধা কোনো অন্য ব্যক্তিৰ বা ধাৰা ১৪৮ বা ১৪৯ৰ অধীনত অনুচিত হ'লহেতেঁন, নাইবা তেওঁ এতস্মিন পূৰ্বে অত্ৰ ব্যতিক্ৰান্ত ক্ষেত্ৰবোৰৰ ব্যাতিৰেকে কোনো দস্তাবেজৰ প্ৰাথমিক সাক্ষ্য দিয়াৰ পৰা অব্যাহতি নিদিব।

**১৬৬। জুৰি বা এচেচ্ৰসকলৰ প্ৰশ্ন কৰাৰ ক্ষমতা** - জুৰিৰ দ্বাৰা এচেচ্ৰ সকলৰ সহায়ত কৰা বিচাৰৰ ক্ষেত্ৰত, জুৰি বা এচেচ্ৰ সকলে সাক্ষীবোৰক, কোনো প্ৰশ্ন ন্যায়াধীশৰ মাধ্যমেৰে বা অনুমতিৰ দ্বাৰা সুধিব পাৰে, যিটো ন্যায়াধীশে স্বয়ং নিজে সুধিব পাৰে আৰু যিটো তেওঁ উচিত বুলি ভাবে।

## অধ্যায় -১১

## সাক্ষ্যৰ অনুচিত গ্ৰহণ আৰু অগ্ৰাহ্যকৰণৰ বিষয়ে

**১৬৭। সাক্ষ্যৰ অনুচিত গ্ৰহণ বা অগ্ৰাহ্যকৰণৰ বাবে নতুন বিচাৰ নহব** - সাক্ষ্যৰ অনুচিত গ্ৰহণ বা অগ্ৰাহ্যকৰণ স্বয়ং, কোনো গোচৰত নতুন বিচাৰৰ বাবে বা কোনো সিদ্ধান্ত ওলোটাবলৈ আধাৰ নহব, যদি সেই ন্যায়ালয়ৰ যাৰ সমক্ষত এনে আপত্তি দাখিল কৰা হয়, এইটো প্ৰতীত হয় যে আপত্তি কৰা আৰু গৃহীত সেই সাক্ষ্যৰ অবিহনেও সিদ্ধান্তৰ ন্যায্যতা ৰক্ষা কৰিবলৈ পৰ্য্যাপ্ত সাক্ষ্য আছিল, বা যদি, অগৃহীত সাক্ষ্য গ্ৰহণ কৰিলেও ইয়াৰ দ্বাৰা সিদ্ধান্তৰ পৰিৱৰ্তিত হোৱা উচিত নহব।

**অনুসূচী - (অধিনিয়মিতিসমূহ নিৰসিত) [নিৰসন অধিনিয়ম, ১৯৩৮ (১৯৩৮ৰ ১)ৰ ধাৰা ২ আৰু অনুসূচীৰ দ্বাৰা নিৰসিত হৈছে।]**

---

সচিব,
ভাৰত চৰকাৰ
Secretary to the Government of India

ভাৰত চৰকাৰৰ হুকে অসম চৰকাৰ (বিধান বিভাগ)ৰ দ্বাৰা প্ৰকাশিত আৰু অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী-২১, ৫-৯-২০১১